## Al-Habib

***Al -Habib -*** কি জানেনে?

ই এখন সৰু প্ৰচাৰ পুস্তিকা যাৰ অৰ্থ "**মহান বন্ধু**"। এই পুস্তিকাখনিয়ে আপোনাৰ সংগী বা বন্ধু হোৱাৰ কামনা কৰে। "মহান বন্ধু" বা "প্ৰকৃত বন্ধু" কোন এই বিষয়ে পুস্তিকাখনিত প্ৰতি তিনি মাহত বিভিন্ন লিখনি প্ৰকাশ পায়। ই সঁচাকৈয়ে আপোনাৰ প্ৰকৃত বন্ধু নহবনে? নিশ্চয় হব। কেনেকৈ ?

ক) আপুনি *Dar-Ul-Masih*'ৰ **Friendship Club** লৈ ৫০/ টকা মূল্যৰ যিকোনো নতুন ডাক টিকট পঠাই দিয়ক।

খ) ইয়াত প্ৰকাশ হবৰ বাবে আপোনাৰ সম্পূৰ্ণ নাম, ঠিকনা, বয়স, শিক্ষা আদি উল্লেখ কৰক। আপোনাৰ প্ৰকৃত বন্ধু কোন -- এই বিষয়ে আপোনাৰ উত্তৰ বা ধাৰণা -- কবিতা আকাৰত লিখি পঠাওক। বিবেচিত হ'লে আমি নিশ্চয় প্ৰকাশ কৰিম।


গ) ইয়াত প্ৰকাশ হোৱা বিষয় বস্তুৰ ওপৰত মতামত দিব পাৰে। নাম, ঠিকনা থকা বিভিন্ন বন্ধু / বান্ধৱীৰ সৈতে চিঠিৰে সম্পৰ্ক স্থাপন কৰিব পাৰে।

ঘ) এই পুস্তিকাখনিৰ পৰাই আপোনাৰ জীৱনৰ প্ৰকৃত বন্ধু ৰূপে হজৰত ঈছা মছীহক আৱিস্কাৰ কৰিব পাৰে। সেয়েহে ***Al-Habib*** সঁচাকৈয়ে আপোনাৰ প্ৰকৃত বন্ধু। ইয়াক পাবলৈ আজিয়েই আমাৰ লগত যোগাযোগ কৰক।

**Friendship Club,**
**Post Box No. 234**
**Guwahati - 781001**



# খোদায়ে মোক অনন্ত জীৱন দিলে



## হামৰাণ আম্ৰি



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

# খোদায়ে মোক অনন্ত জীৱন দিলে

Assamese Translation of **"GOD HAS CHOSEN FOR ME EVERLASTING LIFE"**, A short Testimony of Rev. Hamran Ambrie. This booklet is for the encouragement of those who are about to acceept Jesus Christ as his/her personal Saviour.This translated by Mrs. Jitumoni Deka, edited by Khursheed Alam and Published by *Dar-Ul-Masih*,Guwahati-1,Assam. Price Rs. 20/- Only.

Published By: ***The Good Way***
Rikon, Switzerland.

প্ৰথম অসমীয়া প্ৰকাশ ঃ জুন/২০০২
দ্বিতীয় প্ৰকাশ ঃ ফেব্ৰুৱাৰী/২০০৩
অনুবাদক ঃ শ্ৰীমতী যীতুমণি ডেকা
অসমীয়া সংস্কৰণ ঃ ***দ্বাৰ-উল-মছীহ***
ডাক বাকচ নং ঃ ২৩৪
গুৱাহাটী - ৭৮১০০১

© প্ৰকাশকৰ দ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত।

1000 Copies

Price Rs. 20/- Only.

Printed at **ComPress**, Ambari,Guwahati-1

বিঃ দ্ৰঃ কোৰাণ শ্বৰীফৰ অসমীয়া উদ্ধৃতি সমূহ, "*অসমীয়া ইছলামী সাহিত্য প্ৰকাশন সমিতি, হেদায়েৎ পুৰ, গুৱাহাটী - ৩*" ৰ পৰা প্ৰকাশিত, **অধ্যাপক ছৈয়দ ছামচুল হুদা, (এম. এ.)** অনুদিত "**কোৰাণ বোধ**"ৰ পৰা লোৱা হৈছে।



১০) আল্লাহৰ ত্ৰিত্ববাদ আন মুছলমানৰ বাবে বুজিবলৈ টান কিয়?

১১)মৃতসকলৰ মাজৰ পৰা ঈছামছীহ পুনৰুত্থিত হোৱাৰ প্ৰমাণ কি?

১২) তৰোৱাল লোৱা সকলৰ পৰিণতি কি হ'ব?

১৩) ঈছামছীহক বেহেস্ত গমনৰ কথা কোৰাণ শ্বৰীফে স্বীকাৰ কৰেনে?

১৪) ঈছামছীহ পুনৰ দুনিয়াত আহি কি কৰিব?

১৫) কিতাবুল মোকাদ্দাছ বিকৃত বুলি উল্লেখ থকা কোৰাণ শ্বৰীফৰ কেইটামান আয়াতৰ নাম লিখক।

১৬) কোৰাণ শ্বৰীফত এনে আয়াত আছেনে যিটোৱে কিতাবুল মোকাদ্দাছ বিকৃত হোৱা বুলি মানি লয়?

১৭) আল্লাহৰ সন্তান সকললৈ কি তিনিটা ওৱাদা দিয়া হৈছে?

১৮) ইউহোন্না ৩ঃ১৬ আৰু ৰছুলসকলৰ কাৰ্য ৪ঃ১২ মুখস্থ কৰক।

১৯) ছুৰা আল-ইমৰান ৫৫ আয়াত মুখস্থ কৰক।

২০) আপুনি হজৰত ঈছামছীহক ব্যক্তিগত জীৱনৰ নাজাতদাতা ৰূপে গ্ৰহণ কৰিবলৈ আগ্ৰহী নে?

এইপ্ৰশ্ন সমূহৰ উত্তৰ লিখি তলৰ ঠিকনালৈ পঠাইদিয়ক।

***দ্বাৰ-উল-মছীহ***
ডাকবাকচনং ঃ ২৩৪
গুৱাহাটী - ৭৮১ ০০১

*Dar-ul-Masih*
Post Box No: 234
Guwahati-781 001

b b b



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

# কুইজ

প্ৰিয় পঢ়ুৱৈসকল, আপুনি যদি মাননীয় হামৰান আম্বি চাহাবৰ এই জীৱনীখন ভালদৰে অধ্যয়ন কৰিছে তেন্তে তলৰ প্ৰশ্নসমূহৰ উত্তৰ নিশ্চয় দিব পাৰিব। আপোনাৰ অধিকাংশ উত্তৰ শুদ্ধ হ'লেহে আমাৰ প্ৰকাশিত আন এখন কিতাপ পঠিয়াই দিম। আমি আশা কৰো আপোনালোকে অধিক অধ্যয়ন কৰি খোদাৰ বিষয়ে প্ৰকৃত সত্য জানক আৰু ঈছামছীহৰ সংগী হওঁক। ঈছামছীহৰ বিষয়ে অধিক জানিবলৈ আমাৰ সৈতে ব্যক্তিগত ভাবেও যোগাযোগ কৰিব পাৰে। ধন্যবাদ।

## প্ৰশ্ন সমূহ

১) তৌৰাৎ আৰু ইঞ্জিল শ্বচীফ আগৰ দৰেই অপৰিবৰ্ত্তনীয় হৈ আছে বুলি দিয়া কোৰাণ শ্বৰীফৰ কেইটামান আয়াতৰ নাম লিখক।

২) কোৰাণ শ্বৰীফৰ চাৰিটা আয়াত লিখক যিবোৰে কিতাবুল মোকাদ্দাছ আল্লাহৰ সত্য কিতাব বুলি ঘোষণা কৰিছে।

৩) হজৰত মুছা (অঃ) আৰু ঈছামছীহৰ চাৰিত্ৰিক সাদৃশ্য বৰ্ণনা কৰক।

৪) দ্বিতীয় বিৱৰণ ১৮ঃ১৮ থকা কথাবোৰে কিদৰে ঈছামছীহক আল্লাহৰ প্ৰেৰিত ৰছুল বুলিব পাৰি?

৫) কিতাবুল মোকাদ্দছ সত্য বুলি আৱিস্কাৰ কৰাৰ পিছতো হামৰান আম্বিয়ে কিয় ঈছামছীহক গ্ৰহণ কৰিব পৰা নাছিল?

৬) হামৰান আম্বিয়ে কেনেদৰে 'বিশেষ বাধাসমূহ' অতিক্ৰম কৰিব পাৰিছিল?

৭) ঈছামছীহক কি অৰ্থত 'মাবুদ' বুলিব পাৰি?

৮) মছীহিয়াতত কেনেদৰে আল্লাহৰ তৌহিদবাদ স্পষ্টকৈ প্ৰকাশ পায়?

৯) মছীহীসকলে যে বহুত্ববাদী নহয় তাৰ প্ৰমাণবোৰ কি কি?



# প্ৰকাশকৰ একাষাৰ

**'হামৰাণ আম্বি'**য়ে নিজে লিখা মছীহী হোৱাৰ সাক্ষ্য পঢ়ি কেবাটাও প্ৰশ্ন উদয় হৈছেঃ প্ৰকৃত শান্তিৰ উৎস কি হ'ব পাৰে? ইছলামৰ এজন বিদগ্ধ পণ্ডিত, শিক্ষক ও প্ৰচাৰক কিয় মছীহী হ'ব লগা হ'ল? তেওঁৰ অভিজ্ঞতাৰ পৰা ক'ব খুজিছো, কোনো ধৰ্মই নহয়, কিন্তু খোদাৰ মনোনীত এজন ৰছুল-হজৰত ঈছামছীয়েহে প্ৰকৃত শান্তি প্ৰতীষ্ঠাৰ বাবে সঠিক পদক্ষেপ লৈছিল।

আম্বি চাহাবৰ সাক্ষ্যই আমাৰ বহুতো মুছলমান ভাই-ভনীসকলৰ উপকাৰত আহিব বুলি আশা ৰাখিছো। আজি আমাৰ উঠি অহা বহুতো ভাই-ভনী ধৰ্মীয় দিশত দিগভ্ৰান্ত। ধৰ্মৰ শিক্ষাৰ লগত বাস্তৱৰ মিল নথকাত আম্বি চাহাবৰ দৰে বহুতেই আজি ঈছামছীহত আশ্ৰয় লৈ ব্যক্তিগত জীৱনৰ **'নাজাত'** সুনিশ্চিত কৰিছে। প্ৰিয় পঢ়ুৱৈ সকলৈ আমাৰ এইটোৱেই বিনম্ৰ অনুৰোধ ঃ আপোনালোকে মুকলিমুৰীয়াকৈ আম্বি চাহাবৰ সাক্ষ্য পঢ়ক আৰু তেওঁৰ দৰে ঈছামছীহক গ্ৰহণ কৰি নাজাত সুনিশ্চিত কৰক।

এই কিতাপখন ইংৰাজীৰ পৰা অসমীয়ালৈ অনুবাদ কৰি দিয়াৰ বাবে শ্ৰীমতী যীতুমণি ডেকা মেধিলৈ আৰু পাণ্ডুলিপি চাই সহায় কৰাত শ্ৰীযুত নিজামুল হক ডাঙৰীয়ালৈ আন্তৰিক ধন্যবাদ জনাইছো। অসমীয়া সংস্কৰণত অজানিতে ৰৈ যোৱা ভুলৰ বাবে ৰাইজে ক্ষমা কৰে যেন। শেষত কওঁ, কিতাবখনে পঢ়ুৱৈ সমাজক এই বিষয়ে সামগ্ৰিক দিশত উপকৃত কৰিব পাৰিলে আমাৰ পৰিশ্ৰম সাৰ্থক হোৱা বুলি ভাবিম। মহান খোদাৰ মহব্বত, ঈছামছীহৰ উপস্থিতি সকলো সময়তে আপোনালোকৰ লগত থাকক। খোদা হাফিজ।

**দ্বিতীয় প্ৰকাশ ঃ** কিতাপখনৰ জনপ্ৰিয় আৰু প্ৰয়োজন অনুভৱ কৰি কিছু যোগ-বিয়োগ কৰি সংশোধনী ৰূপত ইয়াৰ দ্বিতীয় প্ৰকাশ আগবঢ়োৱা হ'ল। আশাকৰো পঢ়ুৱৈ সমাজে ইয়াক আগৰদৰেই সাদৰেৰে গ্ৰহণ কৰিব। ধন্যবাদ।

প্ৰকাশক ঃ সম্পাদক
*দ্বাৰ-উল-মছীহ*, গুৱাহাটী, ৭ আগষ্ট, ২০০৭ চন।



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

## নিৰ্ঘন্ট


| | পৃষ্ঠা |
|---|---|
| **প্ৰকাশকৰ একাষাৰ (পাতনি)** | ৩ |
| ০১। আল্লাই মোক ব্যক্তিগতভাৱে কথা ক'লে | ৫ |
| ০২। **ঈছামছীহক আল্লাহৰ ৰুহানী পুত্ৰ বুলি কোৱা হয** | ১৪ |
| ০৩। **ঈছামছীহক মাবুদ বুলি কোৱা হয়** | ১৬ |
| ০৪। **মছীহিয়াতৰ একত্ববাদ (তৌহিদ)** | ২০ |
| ০৫। **আল্লাহৰ ত্ৰিত্বতা (Trinity of God)** | ২৪ |
| ০৬। **ঈছা মছীহৰ মওত আৰু পুনৰুত্থান** | ২৬ |
| ০৭। **মৃতসকলৰ মাজৰ পৰা মছীহৰ পুনৰুত্থান** | ২৮ |
| ০৮। **আমাৰ বাবে মছীহৰ সলীবৰ অৰ্থ** | ৩০ |
| ০৯। **ঈছামছীহৰ বেহেস্ত গমন** | ৩৩ |
| ১০। **ঈছামছীহৰ পুনৰাগমন্য** | ৩৪ |
| ১১। **কিতাবুল মোকাদ্দাছৰ সত্যতা** | ৩৫ |
| ১২। **পৰিবেশৰ প্ৰভাৱৰ বিৰুদ্ধে মোৰ যুদ্ধ যাতনা** | ৩৯ |
| ১৩। **অগণন আশীৰ্বাদ** | ৪৩ |
| ১৪। **মোৰ নিষ্ক্ৰিয় মছীহী জীৱন** | ৪৪ |
| ১৫। **মোৰ মছীহী জীৱনৰ সক্ৰিয় সাক্ষ্য দিয়াৰ আৰম্ভণি** | ৪৮ |
| ১৬। **বাহিৰত পৰিচৰ্যা আৰম্ভ** | ৫১ |
| ১৭। **আল্লাই মোৰ পৰিচৰ্যা বৃদ্ধি কৰিছিল** | ৫৪ |
| ১৮। সামৰণি | ৫৪ |
| কুইজ | ৬১ |




৩) যিজনে ঈছামছীহৰ ওপৰত ঈমান আনি তেওঁৰ বিশ্বাসযোগ্য উম্মত হয়, আল্লাহৰ পাক ৰুহ সদায় তেওঁৰ লগত থাকে। আনকি জগতৰ শেষলৈকে তেওঁৰ আত্মাই আমাৰ লগত থাকে।

প্ৰিয় পঢ়ুৱৈ সকল, এই বিলাক কাৰণতে আপোনালোকে আপোনালোকৰ জীৱনত খোদাৰ নিৰ্দেশ দিবলৈ মোক অনুমতি দিয়ক।

এতিয়া আপুনি আপোনাৰ সিদ্ধান্ত লওঁক। প্ৰতিশ্ৰুতি আৰু নাজাত গ্ৰহণ কৰিবলৈ সিদ্ধান্ত লওক। ঈছামছীহক গ্ৰহণ কৰি আপোনাৰ জীৱন নিৰাপদে ৰাখক আৰু তেওঁত আপুনি সুখী হওঁক। তেতিয়া আমি আল্লাহৰ লগত অনন্তকাল একেলগে থাকিব পাৰিম। এই সুযোগক অৱহেলা নকৰিব। অহাকালিলৈ ৰৈ নাথাকিব আৰু আজি যি কৰিবলগীয়া আছে আজিয়েই কৰক। অহাকালিলৈ বহুত পলম হৈ যাব। অনুতাপৰ দুৱাৰ বন্ধ হৈ গ'লে আপুনি চিৰস্থায়ী ভাৱে আক্ষেপত থাকিব লাগিব আৰু শাস্তি ভুগিব লাগিব। সেইবাবেই আহক, আজি আপোনালোক আটায়ে আহি নিজৰ নিজৰ নাজাত অৰ্থাৎ ঈছামছীহক আপোনাৰ জীৱনৰ ব্যক্তিগত নাজাতদাতা হিচাপে গ্ৰহণ কৰি চিৰদিনলৈ বেহেস্তী জীৱনৰ ভাগী হওক।

আপোনালোকৰ সেৱাত —

**হামৰাণ আম্ব্ৰি** , জাৰ্কাটা, ৬ মে' ১৯৯২ চন

b b b



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

গ্ৰহণ কৰে, সেই সকলোকে তেওঁ বেহেস্তী জীৱনৰ গৰাকী হ'বলৈ অধিকাৰ দিলে। এই কথাখিনি নিম্নোক্ত কালামেৰে বুজি পোৱা যায়। *"আল্লাহে জগতক ইমান মহব্বত কৰিলে যে তেওঁৰ একমাত্ৰ পুত্ৰকেই জগতক দিলে যাতে যিকোনোৱে তেওঁত ঈমান আনে, তেওঁ নষ্ট নহয় কিন্তু বেহেস্তী জীৱন পায়"*(ইউহোন্না ৩ঃ১৬)। *"যিজনে বিশ্বাস কৰি ত্বৰীকা গ্ৰহণ কৰে, তেওঁ নাজাত পাব; কিন্তু যিজনে অবিশ্বাস কৰে, তেওঁৰ দণ্ডাজ্ঞা কৰা হব আৰু এইবোৰ চিন, বিশ্বাস কৰা বিলাকৰ অনুগামী হব* (মাৰ্ক ১৬ঃ১৬)। ঈছামছীহে ক'লেঃ *"কিন্তু মই হ'লে তেওঁবিলাকে যেন জীৱন পায় আৰু তাকেই যেন প্ৰচুৰকৈ পায় এই নিমিত্তে আহিলো"* (ইউহোন্না ১০ঃ১০)। *"জগতৰ শেষলৈকে মই সদায় তোমালোকৰ সংগে সংগে আছো"*(মথি ২৮ঃ২০)। ঈছামছীহৰ চাহাবাসকলক ফিৰিস্তাসকলে কৈছিল, *'হে গালীল দেশৰ মানুহবিলাক, তোমালোকে যেনেকৈ তেওঁক বেহেস্তলৈ যোৱা দেখিলা তেনেকৈ তেওঁ আকৌ আহিব'* (পাঁচনিকৰ্ম ১ঃ১১)। এই ক্ষেত্ৰত ঈছামছীহে নিজেই কৈছিল ঃ *"তেতিয়া পৰাক্ৰম আৰু মহাপ্ৰতাপেৰে মানুহৰ পুত্ৰক মেঘত অহা দেখিবা"*(লূক ২১ঃ২২)।

ঈছামছীহৰ দ্বিতীয় আগমণৰ কথা কেৱল কিতাবুল মোকাদ্দছতে আছে এনে নহয়; হজৰত মহম্মদৰ হাদিছৰ বৰ্ণনাৰ ৩৩ পৃষ্ঠাত লিখা থকাৰ দৰে মুছলমানসকলেও ইয়াক বিশ্বাস কৰে। আমি ইয়াতে ঈছামছীহৰ দ্বিতীয় আগমণত তেওঁ ন্যায় বিচাৰপতিৰূপে আহিব বুলি পাওঁ।

### আল্লাহৰ সন্তানবোৰলৈ তেওঁ কৰা তিনিটা অঙ্গীকাৰ

১) বেহেস্তত অনন্ত জীৱন আৰু আদম আৰু হাৱাতকৈও গৌৰৱৰ জীৱন। অনন্ত জীৱনৰ অধিকাৰী- নাজাত পাবলৈ হলে মানুহে ঈছামছীহত ঈমান আনিব লাগিব আৰু সেই ঈমান অনাজনেই হৈছে তেওঁৰ প্ৰকৃত চাহাবী বা উম্মত।

২) সম্পূৰ্ণ জীৱন ঃ শাৰীৰিক ভাবে বা বস্তুগতভাবে যি জীৱন আমাৰ আছে সেইয়াও আল্লাহৰ আশীৰ্বাদ। ঈছামছীহৰ অনুগামীসকলৰ একোৰে অভাৱ নহব আৰু ই সদায় সম্পূৰ্ণ হৈ ৰ'ব।



## আল্লাই মোক ব্যক্তিগতভাৱে কথা ক'লে

জীৱনৰ আদিছোৱাত মই এজন ভাল মুছলমান, ইছলামীয় সংগঠনৰ নেতা আৰু এজন প্ৰচাৰক আছিলো। ১৯৪৭ চনত মই কে. এইচ. ইধাম খালিদ ৰ সৈতে যুটীয়াভাৱে আমুন্টাইত থকা কালিমাণ্টান মুছলমান কংগ্ৰেছৰ সভাপতি হৈছিলো। ১৯৫০-৫১ চনত বনজাৰমাছিনত থকা সৈন্যবিভাগত উপসেনাধ্যক্ষৰ পদ অলংকৃত কৰি তাত মুছলমান পুৰোহিত হিচাপেও কাম কৰিছিলো। মোৰ প্ৰৱন্ধবোৰ ছলো'ৰ পৰা প্ৰকাশিত "**Mingguan Adil**", জাকাৰ্টাৰ পৰা প্ৰকাশিত "**Mingguan Risalah Jihad**" আৰু বেন্দাঙৰ পৰা প্ৰকাশিত "**Mingguan Anti Komunis**" আদি ইছলামীয় আলোচনীবোৰত প্ৰকাশ হৈ আছিল। ১৯৩৬ চনৰ পৰা মই মছীহিয়াতৰ বিৰুদ্ধে উগ্ৰ মুছলমানসকলৰ সৈতে ১৯৬২ চনলৈ সমগ্ৰ ইণ্ডোনেচীয়াত ইছলামীয় শাসন প্ৰৱৰ্তন নোহোৱালৈকে কাম কৰিছিলো। এই ইছলামীয় শাসন প্ৰৱৰ্তনো কেৱল মছীহীয়াতৰ বিৰুদ্ধেই আছিল।

বাস্তৱিকতে ১৯৩৬ চনতে **কিতাবুল মোকাদ্দাছ** মোৰ হাতলৈ আহিছিল। মই সত্য উদ্‌ঘাটনৰ অৰ্থে এই **কিতাবুল মোকাদ্দাছ** অধ্যয়ন কৰা নাছিলো; কিন্তু ইয়াৰ কিছুমান প্ৰসঙ্গ যুক্তিৰে কিদৰে মছীহিয়াতৰ বিৰুদ্ধে শক্তিশালী মত গঢ়িব পাৰি তাৰ বাবেহে মই সেইয়া অধ্যয়ন কৰিছিলো।¨ এইদৰেই মই অতি ফলদায়কভাৱে মছীহীসকলৰ ঈমানক আঘাত কৰিছিলো।

মই ৪০ বছৰ বয়সলৈকে ঈছামছীহৰ নিন্দক আছিলো। তেওঁৰ ৰূহানী সত্বাক অগ্ৰাহ্য কৰিছিলো। উদ্দেশ্য সিদ্ধিৰ বাবে মই সত্যক বিদ্ৰূপ আৰু প্ৰত্যখ্যানো কৰিছিলো। কিন্তু মোৰ প্ৰতি আল্লাহপাকৰ অগাধ ভালপোৱা থকাৰ বাবে তেওঁ মোক ৰক্ষা কৰিলে।

১৯৬২ চনৰ কথা। মই মছজিদত খুৎবা দিয়াৰ কাৰণে ছুৰা-আল-মায়দাৰ ৬৮ নম্বৰ আয়াতৰ তফছীৰ কৰি আছিলো। "সিহঁতক কোৱা — 'হে ঐশীপুথি প্ৰাপ্তিসকল, (থিয় দিবলৈ) তোমালোকৰ কোনো মূল ভেটি



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

নহ’ব যেতিয়ালৈকে তৌৰাৎ , ইঞ্জিল আৰু তোমালোকৰ প্ৰভুৰ পৰা তোমালোকৰ প্ৰতি অৱতীৰ্ণ হোৱা অন্যান্য পুথিবোৰ প্ৰতিষ্ঠা নকৰা ... ।”

এইবোৰ আয়াত মই বহুতবাৰ পঢ়িছো; কিন্তু শেষত আল্লাই মোৰ আত্মাত কথা ক’লে যে, কোৰাণ শ্বৰীফত যি তৌৰাত আৰু ইঞ্জিল শ্বৰীফৰ কথা উল্লেখ আছে, সেই একেবোৰ কথাই কিতাবুল মোকাদ্দাছতো (পৱিত্ৰ বাইবেল)ত উল্লেখ আছে। মই সদায়েই ভাবিছিলো যে কোৰাণ শ্বৰীফত থকা তৌৰাত আৰু ইঞ্জিল শ্বৰীফৰ আকাৰ সংক্ষিপ্ত কৰা হৈছে। মই বিশ্বাস কৰিছিলো যে কিতাবুল মোকাদ্দাছত উল্লেখ থকা বহুতো কালাম আৰু মূল সূচীবোৰ মানুহৰ দ্বাৰাই সজোৱা হৈছে নাইবা তাত মিছা কথা যোগ দিয়া হৈছে। তদুপৰি মোৰ আত্মাই কৈছিল যে কিতাবুল মোকাদ্দাছত বৰ্ণনা কৰা আল্লাহৰ কালামৰ বাখ্যাই সত্য কিন্তু মোৰ অন্তৰাত্মাই মানি নলয় — “নহয় কিতাবুল মোকাদ্দাছত থকা আল্লাহৰ কালামৰ বৰ্ণনা মিছা।” মোৰ চিন্তা আৰু আত্মাৰ বিপৰীত মুখী ধাৰণাত মই সন্দেহী আৰু অনিশ্চিত হৈ পৰিলো।

মনৰ শান্তি ঘূৰাই পাবলৈ আৰু শুদ্ধ পথৰ ইংগিত পাবলৈ মই **তাহাজুদ নামাজ** পঢ়ি আল্লাহ পাকৰ ওচৰত দোৱা খুজিছিলো যেন আল্লাহ পাকে কোনটো বিশ্বাস সত্য তাক স্থিৰ কৰিবলৈ মোক সহায় কৰে। মোৰ মোনাজাত আছিল এনে ধৰণৰ ঃ

“হে আল্লাহ! বেহেস্ত দুনিয়াৰ সৃষ্টিকৰ্তা, মুছলমানৰ আল্লাহ, মছীহীসকলৰ ঈশ্বৰ আৰু বৌদ্ধসকলৰ প্ৰভু; জোন, বেলি, তৰা, পৰ্বত, উপত্যকাৰ এনেকি এই বিশ্ব ব্ৰহ্মাণ্ডৰ সৃষ্টিকৰ্তা; কোৰাণ শ্বৰীফত থকা তৌৰাত আৰু ইঞ্জিল শ্বৰীফৰ বৰ্ণনাৰ হকীকত মোক জানিবলৈ দিয়া। যদি কোৰাণ শ্বৰীফত সংক্ষিপ্ত আকাৰত উল্লেখ কৰা তৌৰাত আৰু ইঞ্জিল শ্বৰীফৰ বৰ্ণনাই সত্য, তেনেহলে মোৰ ঈমান মজবুত কৰা যাতে মই আৰু কোনো দিনেই কিতাবুল মোকাদ্দাছ নপঢ়ো। যদি কোৰাণ শ্বৰীফত উল্লেখ থকা তৌৰাত আৰু ইঞ্জিল শ্বৰীফৰ বৰ্ণনা সত্য হয়; তেনেহলে হে খোদা, মিনতি কৰো যে তুমি মোৰ অন্তৰ মুকলি কৰা যাতে অধিক ইচ্ছা আৰু নম্ৰতাৰে কিতাবুল মোকাদ্দাছ অধ্যয়ন কৰিব পাৰো।”



এজন ধাৰ্মিক মানুহৰ কাৰণে নাজাতৰ কথাটো পাৰ্থিব জীৱনতে সীমাবদ্ধ নহয়; তেওঁৰ কাৰণে তেওঁৰ আত্মা গুণাহৰ প্ৰভাৱৰ পৰা মুক্ত হোৱাটোৱেই বুজাইছে। তেওঁৰ আধ্যাত্মিক জীৱনৰ মুক্তি প্ৰেমৰসৈতে সংযুক্ত, যিটো বেহেস্তী জীৱনৰ মাধ্যম। ধৰা হ’ল — আদম আৰু হাৱা যদি পাপত পতিত নহ’লহেঁতেন, তেনেহ’লে মানুহ এতিয়াও বেহেস্তত জীয়াই থাকিলেহেঁতেন। আদম আৰু হাৱাৰ মূল গুণাহ অৰ্থাৎ আদম-হাৱাই আল্লাহৰ আজ্ঞা উলংঘন কৰিছিল বাবে মানৱজাতিয়েও আদম-ইভৰ সৈতে অনন্ত জীৱন যাপনৰ পৰা বহিৰ্ভূত হৈছিল আৰু সাধাৰণ জীৱনত পতিত হৈছিল। তাৰ দ্বাৰাই শাৰীৰিকভাৱে মৃত্যু হোৱাৰ লগতে আধ্যাত্মিকভাৱেও মৃত্যু হৈছিল। আধ্যাত্মিক আৰু শাৰীৰিক মৃত্যু হোৱা এই ক্ষয়পূৰ্ণ জীৱন আমি কেৱল উত্তৰাধিকাৰী সূত্ৰে আদম আৰু হাৱাৰ গুণাহৰ কাৰণে ভোগ কৰি আহিছো। এইটো পৃথিৱীৰ সকলোৱেই ভোগ কৰি আছে আৰু তাৰ মাজতে আপুনি আৰু ময়ো আছো। কিন্তু দয়ালু আল্লাহে আমাক মৃত হৈ থাকিবলৈ আৰু তেওঁৰ পৰা বিচ্ছিন্ন হৈ থাকিবলৈ নিদিব। আল্লাহে আমাক বেহেস্তী জীৱন দিবলৈ অঙ্গীকাৰ কৰিছে যিটো আদম আৰু হৱাই দিয়া অনন্ত জীৱনতকৈ বহুত ভাল।

**প্ৰথম পদক্ষেপঃ** বহু আগতে আল্লাহে নবী সকলৰ জৰিয়তে নিৰ্দেশ দিছিল যে আমি অনুতপ্ত হোৱা উচিত, তেওঁলৈ অহা, তেওঁৰ বাধ্য হোৱা আৰু মুছাৰ পুস্তকৰ ভাৱবাণীৰ (ইব্ৰী ১ঃ১) কালামেৰে তেওঁ প্ৰকাশ কৰা হাদিছ অনুসৰণ কৰা উচিত।

**দ্বিতীয় পদক্ষেপঃ** আল্লাহে তেওঁৰ কালাম ঈছামছীহৰ ৰূপত অৱতীৰ্ণ কৰাইছিল যিজনক ‘জীৱিত কালাম’ আৰু ‘পিতৃৰ একমাত্ৰ পুত্ৰ’ (ইব্ৰী ১ঃ১, ইউহোন্না ১ঃ১,১৪, ১ইউহোন্না ১ঃ১) বুলি কোৱা হয়।

**তৃতীয় পদক্ষেপঃ** আল্লাহে মানুহক তেওঁৰ পাকৰূহৰ দ্বাৰাই পৰিচালনা কৰে। কিতাবুল মোকাদ্দাছত লিখাৰ দৰে তেওঁ সেই আত্মাৰে পৃথিৱীৰ সকলো মানুহকে আল্লাহৰ কালাম মান্য কৰাত সহায় কৰে। তদুপৰি যিবিলাকে এই হাদিছ আৰু আল্লাহৰ আচৰিত অঙ্গীকাৰ সমূহক



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

# আল্লাই মোৰ পৰিচৰ্যা বৃদ্ধি কৰিছিল

লেমবাগা পেংগাজিয়ান, ইছলাম আল ফুৰকানত যোগদান কৰা এদল মুছলমান যুৱকৰ সন্মুখত জাকাৰ্টাত দাৰুচ্ছালাম মছজিদত ভাষণ দিয়াৰ কাৰণে ১৯৭৯ চনৰ ১৩ মে'ত মোক লিখিত ভাৱে আমন্ত্ৰণ জনোৱা হৈছিল। সভাৰ আলোচনাৰ বিষয়বস্তু আছিল "ঈছা-মছীহৰ ৰূহানী সত্বা"। মুখ্য তাৰ্কিকসকল আছিল ড° আবুনিয়া মিন ৰহমান আৰু ড° ছাত্ৰি আদি। সভাত উপস্থিত মানুহৰ সংখ্যা আছিল প্ৰায় এশজনমান; এই সকলো আছিল ইছলামৰ ছাত্ৰ আৰু শিক্ষক। উত্তৰ দিওঁতা অকলে মই আছিলো। শেষ সময়তো পৰিৱেশ ভাল আছিল। সভাখন বন্ধুত্ব পূৰ্ণ সভা আছিল আৰু কৰমৰ্দনৰ মাজেদিয়েই সভাখন শেষ হৈছিল।

১৯৭৯ চনৰ ২২ জুলাইত মোৰ আৰু মজলিছ- ই-উলেমাৰ (Moslem Theologian Council) কিছুমান নেতাৰ মাজত ভাষণ অব্যাহত আছিল। ইয়াৰ বিষয়বস্তু আছিল আল্লাহৰ সাৰ্বভৌমত্ব — একতে ত্ৰিত্ব'? তাত ১০ জন ব্যক্তি তাৰ্কিক আছিল, তেওঁলোকৰে মাজত আছিল প্ৰফেছৰ ড° এইচ এম. ৰাছিদী, ড°বুনিয়ামিন ৰহন, ড° তগৰ আলম আৰু ড° আচমুনি খান। সভাখনৰ পৰিচালক আছিল ড° মাৰ মনিছিয়া ৰহমান। সভাত প্ৰায় ১৫০ জনমান মানুহ উপস্থিত আছিল আৰু তাৰ ভিতৰত মুছলমান নেতা, মুছলমান শিক্ষক আৰু বুদ্ধিজীৱিয়ে প্ৰধান আছিল। ১৫ আগষ্টৰ পিছত দুমাহৰ ভিতৰতে মই জাকাৰ্টাৰ বাহিৰত পূৱ আৰু পশ্চিম জাভা পৰিদৰ্শন কৰিবলৈ গৈছিলো। ছেপ্তেম্বৰৰ ১ তাৰিখৰ পৰা মই মেনাডো,উজুং, পাণ্ডাং, তানাহ, তোৰাজা, পাল'পো, বালিকপাপান, বনজাৰমাছিন আৰু কাপাওচ পৰিদৰ্শন কৰি ঈছামছীহৰ কালাম প্ৰচাৰ কৰিছিলো।

## সামৰণি

প্ৰত্যেক মানুহৰ কাৰণে নাজাতেই হৈছে মূল লক্ষ্য। তেওঁৰ নিজৰ কাৰণে, তেওঁৰ পৰিয়ালৰ কাৰণে,তেওঁৰ সম্পত্তিৰ কাৰণে পৰিত্ৰাণ প্ৰয়োজন। এই সকলোবোৰৰ উদ্দেশ্য হ'ল জীৱনত সুখ বা শান্তি।



মোৰ সিদ্ধান্ত স্থিৰ কৰিবলৈ কোনো মানুহক সোধা নাছিলো। কোনো ধৰ্মপ্ৰচাৰক বা কোনো ঈমানদাৰ মুছলমান অথবা মোৰ কোনো অভিজাত বন্ধুকো সোধা নাছিলো। মই পোনে পোনে সৰ্বশক্তিমানজনাক তেওঁৰ ইচ্ছাৰে মোৰ কাৰণে শুদ্ধ সিদ্ধান্ত জনাবলৈ মোনাজাত কৰিছিলো যাতে তেওঁ মোক সত্যটো জানিবলৈ দি শুদ্ধ পথ মানি চলাত সহায় কৰে।

প্ৰত্যেক ঈমানদাৰ বান্দাই বিশ্বাস কৰে যে মওতৰ পিছত অন্য এক জীৱন আছে। মইও এই বিষয়টো জানিছিলো। মই বিশ্বাস কৰিছিলো যে মওতৰ পিছত আমাৰ আত্মা হয় জাহান্নামলৈ, য'ত অনন্ত জুইৰ মাজত অন্তহীন শাস্তি অথবা বেহেস্তলৈ, য'ত আল্লাহপাকৰ সৈতে চিৰশান্তিত থাকিবলৈ যাব। মই মোৰ ভৱিষ্যতৰ কথা পাতলকৈ ভাবিব পৰা নাছিলো।

উদাহৰণ স্বৰূপে ধৰি লোৱা হ'ল, আমি ১০ গ্ৰাম শুদ্ধ সোণ কিনিম। এই সোণ কিনাৰ আগেয়ে আমি অনেকবাৰ পৰীক্ষা-নিৰীক্ষা কৰি লওঁ যাতে সোণ কিনোতে ঠগ খাই আক্ষেপ কৰিব লগীয়া নহয়। একেদৰেই, আমি আমাৰ আত্মাৰ ভৱিষ্যতৰ বাবেও কিমান অধিক সাৱধান আৰু যত্নপৰ হব লাগিব! আল্লাহ পাকৰ (যি জনাই হৈছে স্বৰ্গীয় জীৱনৰ মালিক) ইচ্ছাৰ নিৰ্দেশতে আমি আমাৰ মোনাজাতৰ সত্যতা অধ্যয়ন আৰু পৰীক্ষা কৰো; অন্যথা আমাৰ অদূৰদৰ্শিতাৰ কাৰণে চিৰদিন অনুতাপ কৰিব লাগিব। এইটো কাৰণতে মই কোনো মানুহৰ বা কোনো মছীহী ঈমাম নাইবা কোনো মুছলমান ধৰ্মপ্ৰচাৰকৰ ওচৰত পৰামৰ্শ বিচৰা নাছিলো। কিয়নো সকলো মানুহেই একে, গতিকে খোদাৰ দৰে শুদ্ধ-সিদ্ধ কোনো নহয়। সেইবাবেই সকলো ক্ষমতাৰ অধিকাৰী আৰু সত্যৰ গৰাকী খোদাপাকৰ ওচৰ চাপি আশা আৰু আনুগত্যৰ সকলো সঠিক পথৰ নিৰ্দেশ তেওঁৰ পৰাই বিচাৰিলো।

খোদাপাকৰ প্ৰশংসা কৰো যে তেওঁ মোৰ সকলো প্ৰশ্নৰ উত্তৰ দিলে। এইটোৱেই প্ৰমাণ কৰে যে যি কোনোৱে আন্তৰিকতাৰে সত্যতাৰ হকীকত জানিব বিচাৰে, খোদাই তেওঁবিলাকে খোজাৰ দৰেই দিয়ে। মনত ৰাখিবলগীয়া কথা হ'ল — ছুৰা-আল-মায়দাৰ ৬৮ নম্বৰ আয়তৰ উপৰিও কোৰাণত বহুতো আয়াত আছে, যিবোৰে সেই সময়ত মোক আকৰ্ষণ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

কৰিছিল। উদাহৰণ স্বৰূপে ছুৰা -আল-ছাজদা ২৩ নম্বৰ আয়াতত আছে —*“ইয়াৰ পুৰ্বে আমি মুছাক পুথি দান কৰিছিলো। তেওঁ পুথি লাভ কৰা সম্পৰ্কে তোমাৰ মনত সন্দেহ জগা উচিত নহয়। সেই পুথিখনক আমি ইজৰাইল বিলাকৰ বাবে পথ নিৰ্দেশ কৰি দিছিলো।”* ছুৰা-আল-মায়দা ৪৬ আয়াত— *“এইসকল ৰ ছুলৰ পিছত আমি মৰিয়ম পুত্ৰ ঈছাক তেওঁৰ আগেয়ে অৱতীৰ্ণ কৰা তৌৰাতৰ অৱশিষ্ট থকা সত্যতা প্ৰমাণকাৰী হিচাবে পঠাইছিলো। তেওঁক ইঞ্জিল দান কৰিছিলো যত সৎ পথৰ নিৰ্দেশ আৰু জ্যোতি আছিল আৰু যিখনে পূৰ্বে পঠোৱা তৌৰাতৰ সত্যতাৰ প্ৰমাণ দিয়ে আৰু খোদাভীৰু মানুহক সৎ পথৰ নিৰ্দেশনা কৰে আৰু সদুপদেশ দিয়ে।”* ছুৰা-আল-মায়দা ৪৭ আয়াত— *“ ইঞ্জিলৰ অনুগামীসকলে আল্লাহে অৱতীৰ্ণ কৰা বিধান অনুযায়ী বিচাৰ কৰা উচিত। যিবিলাকে আল্লাহে অৱতীৰ্ণ কৰা বিধান অনুযায়ী বিচাৰ নকৰে সিহঁত মহাপাপাচাৰী।”* ছুৰা-আল-বাকাৰা ৬২ আয়াত—*“নিশ্চিতভাবে জানি লোৱা যে (আৰবী নবীৰ প্ৰতি) যিসকলে বিশ্বাস স্থাপন কৰিছে আৰু যিসকল ইহুদী,মছীহী আৰু চাবেইনে আল্লাহ আৰু পৰকালৰ বিশ্বাস ৰাখে আৰু সৎ কাম কৰে তেওঁলোকৰ বাবে আল্লাহৰ ওচৰত পুৰস্কাৰ আছে। তেওঁলোকৰ ভয় আৰু চিন্তাৰ কোনো কাৰণ নাই।”*

ইয়াৰোপৰি কোৰাণ শ্বৰীফত এনে বহুতো আয়াত আছে, যিবোৰত আল্লাহ পাকৰ ইচ্ছামতেই তৌৰাত আৰু ইঞ্জিল শ্বৰীফক প্ৰকৃত সত্যৰ পথ বুলি ইংগিত দিছে। কোৰাণ শ্বৰীফৰ এই আয়াতবোৰে মোৰ মনত কিতাবুল মোকাদ্দাছৰ প্ৰতি গভীৰ চেতনা জগাই তুলিলে। কিয়নো আল্লাহে ইয়াৰ সত্যতাৰ বিষয়ে মোৰ আস্থাত কৈ আছিল।

পিছদিনাখন যেতিয়া মই তাহাজুদ নামাজ পঢ়ি আল্লাহ পাকৰ পৰিচালনা বিচাৰিছিলো, ঠিক অলপ সময়ৰ পিছত মই নিজেই এক গভীৰ পৰিবৰ্তন অনুভৱ কৰিছিলো। সেইদিনাৰ পৰা মই কিতাবুল মোকাদ্দাছক মোৰ দোস্ত হিচাপে কবুল কৰিলো আৰু দীৰ্ঘদিনীয়া সন্দেহী ভাৱ ত্যাগ কৰিলো। ৰাতিপুৱাতে এতিয়া মই বৰ আশাৰে কিতাবুল মোকাদ্দাছ উলিয়াই প্ৰত্যেকটো শব্দকেই গভীৰ মনোযোগেৰে অধ্যয়ন কৰি যাওঁ



এয়া নিশ্চিত হৈছিলো।

তাত সকলো কথা-বতৰাত মই মোৰ হৃদয় সতেজ হোৱা উপলব্ধি কৰিছিলো। ৰেভা. পৰমেজে তেওঁৰ লগতে মই যুটিয়াভাৱে আল্লাহৰ পৰিচৰ্যা কৰাৰ আশা কৰিছিল। তেওঁ তেতিয়া মোৰ ভাঙি যোৱা স্বাস্থ্যৰো যতন লৈছিল। শেষত ৰেভা. পৰমেজে তেখেতে চ'ল' ষ্ট্ৰিট ৪ত থকা বুমি অছিয়ৰ সঞ্চালক এম. কে. ছিনাগালৈ লিখা চিঠি এখন লৈ যাবলৈ কৈছিল। মই চিঠিখন লৈ ব্যক্তিগতভাৱেই হস্তান্তৰ কৰিছিলো। এম. কে. ছিনাগাৰ ঘৰৰ পৰা শুক্ৰবাৰে ৰাতি পুৱাতে মোক হোটেল ইণ্ডোনেছিয়ালৈ যাবলৈ অনুৰোধ কৰা হৈছিল। কাৰণ তেওঁ কৈছিল যে বহুতো ধৰ্ম প্ৰচাৰকে তাত মোৰ বিষয়ে জানিবলৈ ইচ্ছা কৰি আছিল।

১৯৭৮ চনৰ ২৪ ফেব্ৰুৱাৰী শুক্ৰবাৰৰ দিনা ৰাতিপুৱাই হোটেল ইণ্ডোনেছিয়াত জাকাৰ্টাৰ মছীহী ব্যৱসায়ীসকলৰ দ্বাৰা আয়োজিত মোনাজাত সভালৈ গ'লো। ইয়াক চি. বি. এম. চি. বুলি কোৱা হৈছে। এনে ধাৰণা হৈছিল যে ইয়াৰে কিছুমান মানুহে আৰম্ভণিৰে পৰাই মোৰ নামটো জানিছিল আৰু মোক ব্যক্তিগতভাৱে লগ পাবলৈ বিচাৰিছিল। সেই সময়ৰ পৰাই মই বহুতো ঘৰুৱা মোনাজাত সভালৈ নিমন্ত্ৰিত হৈছিলো যিটোৱে মোক গীৰ্জাৰ কৰ্মসহযোগী হোৱাত সহায় কৰিছিল। জাকাৰ্টা আৰু বেন্দাঙৰ বহুতো গীৰ্জাঘৰত মই মোৰ সাক্ষ্য দাঙি ধৰিবলৈ সুযোগ পাইছিলো। আনকি এতিয়ালৈকে মই জাকাৰ্টাৰ বাহিৰতো আল্লাহৰ পৰিচৰ্যা কৰিব পাইছো; সিবিলাকৰ ভিতৰত বিশেষকৈ দক্ষিণে কালিমানটান, বনঝাৰমাছিন, আমন্টাই, পূব জাভা, চুঁৰাবায়া আৰু মালাং বেদাং আৰু অন্যান্য ঠাইবোৰতো পৰিচৰ্য্যা কৰাৰ সুযোগ পাইছো।

এইটোৱেই আছিল মোৰ নতুন কৰ্মক্ষেত্ৰ। মই বিশ্বাসেৰে মোৰ কৰ্ম চলাই যাম আৰু সকলো ধৰণৰ সভা বা অনুষ্ঠানত মছীহক প্ৰচাৰ কৰিবলৈ মই দৃঢ়। যদিও মই ঘৰৰ বাহিৰত কৰ্মকৰাৰ বাবে কৰ্মক্ষেত্ৰ পালো, পত্ৰাদিৰ যোগাযোগ কেতিয়াও বন্ধ নকৰিলো। অন্যান্য মাধ্যমসমূহো ব্যৱহাৰ কৰিছিলো। আল্লাহৰ প্ৰশংসা কৰো যে মোলৈ অহা চিঠিবোৰ মোলৈ আশীৰ্বাদস্বৰূপ আছিল আৰু আনন্দেৰে মই প্ৰশ্নৰ উত্তৰ দিব পাৰিছিলো।



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

তাত এজন বন্ধুৱে মোক চিনি পাই তৎক্ষণাত আহি মোক সম্বোধন কৰিছিল— ‘মাননীয় আম্ব্রি মহোদয়, আল্লাহৰ এনে পৰিচালনাৰ বাবে তেওঁৰ প্ৰশংসা কৰো। আপোনাক এজন মানুহে লগ পাব বিচাৰে।’ অতি সোনকালে আমি সুন্দৰকৈ কথাবাৰ্তা পাতিব পাৰিছিলো। পিছত মই ৰেভাৰেণ্ড এম. কে. জাকাৰ তামাদজাক লগ পাইছিলো; তেৱোঁ মোৰ বিষয়ে শুনিছিল আৰু মোক লগ পাব বিচাৰিছিল। এই কথোপকথনৰ যোগেৰে মই আশীৰ্বাদ পাইছিলো। তেওঁলোকে মোৰ কিছুমান কিতাপ কিনিব খুজিছিল।

মই আচৰিতভাবে সিদ্ধান্ত ল’লো যে এইটোও মোৰ বাবে নতুন কাৰ্যক্ষেত্ৰ হব নোৱাৰে। মই ঘৰলৈ যাব বিচাৰিছিলো, কিন্তু মোৰ আত্মাই আৰু উত্তৰলৈ যাবলৈ মোক উদগালে। মই খোজ কাঢ়ি কাঢ়িয়েই ক্ৰমাত ভিৰৰ সন্মুখত (এটি কাৰ্য্যালয়ত) গৈ থিয় দিছিলো। মোৰ আত্মাই মোক ভিতৰলৈ গৈ ৰেভাৰেণ্ড ড° আইচ এম. অ. পৰমেজক লগ ধৰিবলৈ জোৰ দি থাকিল। মই আচৰিতই হৈছিলো যে কোনোদিনে ভাল সম্পৰ্ক নথকা মানুহজনৰ লগত কেনেকৈ কথা পাতিম; কাৰণ মই তেওঁৰ সংগঠনৰ কোনো সহযোগীও নহওঁ। আমি তিনিবছৰৰ আগতেই এবাৰ ইজনে সিজনক লগ পাইছিলো। কিন্তু আত্মাই মোক যিদৰে পৰিচালনা কৰিছিল সেইদৰেই মইও ক্ৰমাত ভিতৰলৈ আগবাঢ়ি গ’লো। তাত প্ৰৱেশ কৰাৰ আগতে মোৰ ধাৰণা হ’ল, এই ঘৰটো আল্লাহৰ পৰিচৰ্যাকাৰীৰে ভৰি আছিল; কিন্তু এতিয়া বহুত শান্ত। সম্ভৱত ঃ ৰেভ. পৰমেজ ভিতৰলৈ গৈছিল কিন্তু মোক দেখিয়েই মোৰ ওচৰলৈ আহি অভিনন্দন জনাই কৈছিল, ‘হেৰি আম্ব্রি মহাশয়, মই যোৱাকালিৰ পৰাই আপোনাক লগ পাবলৈ আগ্ৰহ কৰি আছিলো। কাৰণ আপোনাৰ লগত কিছুমান কথা পাতিবলগীয়া আছিল। মই আপোনাক আশা কৰি আছিলো যথাসম্ভৱ আমি একেলগেই আল্লাহৰ পৰিচৰ্য্যা কৰিব পাৰো।’ মই বিস্ময় মানিছিলো যে কেনেকৈ ৰেভা. পৰমেজে মোক মনত ৰাখিব পাৰে? কাৰণ আমি পৰস্পৰে পৰস্পৰক ভালদৰে নাজানিছিলো। আগদিনাখন কৰা মোনাজাতৰ কথা মোৰ মনলৈ আহিছিল। নিশ্চিতভাবে পাকৰূহেই মোক ইয়ালৈ চলাই আনিছে য’ত মোৰ বাবে এখন নতুন কাৰ্যক্ষেত্ৰ আছে



যাতে মই বিচৰা সত্য অৰ্থাৎ হকীকত জানিব পাৰো।

“**আল্লাহৰ নামত - যিজন দয়ালু আৰু সহানুভূতিশীল**”, মই কিতাবুল মোকাদ্দাছ মেলি লৈছিলো। সেই সময়তে মই দ্বিতীয় বিৱৰণ ১৮:১৮ নম্বৰ আয়াতটো পঢ়িবলৈ আগ্ৰহ কৰিলো। কিয়নো এই আয়াত আগতে মই মছীহীসকলৰ ঈমানক ভাঙি দিবলৈ এক প্ৰকাৰ হাতুৰী হিচাপে ব্যৱহাৰ কৰিছিলো। আনকি মোৰ এই আক্ৰমণৰ পৰা কোনো মছীহী প্ৰচাৰক নাইবা কোনো মিছনাৰী হাত সাৰি যাব নোৱাৰিছিল। মোৰ এই আক্ৰমণৰ উদ্দেশ্য আছিল যে তেওঁলোকে যেন বুজিব পাৰে যে হজৰত মহম্মদৰ বিষয়েহে কিতাবুল মোকাদ্দাছৰ এই অধ্যায়ত ভৱিষ্যৎবাণী কৰিছে। মই আগতেও এই অধ্যায় (দ্বিঃ বিঃ ১৮ঃ১৮) অধ্যয়ন কৰিছো যদিও এতিয়া মোৰ বাবে ইয়াৰ অৰ্থ সম্পূৰ্ণ বেলেগ। প্ৰকৃতাৰ্থত যিসকলে বিশ্বাস নকৰে তেওঁলোকে কিতাবুল মোকাদ্দাছৰ কথা বুজি পোৱা সহজ নহয়; আনহাতে যিসকলে বিশ্বাস কৰে, পাকৰূহৰ সহায়ত ইয়াক পৰিস্কাৰকৈ বুজিব পাৰে।

দ্বিতীয় বিৱৰণ ১৮ঃ১৮ আয়াতত পঢ়িবলৈ পাওঁঃ *“মই তেওঁবিলাকৰ নিমিত্তে তেওঁবিলাকৰ ভাইবিলাকৰ মাজৰ পৰা, তোমাৰ নিচিনা এজন নবী উৎপন্ন কৰিম আৰু তেওঁৰ মুখত মোৰ কালাম দিম; তাতে মই তেওঁক যি যি আজ্ঞা কৰিম, তেওঁ তাকেই তেওঁবিলাকক কব।”*

প্ৰথমতে মই ভাবিছিলো যে এই আয়াতটোত হজৰত মহম্মদৰ বিষয়ে ভৱিষ্যৎবাণী কৰিছে। “তোমাৰ (মুছা) নিচিনা এজন নবী” এই শব্দৰ দ্বাৰাই মই বুজিছিলো যে হজৰত মহম্মদকেই উল্লেখিত নবী পঠোৱাৰ প্ৰতিশ্ৰুতি দিছে। কাৰণ—

ক) মুছাৰ জন্ম হৈছে পিতৃ-মাতৃৰ জৰিয়তে; একেদৰে হজৰত মহম্মদৰো জন্ম হৈছে পিতৃ-মাতৃৰ জৰিয়তে। কিন্তু ইছা-মছীহৰ জন্ম তেওঁৰ দৰে হোৱা নাছিল, যিয়ে কেৱল মাতৃৰ জৰিয়তেহে পিতৃ নোহোৱাকৈ জন্ম লৈছিল। খ) মুছা যেতিয়া প্ৰাপ্তবয়স্ক হৈছিল তেতিয়া তেওঁ বিয়া কৰিছিল। একেদৰে হজৰত মহম্মদেও বিয়া কৰাইছিল। কিন্তু ইয়াৰ বিপৰীতে ইছা-মছীহে বিয়া কৰোৱা নাছিল। গ) মুছাৰ কেইবাজনো পুতেক আছিল। হজৰত মহম্মদৰো সন্তান আছিল। ইয়াৰ বিপৰীতে ইছামছীহৰ আকৌ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

বংশধৰেই নাছিল যিহেতু তেওঁ বিয়াই কৰোৱা নাছিল। ঘ) অতি বৃদ্ধ অৱস্থাত মুছাৰ মৃত্যু হৈছিল আৰু তেওঁক কবৰ দিয়া হৈছিল। একে ঘটনা হজৰত মহম্মদলৈও ঘটিছিল। কিন্তু ইছামছীহে মৃত্যুক জয় কৰি কবৰৰ পৰা উঠি জীৱিত অৱস্থাত বেহেস্তত প্ৰৱেশ কৰিছিল।

প্ৰথমতে, এইটোকে মই পতিয়ন নিয়াইছিলো যে দ্বিতীয় বিৱৰণ ১৮:১৮ আয়াতত উল্লেখ কৰা নবীজনেই হ'ল হজৰত মহম্মদ। তাত ইছামছীহৰ বিষয়ে উল্লেখ কৰিছে বুলি মই ভৱা নাছিলো আৰু মছীহিয়াত ঈমান অনুসাৰে মই ইছামছীহক খোদাপাকৰ পুত্ৰ বুলি বিশ্বাস কৰা নাছিলো। কিন্তু সেইদিনাই মই এই শব্দবোৰ লাহে লাহে আৰু গুৰুত্ব সহকাৰে অধ্যয়ন কৰি ইয়াৰ অৰ্থ বুজিবলৈ সক্ষম হৈছিলো। 'যেতিয়া মই' তোমাৰ নিচিনা (মুছাৰ) এজন নবী' এই শব্দবোৰ ব্যাখ্যা কৰিছিলো, তেতিয়া মোৰ অন্তৰত পাকৰূহে কোৱা শুনিছিলো যে **হজৰত মহম্মদ আৰু মুছাৰ জন্ম প্ৰক্ৰিয়া আন সাধাৰণ মানুহৰ লগত একে। কাৰণ সকলো মানুহ পিতৃ-মাতৃৰ পৰাই জন্ম হয়। গতিকে এইধৰণৰ লক্ষণবোৰে কিতাবুল মোকাদ্দাছৰ ভৱিষ্যৎ বাণীটোৰ সত্যতাৰ ইংগিত নিদিয়ে।**

মুছাৰ নিচিনা হজৰত মহম্মদেও বিয়া কৰাইছিল; গতিকে উভয়েই পৃথিৱীৰ আন মানুহৰ নিচিনা। সেইফালৰ পৰা চালে হজৰত মহম্মদকো মুছা নবীৰ দৰে ক'ব পৰা যায়। হজৰত মহম্মদক যদি মুছাৰ নিচিনা বুলি কোৱা হয়, কাৰণ উভয়ৰে বংশধৰ আছে; তেতিয়াহলে এইটো যুক্তি নবী হোৱাৰ সপক্ষ বুলি কব নোৱাৰি। কাৰণ এই পৃথিৱীৰ সকলো মানুহৰ মুছাৰ দৰে বংশধৰ আছে। মহম্মদওে মুছাৰ নিচিনা বৃদ্ধ বয়সত মৃত্যু বৰণ কৰাত তেওঁক কবৰ দিয়া হৈছিল। ভাৱবাণীয়ে ইংগিত দিয়াৰ যুক্তিযুক্ত অৰ্থ ইয়াতো বিচাৰি পোৱা নাযায়। কাৰণ পৃথিৱীৰ সকলো মানুহ মৰে আৰু পিছত কবৰ দিয়া হয়। এই সামঞ্জস্য থকা বৈশিষ্ট সমূহে কোনোবা এজনৰ বিশেষ মৌলিকত্ব থকা নুবুজায়।

এইবোৰ আলোচনাই মোক স্পষ্টকৈ জানিবলৈ দিলে যে মুছানবীয়ে কৰা ভাৱবাণীয়ে একমাত্ৰ ইছামছীহকহে ইংগিত কৰিছে। এইবাৰ মই মুছা আৰু ইছা-মছীহৰ মাজত বিশেষ সাদৃশ্য বিচাৰি উলিয়াব পাৰিলো। এই



আৰু ভুল ব্যাখ্যা প্ৰচলিত আছে; সেইবোৰৰ সত্যতা দেখুওৱাৰ পাছত অতি সোনকালেই ভুল ধাৰণাৰ অন্ত পৰিব।

## বাহিৰত পৰিচৰ্যা আৰম্ভ

১৯৭৩ চনৰ পৰা ১৯৭৮ চনলৈ, মছীহিয়াতৰ বিষয়ে কৰা প্ৰশ্নৰ উত্তৰৰ যোগেৰে মই টেবুলতে বহি মোৰ সাক্ষ্য দি আছিলো। সেই চিঠিবোৰৰ উত্তৰ সমূহ মই '**সত্যৰ সাক্ষ্য**' ৰূপে প্ৰকাশ কৰি উলিয়াইছিলো। কিন্তু ১৯৭৮ চনত মই মোনাজাত কৰিছিলো , "হে আল্লাহ, এনে ধৰণে প্ৰচাৰকাৰ্য চলাবলৈ মোক নতুন ঠাই আৰু উপায় দিয়া; কিয়নো ইতিমধ্যে ডাকসেৱাৰে কৰা প্ৰচাৰ কাৰ্য এতিয়া আৰু প্ৰায় নোহোৱা হ'ল"। এইধৰণে মোনাজাত কৰাৰ অন্তত মই পোনে পোনে ইয়াৰ উত্তৰ পাইছিলো পিছদিনা ঘৰৰ পৰা মই যিখন ঠাইলৈ যোৱাৰ কথা আছে সেই ঠাইৰ পৰা হয়তো মই আন এখন নতুন কৰ্মক্ষেত্ৰ পাব পাৰো এনে বিশ্বাস হৈছিল।

পিছদিনা অতি পুৱাতে মই উঠি ঘৰৰপৰা ওলাই গৈছিলো, কিন্তু কোনফালে যাম নিজেই জনা নাছিলো। যেতিয়া আহি আহি মই মূল পথ পালো; তেতিয়া আল্লাই মোক পথ দেখুৱাব লাগে বুলি মোনাজাতকৰিলো। মোৰ আত্মাই মোক উত্তৰলৈ যাবলৈ উদগনি দিলে। যিহেতু মই ৰাস্তা ভালদৰে চিনি পোনা নাছিলো, সেয়ে খোজ কাঢ়িয়েই গৈছিলো। মই কোনো যান-বাহনো লোৱা নাছিলো। যেতিয়া মই '**ইণ্ডোনেছিয়াৰ বাইবেল ছ'চাইটি'ৰ** অফিচৰ সন্মুখ পালো, তেতিয়া আল্লাহে তাত মোক প্ৰৱেশ কৰিবলৈ ক'লে। তাত মোৰ কোনো চিনা-জনা নাছিল বাবে মই ইতস্তঃ কৰিছিলো। তাত ৰেভাৰেণ্ড, বি. প্ৰব'ইন'ট' বুলি এজন আছিল কিন্তু তেওঁ আকৌ চালটিগালৈ প্ৰত্যাৱৰ্তিত হৈছিল। এতিয়া যদি মই কাৰ্য্যালয়টোত সোমাওঁ, তেন্তে মই কাৰ লগত কথা পাতিম আৰু ময়ে বা কি কোৱা উচি ত হব ! কিন্তু মোৰ আত্মাই কাৰ্য্যালয়ত সোমাবলৈ হেঁচি ধৰাত মই তাত প্ৰৱেশ কৰিছিলো।



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

মুছাৰ প্ৰজাছিঅ'ৰ লগত যোগাযোগ।

৪) জাকাৰ্টাৰ **Dar-ul-Kutibil Islamiyah** প্ৰতিষ্ঠাপক ইয়াহনো হাদিৰ লগত যোগাযোগ।

৫) কাইৰো'ৰ মুছলমান ছাত্ৰ আলি ইয়াকুব মাতদাঙৰ লগত যোগাযোগ।

৬) ইণ্ডোনেছিয়াৰ দান পছাৰ বালিত থকা- আহম্মদীয়া জামাতৰ বক্তা এ. হাছান তাত'ৰ লগত।

৭) ছুৰাবায়াৰ এদল মুছলমান ছাত্ৰ ইজিফ ফাহমিৰ লগত।

৮) বেণ্ডাঙৰ কেন্দ্ৰীয় মছজিদৰ ঈমাম এম. এ. ফেদলীৰ লগত। ইয়াৰ বাহিৰেও বহুতৰ লগত মুখামুখি আৰু পত্ৰৰ যোগাযোগ কৰা হৈছিল।

১৯৭৯ চনলৈ ইণ্ডোনেছিয়াৰ সকলো অংশৰ মুছলমান ভাই সকলৰ পৰা পোৱা প্ৰায় এহেজাৰখন চিঠিৰ উত্তৰ মই লিখিছিলো। মোলৈ অহা চিঠিবোৰে মোক প্ৰতিদিনেই উৎসাহিত কৰিছিল। তেওঁলোকে চিঠিত লিখিছিল যে তেওঁলোকে সত্যক জানিবলৈ বাট চাই আছে; আৰু যেতিয়া মই তেওঁলোকলৈ উত্তৰ বাখ্যা কৰি পঠিয়াইছিলো তেতিয়া তেওঁলোক সন্তুষ্ট হৈছিল। আল্লাহৰ প্ৰশংসা কৰো যে তেওঁলোকৰে কিছুমানে মোক ব্যক্তিগত ভাবেও লগ পাবলৈ আহিছিল।

মই দেখিছিলো, সিহঁতে মোৰ ধৰ্ম সলনি কৰা সত্য অনুসন্ধানৰ ক্ষেত্ৰত কিমান মনোযোগ দিয়ে। মই আনকি মোৰ সাক্ষাৎ হবলৈ অহা লোকসকলৰ লগত মছীহী বিশ্বাসৰ, সত্যতা সম্পৰ্কত আলোচনা কৰিবৰ বাবে বিশেষ সময় উলিয়াই প্ৰতি মঙলবাৰ, শুক্ৰবাৰ আৰু শনিবাৰে ৰাতি পুৱাৰ পৰা সন্ধিয়ালৈ আলোচনা কৰিছিলো।

এই সকলোবোৰৰ কাৰণে আল্লাহৰ প্ৰশংসা কৰো। মুছলমান ভাইসকলক মছীহৰ ৰূহানী সত্ত্বা আৰু কিতাবুল মোকাদ্দাছৰ সত্যতাৰ বিষয়ে বুজাবলৈ, আনকি তেওঁলোকে ঈছা-মছীহক ভালদৰে যাতে বুজি পাব পাৰে তাৰ কাৰণে খোদায় মোক ব্যৱহাৰ কৰিছিল। এই প্ৰশ্নৰ উত্তৰ দিয়া আৰু নাকচ কৰাবোৰৰ মাজত মই অনুভৱ কৰিছিলো কিতাবুল মোকাদ্দাছ আৰু ঈছা-মছীহৰ ৰূহানী সত্ত্বাৰ বিষয়ে যি ভুল বুজাবুজি



সাদৃশ্যবোৰ আন মানুহৰ মাজত সহজতে বিচাৰি পোৱা নাযায়।

ক) শিশুকালত মুছাক ফাৰাওৱে হত্যা কৰাৰ ভাবুকি দিছিল। সেইদৰে ইছা নবীকো হেৰোদ ৰজাই মাৰিবলৈ নিৰ্দেশ দিছিল। কিন্তু এনে মানুহ কোনো নাই যাৰ প্ৰতি শিশু কালতে এনেদৰে হত্যাৰ ভাবুকি আহিছিল।

খ) মুছাৰ জন্মৰ সময়ত ফাৰাও বৰ উন্মত্ত হৈ উঠিছিল আৰু দুবছৰৰ তলত সকলো শিশুকে মাৰি পেলাবলৈ নিৰ্দেশ দিছিল। একেদৰে ইছাৰ জন্ম হোৱা শুনিয়েই ৰজা হেৰোদেও তেওঁক মাৰিবলৈ একেধৰণৰ নিৰ্দেশ জাৰি কৰিছিল। গোটেই পৃথিৱীৰ মাজত শিশুকালত এই দুজন ব্যক্তিয়েই ঘৃণা আৰু নিৰ্যাতনৰ বলি হৈছিল।

গ) শিশুকালত মুছাৰ জীৱন ৰক্ষা কৰিছিল ফাৰাওৰ জীয়েকে। একেদৰে শিশু ঈছামছীহকো সুৰক্ষা দিছিল পালক দেউতাক ইউছুফে। সাধাৰণতে শিশুকালত সৰ্বসাধাৰণ মানুহৰ জীৱনত এনে ঘটনা ঘটা দেখা নাযায়।

ঘ) শিশুকালত মুছাই জন্মভুমি এৰি ইজিপ্তত বাস কৰিছিল। একেদৰে শৈশৱকালত ঈছামছীহেও ইজিপ্তলৈ পলাবলগীয়া হৈছিল। অন্য কোনো শিশুৱে ল'ৰালি কালত নিজ ঠাই এৰি পলায়ন কৰিবলগীয়া হোৱা নাই।

ঙ) যেতিয়া মুছা আল্লাহৰ কুদৰতৰ বাহক ৰূপে কাম কৰিছিল তেতিয়া তেওঁ খোদাৰ অলৌকিকতা দেখুওৱাৰ ক্ষমতা লাভ কৰিছিল। একেদৰেই ঈছামছীহেও পৃথিৱীত থকা কালছোৱাত আল্লাহৰ পৰা অলৌকিকতা দেখুওৱাৰ ক্ষমতা প্ৰাপ্ত হৈছিল। উদাহৰণ স্বৰূপে বেমাৰীক সুস্থ কৰা, কবৰৰ পৰা মৃতকক জীয়াই তোলা ইত্যাদি ।

চ) মুছাই ইস্ৰায়েলৰ জনসাধাৰণক ইজিপ্তৰ দাসত্বৰ বন্ধনৰ পৰা মুক্ত কৰিছিল। একেদৰে ঈছামছীহে তেওঁৰ বান্দাবোৰক গুনাহ আৰু মৃত্যুৰ বান্ধোনৰ পৰা মুক্ত কৰিছিল।

এই বিশেষ সাদৃশ্যবোৰে মোক এইটো সিদ্ধান্তত উপনীত কৰায় যে কিতাবুল মোকাদ্দাছৰ দ্বিতীয় বিৱৰণৰ ১৮ অধ্যায়ৰ মৌলিক আয়াতবোৰে হজৰত মহম্মদক আল্লাহৰ ৰছুল হোৱাৰ ইংগিত নিদিয়ে; কিন্তু ঈছামছীহকহে



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

মানুহৰ ৰূপত আল্লাহৰ ৰূহানী পুত্ৰ হোৱাৰ ইংগিত দিয়ে।

যদিও মোৰ প্ৰতি আল্লাহৰ প্ৰেম অতি মহান যি প্ৰেমেৰে তেওঁ মোক কিতাবুল মোকাদ্দাছৰ আয়াতসমূহক পৰিস্কাৰকৈ বুজি পাবলৈ ৰহমত কৰিলে; তথাপিও মই মছীহীবিশ্বাসী হোৱাৰ বাবে প্ৰস্তুত হোৱা নাছিলো। কাৰণ কি জানেনে? কাৰণ মছীহিয়াতৰ কিছুমান ঈমান কবুল কৰিব পৰা নাছিলো আৰু ঈছামছীহকো আল্লাহৰ সন্তানৰূপে মই মোৰ ক্ষেত্ৰত গ্ৰহণ কৰিব পৰা নাছিলো। সৰুৰে পৰা মই যেনেদৰে শিকিছিলো আনকো তেনেদৰে শিকাইছিলো; যে, **"আল্লাহে কোনো সন্তানক জন্ম দিয়া নাই নতুবা তেওঁও কাৰো পৰা জন্ম লোৱা নাই।"** আকৌ ঈছা নবীক মাবুদ বুলি বিশ্বাস কৰিবলৈ মই স্পষ্ট হব পৰা নাছিলো। কাৰণ মই শিকিছিলো আৰু শিকাইছিলো যে— *"আল্লাহৰ বাহিৰে আন কোনো মাবুদ নাই।"* ইয়াৰোপৰি মই ত্ৰিত্ত্ববাদৰ অৰ্থ মানি লব পৰা নাছিলো। কাৰণ মই শিকিছিলো যে *"আল্লাহেই হৈছে তিনিজনৰ তৃতীয়জন এইবুলি কোৱা বিলাক হৈছে অধাৰ্মিক।"* আকৌ মছীহী সকলে ইছামছীহৰ ক্ৰুচত মওত হোৱা বুলি কৰা ঈমানকো মই কবুল কৰিব নোৱাৰো। কাৰণ— ঈছামছীহ এজন ৰূহানী ব্যক্তি, আল্লাহৰ অতি মৰমৰ আৰু তেওঁৰ বাৰ্তাবাহক; তেনেহলে ইহুদী বিলাকে সেইজন ঈমানদাৰ নেকবান্দাক কেনেকৈ মওত হোৱাকৈ ক্ৰুচত আঁৰি উৎপীড়ন কৰিলে? আল্লাই তেওঁক কিয় ৰক্ষা নকৰিলে? উদাহৰণ স্বৰূপে ধৰা হ'ল মোৰ ল'ৰাকো এই একেধৰণে ক্ৰুছত আঁৰি উৎপীড়ন কৰি থকা হৈছে। যিবিলাকে মোৰ ল'ৰাৰ ওপৰত এইধৰণৰ উৎপীড়ন কৰিছে সেইবিলাকৰ হাতৰ পৰা ল'ৰাটিক ৰক্ষা কৰিবলৈ মই সিহঁতৰ লগত যুদ্ধ কৰিম। লাগিলে পৰিণাম যিয়েই নহওক। তেনেহলে আল্লাই ইহুদী বিলাকৰ লগত যুদ্ধ কৰি ঈছামছীহক কিয় ৰক্ষা নকৰিলে? এইবোৰ কথা মই প্ৰথমাৱস্থাত মানি লব পৰা নাছিলো।

এইধৰণৰ কথাবোৰ বুজি পাবলৈ আৰু এইক্ষেত্ৰত মোৰ সহায়ক হব পৰা বাখ্যা বিচাৰি কিছুমান ধৰ্মপ্ৰচাৰক আৰু মছীহী পুৰোহিতৰ ওচৰলৈ গৈছিলো। মই তেওঁলোকক সুধিছিলো যে ঈছা মছীহক কিয় আল্লাহৰ সন্তান বুলি কোৱা হয়? আল্লাহৰ ত্ৰিত্ত্বভাৱৰ অৰ্থ কি? মই অনুসন্ধান কৰি



লিখা আৰু কোৰাণৰ আয়াতৰ ভয় দেখুৱাই লিখা বহুতো চিঠি মোলৈ আহিছিল। কি ঘটনাই মোক মছীহী ধৰ্মলৈ ঢাল খুৱালে তাকে সুধিও অনেকৰ পৰা মোলৈ চিঠি আহিছিল।

এই বিলাক কাৰণতে মই শুই থকাৰ পৰা উঠি মোৰ স্পষ্ট সাক্ষ্য দিয়াৰ বাবে থিয় দিলো। প্ৰথমতে মই নিজ হাতেৰে প্ৰতিখন চিঠিৰ উত্তৰ দিছিলো। এই চিঠি সমূহক লিথু কৰি **'ঈমানৰ টোকা'** উলিয়াইছিলো। এইটোকে মই আৰু উন্নত আকাৰত **'ঈছামছীহ আৰু পাকৰূহ'** নামেৰে এখন ৰচনা হাতেৰে লিখি প্ৰকাশ কৰিলো। দ্বিতীয় বাৰত **'মছীহিয়াতৰ বিষয়ে অধ্যয়ন আৰু আল্লাহৰ তৌহিদবাদ'** কিতাপখন ১৯৭৩ চনত সম্পূৰ্ণ কৰি প্ৰকাশ কৰিলো। ইয়াৰ ফলত মই অনেক প্ৰশ্ন, পত্ৰ, সাহানুভূতিৰে লিখা পত্ৰ আৰু আনকি সত্যৰ অনুসন্ধান কৰা কিছুমান পত্ৰও পাইছিলো।

ইয়াৰোপৰি জাভাৰ পৰা প্ৰকাশিত কিছুমান ইছলামীয় আলোচনীত মোৰ বিশ্বাসক আক্ৰমণ কৰিছিল। এইবোৰ বিষয়ৰ বাবেও মোলৈ বহুত চিঠি আহিছিল। ইণ্ডোনেছিয়াৰ সকলো অংশৰ পৰা, বনঝাৰমাছিন, পশ্চিম জাভাৰ মুছলমান অঞ্চলসমূহ, মুখ্য জাভা আৰু পূৱ জাভা এনেকি সুমাত্ৰাৰ পৰা আৰু বিদেশৰ ইজিপ্ত আৰু মালয়েছিয়াৰ পৰা অহা চিঠিও মই গ্ৰহণ কৰিছিলো।

মই থিয় দি মোৰ প্ৰকৃত সাক্ষ্য দাঙি ধৰাত আল্লাহে মোক পৰিচালনা কৰিছিল।

এই বিষয়ৰ ওপৰত মোলৈ ছমাহৰো অধিক কাললৈ চিঠি আহি আছিল, যিবোৰত মছীহিয়াতৰ বিষয়েই অধিককৈ আলোচনা কৰা হৈছিল। কিছুমান প্ৰশ্ন আৰু উত্তৰক একেলগে কিতাপ আকাৰে সাক্ষ্য প্ৰকাশ কৰিছিলো ঃ

১) মেদানৰ এগৰাকী মুছলমান সাংবাদিক (জাকাৰ্টাৰ কিবলাট আলোচনীৰ সহ সম্পাদক) এইচ.এম. ইউচুফ ছয়ুবৰ লগত যোগাযোগ।

২) ছালাটিগাৰ মুছলমান জনাব মৌ ঃ ছামুদীৰ লগত যোগাযোগ।

৩) জাৰ্কাতাৰ **'STUDY ISLAM Magazine'**ৰ সম্পাদক ইমাম



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

বা এজন মুক্তিযোদ্ধা হিচাপে বৰ্ণনা কৰিছে।

মোৰ দায়িত্বশীলতাৰ শলাগ লোৱাৰ বাবে মোৰ বন্ধুসকললৈ মই কৃতজ্ঞ; তথাপিও মই মোৰ কাৰ্যৰ বাবে নিজকে এজন উল্লেখযোগ্য মুছলমান মুক্তিযোদ্ধা বুলি ভবা নাছিলো আৰু ঘোষণাও কৰা নাছিলো। যদি মই মোৰ অতীতত মোৰ বন্ধুবৰ্গই লিখাৰ দৰে যুদ্ধত অংশগ্ৰহণ কৰিছিলো তেনেহলে সেয়া মাতৃৰ প্ৰতি পুত্ৰৰ কৰ্তব্যৰ বাহিৰে বৰ বেছি একো নহয়। ইয়াৰ বাবে মই স্বাধীনতাৰ বাটকটীয়া হিচাপে বা দেশসেৱক হিচাপে কোনো সুনাম বা বঁটা পাব বিচৰা নাই। মই মাত্ৰ মাতৃভূমিৰ প্ৰতি মোৰ দায়িত্বহে পালন কৰিছো।

মই মোৰ সকলো বন্ধুলৈ আন্তৰিক কৃতজ্ঞতা জনাইছো; বিশেষকৈ হুছেইন আব্‌ছাদ মান্নানলৈ (মই আপোনাৰ চিঠি গ্ৰহণ কৰা নাই), জুনিয়ৰ এণ্টেমাচ আৰু আৰ্থুম আৰ্থা অথবা যিসকলে প্ৰয়োজনীয় ভাৱে লিখিলে। অলপ শুধৰণি কৰাৰ বাহিৰে মই তেওঁলোকৰ লিখনিৰ ওপৰত অস্বীকাৰ কৰিবলগীয়া বা প্ৰতিক্ৰিয়া প্ৰকাশ কৰিবলগীয়া একো নাই আৰু ইয়াকো উল্লেখ কৰো যে মই মুক্তি যুজাঁৰু হবলৈ কোনো পত্ৰত স্বাক্ষৰ কৰা নাছিলো। আৰ্থুম আৰ্থালৈ মই যি **ঈমানৰ টোকা** পঠিয়াইছো সেইটোৱেই হ'ল মই প্ৰটেষ্টাণ্ট মছীহী ধৰ্ম গ্ৰহণ কৰাৰ ভেটি।

যি হবৰ হৈ গ'ল; বন্ধু সদায়ে বন্ধু হৈ থাকে আৰু ভাল বন্ধুত্ব কেতিয়াও বিচ্ছিন্ন নহয়। সংশ্লিষ্ট সকলোলৈ ধন্যবাদ জনাই সামৰিলো।

আপোনালোকৰ বিশ্বাসী

**হামৰাণ আম্ব্ৰি,** জাকাৰ্টা ৬ মে' ১৯৭২

b b b

## মোৰ মছীহী জীৱনৰ সক্ৰিয় সাক্ষ্য দিয়াৰ আৰম্ভণি

মোৰ '**মুকলি চিঠি**' প্ৰকাশ পোৱাৰ পিছত বনঝাৰমাছিন আৰু হুলু চুঙাইত থকা মোৰ বন্ধু বিলাকৰ পৰা আক্ষেপ কৰি লিখা, উপদেশ দি



ফুৰিছিলো যে আল্লাহৰ ৰুহানী- পুত্ৰ ঈছামছীহে কিয় ক্ৰুছত মওত হব লগীয়া হৈছিল নাইবা ইহুদী বিলাকে কিয় তেওঁক এইদৰে শাস্তি বিহি মাৰি পেলাইছিল ? তাৰোপৰি এজনৰ পাপৰ শাস্তি আন এজনৰ ওপৰত যোৱা" এই ধৰ্মমতটোৰ বিষয়ে তেওঁলোকক সুধিছিলো। বাস্তৱতে মই ঈছামছীহৰ ক্ৰুছীয় মওতক আল্লাহৰ এক অন্যায় শাস্তি বুলিয়েই মন্তব্য কৰিছিলো।

বহুতো ধৰ্মপ্ৰচাৰকৰ ওচৰলৈ মোৰ প্ৰশ্নবোৰ লৈ গৈছিলো। তেওঁলোকে যথেষ্ট সাৱধানতাৰে স্পষ্টকৈ উত্তৰ দিছিল যদিও সেই সময়ত তেওঁলোকৰ মন্তব্যবোৰ মই গ্ৰহণ কৰিব পৰা নাছিলো। ইয়াৰ প্ৰধান কাৰণ আছিল আমাৰ ওপৰত অতীত ধৰ্ম বিশ্বাসৰ প্ৰভাৱ, যিটোৱে আমাৰ বাবে এক ডাঙৰ বাধাৰ সৃষ্টি কৰিছিল। যুক্তিযুক্তভাৱে ভুল বুজাবুজিবোৰ নোহোৱা কৰিবলৈ আমি বিভিন্ন ধৰ্মৰ মাজৰ পাৰ্থক্যখিনি অধ্যয়ন কৰিব লাগিব। সেইসময়ত মই এজন অনাতাঁৰ গ্ৰাহীৰ দৰে আছিলো আৰু মোৰ বাবে ধৰ্মপ্ৰচাৰকজন বাৰ্ত্তা প্ৰেৰকৰ নিচিনা আছিল। দুয়োজনে সক্ৰিয় অৱস্থাত আছিলো; কিন্তু আমাৰ মাজত টোৰ পাৰ্থক্য আছিল। তেওঁৰ প্ৰেৰণ আৰু মোৰ গ্ৰহণ এই দুই কাৰ্য আছিল সম্পূৰ্ণ বেলেগ। গ্ৰহণ কৰোতাজনে ঘোষণা কৰোতাজনৰ মাত হৃদয়ংগম কৰিব নোৱাৰে। মছীহী প্ৰচাৰক সকলৰ বৰ্ণনাবোৰ মোৰ বাওঁ কাণেৰে সোমাই সোঁ কাণেৰে ওলাই গৈছিল। সেইবিলাকে মোৰ অন্তৰ চুব পৰা নাছিল, কাৰণ মই সেইবোৰ ভালকৈ উপলব্ধি কৰিব পৰা নাছিলো। প্ৰচাৰকসকলেও মোৰ বিষয়ে স্পষ্ট ধাৰণা কৰিব পৰা নাছিল বাবেই তেওঁলোকৰ বাখ্যা সমূহো মই আশা কৰা ধৰণৰ নাছিল। ইয়াৰ কাৰণ এইটো নাছিল যে প্ৰচাৰকজনৰ বৰ্ণনা ভুল আছিল; কিন্তু আৱশ্যকীয় কথা হ'ল— চিন্তা কৰা আৰু ব্যাখ্যা কৰাৰ মাজত পাৰ্থক্য বিৰাজ কৰিলে ইজনে আনজনক সহজে বুজিব নোৱাৰে। মোৰ ক্ষেত্ৰতো এনেকুৱা হোৱা স্বত্বেও মই যথেষ্ট আশাবাদী আছিলো। মই বিশ্বাস কৰিছিলো ঃ যিহেতু আল্লাই এবাৰ হকীকত জানিবলৈ মোক সহায় কৰিলে, গতিকে তেঁৱেই মোক সকলো সমস্যা বুজিবলৈও সুপথ দেখুৱাই দিব।

মোৰ দৈনন্দিন মোনাজাত আছিল, 'হে আল্লাহ, ঈছা মছীহ "আল্লাহৰ ৰুহানী পুত্ৰ" আৰু আমাৰ নাজাতদাতা মাবুদ' এইদৰে কোৱা বিষয়ৰ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

সত্যতা মোৰ আগত প্ৰকাশ কৰা। মিনতি কৰিছো হে খোদাবন্দ, 'পৱিত্ৰ ত্ৰিত্ত্ব' আৰু 'ক্ৰুছৰ' বিষয়ে মোক স্পষ্টকৈ বুজাই দিয়া। হে খোদাবন্দ, যেনেকৈ অৰ্ন্তদৃষ্টিৰে তুমি মোক বুজি পাবলৈ দিলা যে কিতাবুল মোকাদ্দাছেই হৈছে আচ্‌মানী কিতাপ যি আৰম্ভণিৰ পৰা বৰ্তমানলৈ পৰিবৰ্ত্তন হোৱা নাই আৰু পৃথিৱী শেষ নোহোৱালৈকে একেই থাকিব, তেনেদৰে ইছা মছীহৰ ৰূহানী সত্ত্বাৰ বিষয়েও মোক স্পষ্টকৈ বুজিবলৈ দিয়া। সঁচাকৈয়ে আল্লাই তেওঁৰ পাকৰূহৰ দ্বাৰাই মোৰ অন্তৰত কৰ্ম কৰি বহুত সহায় কৰিছে। আল্লাহপাকে মোক এই বাধাবোৰ কিদৰে অতিক্ৰম কৰাত সহায় কৰিলে তাক মই ব্যাখ্যা কৰিম।

## ঈছামছীহক আল্লাহৰ ৰূহানী পুত্ৰ বুলি কোৱা হয়

ইউহোন্না ১ঃ১ আৰু ১৪ আয়াতত লিখা আছেঃ *"আদিতে কালাম আছিল আৰু কালাম আল্লাহৰ সৈতে আছিল আৰু কালামেই স্বয়ং আল্লাহ। ...সেই কালাম মাংস হ'ল আৰু অনুগ্ৰহ আৰু সত্যতাৰে পৰিপূৰ্ণ হৈ আমাৰ মাজত বসতি কৰিলে। তাতে পিতৃৰ একমাত্ৰ পুত্ৰৰ যি প্ৰভাৱ সেই প্ৰভাৱ আমি দেখিলো।"*

এই আয়াত দুটাৰ যোগেৰে "আল্লাহৰ ৰূহানী পুত্ৰক" প্ৰকাশ কৰা হৈছে। আল্লাহৰ কালামেই ঈছামছীহৰ যোগেদি মানুহৰ ৰূপ ধাৰণ কৰিলে। সেইবাবেই ১ ইউহোন্না ১ঃ১ অত "ঈছামছীহক"ক 'জীৱিত কালাম" বুলি কোৱা হৈছে। ঈছামছীহক আল্লাহৰ পুত্ৰ বুলি ভাবিবনোৱাৰাটো স্বাভাৱিক; কাৰণ বহুতো মানুহে ভাবে যে আল্লাহেও মানুহৰ জন্ম প্ৰক্ৰিয়াৰ দৰেই ঈছামছীহক জন্ম দিছে। "খোদাৰ কালাম" পাক্‌ৰূহুৰ দ্বাৰা মৰিয়মৰ গৰ্ভত স্থিত হৈ মানুহৰূপে প্ৰকাশ পাইছিল।

হজৰত মহম্মদে নিজেও এই বিষয়টো স্বীকাৰ কৰিছিল। তলত দিয়া আয়াতৰ যোগেৰে কৈছে, '**ঈছামছীহ সঁচাকৈয়ে আল্লাহৰ ৰূহু আৰু তেওঁৰ কালাম**' (হাদিছ আনাৰ বিন মালিক মুতিয়াৰা হাদিছ- পৃষ্ঠা ৩৫৩) ছুৰা আন-নিছা ১৭১আয়াত, *"মৰিয়মৰ পুত্ৰ ঈছা-মছীহ মাথোন আল্লাহৰ*



উত্তেজিত বাতৰিৰ বিৰুদ্ধে পক্ষপাতিত্বমূলক প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল, "বৰ্তমানৰ অৰ্থনৈতিক সনস্যাই এজনক ধৰ্মান্তৰ কৰাব পাৰে। ইয়াত সেই মুছলমানজনৰ নাম দিয়া হোৱা নাছিল। আনকি মুছলমান বিশ্ববিদ্যালয় IAIN Anta Sari ৰ পৰাও মোৰ ধৰ্ম পৰিবৰ্তনৰ বাতৰিৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল। ঠিক সেই সময়তে বনঝাৰমাছিনৰ আহম্মদীয়ান জামাতৰ সম্পাদকে বাতৰিটোত মোক আহম্মদীয়া জামাতৰ লোক বুলি অস্বীকাৰ কৰি, মই যে এজন উল্লেখযোগ্য মুছলিমযোদ্ধা তাকহে প্ৰকাশ কৰিছিল।

ওপৰত উল্লেখ কৰা আটাইবোৰ বাতৰি কাকতে মোৰ মছীহিয়াতৰ কথা বাতৰি কাকতত মোক লাজ দিয়াৰ উদ্দেশ্যেৰে প্ৰকাশ কৰিছিল যাতে মই পুনৰ ইছলামলৈ ঘূৰি যাও। কিন্তু আল্লাহৰ ইচ্ছাতকৈ তেওঁলোকৰ ইচ্ছা সম্পূৰ্ণ বেলেগ আছিল। মোক ওপৰলৈ উঠাবলৈহে আল্লাহে সিহঁতক ব্যৱহাৰ কৰিছিল যাতে মই এজন সক্ৰিয় মছীহী হব পাৰো আৰু মই মছীহৰ ৰূহানী সত্ত্বাৰ বিষয়ে সত্যতাৰে সাক্ষ্য দিব পাৰো। প্ৰায় দুমাহমান মোৰ ধৰ্মান্তৰকৰণৰ কথা মানুহবিলাকৰ আলোচনাৰ মূখ্য বিষয় হৈ পৰিছিল বনঝাৰমাছিনৰ পৰা প্ৰকাশিত **হাৰিয়ান উথামা** নামৰ বাতৰি কাকতখনৰ শিৰোনামাৰ যোগেৰে। প্ৰায় ৰক্তাক্ত সংঘৰ্ষ হোৱাৰ বাতৰিও মই পাইছিলো। মোৰ কিছুমান বন্ধুৱে নিন্দা কৰিবলৈ এনে বাতৰি পৰিবেশন কৰা বুলি ভাবি লিখককে আক্ৰমণ কৰিব খুজিছিল। সৌভাগ্যবশতঃ মই অতি সোনকালে সেই কাকতলৈ মুকলি চিঠিৰে স্বীকাৰোক্তি দিছিলো আৰু সেইটো তলত দিয়া ধৰণে প্ৰকাশ হৈছিল ঃ

### এখন মুকলি চিঠি

**হাৰিয়ান উথামাৰ প্ৰিয় পঢুৱৈসকলৰ প্ৰতি ঃ**

মাননীয় মহোদয়,

**আচ্ছালামু আলাইকুম,** ইয়াৰ দ্বাৰা মই স্বীকাৰ কৰো যে মই প্ৰটেষ্টাণ্ট মছীহী ধৰ্মৰ লগত দৃঢ় ভাৱে জড়িত হৈ আছো আৰু ১৯৬৯ চনতে মই ধৰ্মান্তৰ হোৱা কথাটো সঁচা। আপোনাৰ কাকতত প্ৰকাশ হোৱা বাতৰি বৰ উত্তেজনাপূৰ্ণ ; কিয়নো তাত মোক ইছলামৰ এজন উল্লেখযোগ্য ব্যক্তি



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

ধৰ্মান্তৰিত হব।

কিন্তু মোৰ ওচৰচুবুৰীয়াই তেওঁক জনাইছিল যে তেওঁলোকে তেওঁক কেইবা বছৰৰ পৰা গীৰ্জাঘৰলৈ নিয়মিত অহা-যোৱা কৰা আৰু বৰদিনৰ সময়ত ঘৰত বৰদিন বৃক্ষ স্থাপন কৰাও দেখিছে। তেওঁলোকে এইবিষয়ে মোৰ বন্ধুজনক মোৰ পৰা বিতংকৈ সুধিবলৈ কৈছিল। সেইকাৰণে তেওঁ আমাৰ ঘৰলৈ আহিয়েই প্ৰথমে মোক মই মছীহী হোৱা কথাটো সঁচানে মিছা সুধিছিল। মই কোনো সন্দেহ নোৰোৱাকৈ তেওঁক উত্তৰ দিছিলো, "হয়, তুমি যি শুনিছা সেয়ে সঁচা, মই আৰু মোৰ পৰিয়ালৰ আটায়ে মছীহৰ নামত ত্বৰীকা গ্ৰহণ কৰিলো"। মোৰ উত্তৰ শুনি তেওঁ চকুলো টুকিছিল। তেওঁ বৰ দুখ প্ৰকাশ কৰিছিল কাৰণ তেওঁ কিছুমান বস্তুৰ বিষয়ে গভীৰভাৱে আক্ষেপ কৰিছিল। তেওঁ একো কৰা নাছিল কিন্তু বিস্ময়ত তৎমুহূৰ্ততে থিয় হৈছিল। তেওঁ বনজাৰমাছিনলৈ ঘূৰি গৈ মোৰ ধৰ্মান্তৰকৰণৰ কথা সকলো মানুহকে কৈছিল।

মোৰ আন এজন ভালবন্ধু, মুছলিম সাংবাদিকৰ দ্বাৰা এই কথাটো বনঝাৰমাছিনৰ পৰা প্ৰকাশিত **হাৰিয়ান উতাফ** বাতৰি কাকতত প্ৰকাশ কৰিছিল। কাকতৰ ওপৰত ডাঙৰ ডাঙৰ আখৰেৰে হোছেন আৰ ছৈয়দ মৰাণ এ লিখিছিল, **"মছীহী সকলৰ বিৰুদ্ধে কৰা জেহাদৰ এজন উল্লেখযোগ্য নেতা মছীহী হ'ল"। ত্ৰিশৰ দশকত তেওঁ মহম্মদীয়া নেতা আছিল। এসময়ত তেওঁ 'জেহাদ' কাকতৰ মূখ্য সম্পাদক আছিল। ইত্যাদি। অন্যান্য সকলৰ ভিতৰত জুনিয়ৰ এণ্টেমচ নামৰ বন্ধুজনেও কিছুমান বাতৰিত মোৰ কথা প্ৰচাৰ কৰিছিল।"**

## এজন উল্লেখযোগ্য মুছলমান নেতা মছীহিয়াতলৈ ধৰ্মান্তৰকৰণ ঃ অতি বিস্ময়কৰ বাতৰি!

অন্য এজন সাংবাদিক, শ্ৰী আৰ্থুম আথাই আশা কৰিছিল , "আমি আশা কৰো যে বাতৰিটো সঁচা নহয়; মুক্তিযোদ্ধা হামৰান আন্তিৰ বিশ্বাসটো এতিয়াও প্ৰশ্নৰ উৰ্দ্ধত আছে।" বনঝাৰমাছিনৰ মুছলমানসকলে এই



*ৰুছুলহে আছিল আৰু মৰিয়মৰ প্ৰতি পঠোৱা, আল্লাহৰ এটি দৈৱবাণী আৰু তেওঁৰ আদিষ্ট আত্মা (ৰুহুণ মিনহ) ...। "*

"তেওঁৰ কালাম" বা "আল্লাহৰ কালাম" যি ঈছামছীহৰ ৰূপ ধাৰণ কৰিছিল এই সম্পৰ্কত ড° হিজবুল্লাহ বাক্সি এ তেওঁৰ "ঈছা কোৰাণৰ নবীজনা (Jesus-The Prophet in the Quran) নামৰ কিতাপৰ ১০৯ পৃষ্ঠাত কৈছে ঃ নবী ঈছামছীহক "কালেমাতু আল্লাহ" (আল্লাহৰ কালাম) বুলি কোৱা হৈছিল। কাৰণ খোদাৰ কালাম মানুহৰ ৰূপ ধাৰণ কৰি মৰিয়মৰ যোগেৰে নবী ঈছাৰ ৰূপত আবিৰ্ভাৱ হৈছিল।

তদুপৰি সেই সময়ৰ পৰা মই ঈছামছীহক "আল্লাহৰ পুত্ৰ" বুলি কবলৈ অস্বীকাৰ কৰি নাথাকিলো। কাৰণ "তেওঁ সৰ্বশক্তিমান আল্লাহৰ অৱতাৰ"। কিন্তু প্ৰথম অৱস্থাত মই ঈছামছীহক আল্লাহৰ পুত্ৰ বুলি মানি লবলৈ বৰ টান পাইছিলো। কাৰণ মানুহৰ জন্ম প্ৰক্ৰিয়াৰ দৰেই ঈছামছীহৰো জন্ম হোৱা বুলি ভাবিছিলো।

ছুৰা এখলাছ ১১২, *"কোৱা, তেওঁ আল্লাহ, একক। আল্লাহ কাৰো ওপৰত নিৰ্ভৰশীল নহয়; বৰং সকলোৱেই তেওঁৰ ওপৰতহে নিৰ্ভৰশীল। তেওঁ কোনো সন্তান জন্ম দিয়া নাই আৰু তেৱোঁ কাৰো সন্তান নহয়; আৰু তেওঁৰ সমতুল্য কোনো নাই।"*

ঈমানৰ এই ছুৰাক লৈ আন আন মুছলমান প্ৰচাৰকৰ লগতে ময়ো আল্লাহৰ পুত্ৰ বা সন্তান থকা কথাটো অস্বীকাৰ কৰিছিলো। "ঈছামছীহ আল্লাহৰ পুত্ৰ" বুলি মছীহিয়াতত থকা বিশ্বাসক লৈ বহুত বাদানুবাদ আছে। যি কি নহওঁক মছীহী সকল কোৰাণ শ্বৰীফৰ এই আয়াতৰ কথাখিনি গ্ৰহণ কৰিব পাৰে; কাৰণ মছীহীসকলে সাধাৰণ জন্ম প্ৰক্ৰিয়াৰে হোৱা আল্লাহৰ এজন পুত্ৰ আছে বুলি কেতিয়াও দাবী কৰা নাই। অথচ কোৰাণ শ্বৰীফত "**ৱালাড**" শব্দই তেনে অৰ্থকে প্ৰকাশ কৰিছে। আৰবীয় মছীহীসকলে ন্যায়সংগত শব্দ "ইব্‌নে"ৰ যোগেৰে "ঈছামছীহক আল্লাহৰ পুত্ৰ" বুলি কয়। সেইবাবেই এতিয়া বুজা গ'ল যে তেওঁক জন্মচক্ৰৰ প্ৰক্ৰিয়াৰে জন্ম পোৱা পুত্ৰ বুলি কোৰাণ শ্বৰীফৰ "**ৱালাড**" শব্দই বুজোৱাৰ দৰে কোৱা



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

হোৱা নাছিল। সেইবাবেই মই কবলৈ ভাল পাওঁ যে ঈছামছীহক আল্লাহৰ পুত্ৰ নহয় বুলি কোৰাণ শ্বৰীফত কেতিয়াও কোৱা নাই বা কিতাবুল মোকাদ্দাছে এই ক্ষেত্ৰত কোৱা কথাক কেতিয়াও উলংঘন কৰা নাই। কোৰাণ শ্বৰীফত থকা "**ৱালাড**" শব্দই বুজোৱাৰ দৰে কোনো সাধাৰণ যৌন প্ৰক্ৰিয়াৰ যোগেৰে অথবা আল্লাহ আৰু মৰিয়মৰ যৌন প্ৰক্ৰিয়াৰ ফলত ইছামছীহৰ জন্ম হোৱা হ'লে আমিও এনে ধাৰণা ত্যাগ কৰিলোহেঁতেন।

## ঈছামছীহক মাবুদ বুলি কোৱা হয়

ঈছামছীহক কিয় আল্লাহৰ পুত্ৰ বুলি কোৱা হয়? আগতে কৈ অহাৰ দৰে বহুদিনলৈ মই "ঈছা মছীহেই খোদাবন্দ" বুলি উচ্চাৰণ কৰিব নোৱাৰিছিলো আৰু "খোদাবন্দ ঈছামছীহ" বুলিও মই মুখেৰে কব পৰা নাছিলো। কাৰণ মই শিশুকালৰ পৰা শিকি আহিছিলো আৰু পিছত আনকো শিকাইছিলো যে — "**আল্লাহৰ বাহিৰে আন কোনো মাবুদ নাই**।"

হয়তো পিতৃৰ অবিহনে ঈছামছীহৰ জন্ম হোৱা বাবে তেওঁ "খোদাবন্দ" হব পাৰে। নহয়! আদমেও পিতৃ-মাতৃ নোহোৱাকৈয়ে জন্ম পাইছিল; তথাপিও আদমক "খোদাবন্দ" বা প্ৰভু বুলি কোৱা হোৱা নাছিল। নাইবা নানান অলৌকিক কাৰ্য কৰিছিল বাবেই ঈছামছীহক "প্ৰভু' বুলিছিল নেকি? নাই ; এইবিলাকো কোনোমতে শুদ্ধ জবাব হব নোৱাৰে। মুছা নবীয়েও অনেক আচৰিত আচৰিত কাৰ্য কৰিছিল; তথাপিও তেওঁক কোনেও "প্ৰভু" বা "খোদাবন্দ" নুবুলিছিল। তেনেহলে কুষ্ঠৰোগীবোৰক সুস্থ কৰা আৰু মৃতবিলাকক কবৰৰ পৰা জীয়াই তুলিছিল বাবেই ইছামছীহক খোদাবন্দ বুলিছিল নেকি? নহয়; কাৰণ এলিয়া নবীয়েও কুষ্ঠৰোগীক সুস্থ কৰিব পাৰিছিল আৰু মৃতককো জীয়াই তুলিব পাৰিছিল। তথাপিও তেওঁক "খোদাবন্দ" বুলি কোৱা হোৱা নাছিল। তেনেহলে ঈছামছীহে সোঁশৰীৰে বেহেস্তত



**এজন মুৰীদ হিচাপে তুমি নিশ্চয়ে সক্ৰিয় হব লাগিব আৰু মছীহৰ বাণী সমূহ প্ৰচাৰ কৰি- মথি ২৮ঃ১৯-২০ আয়াতত নিৰ্দেশ দিয়াৰ দৰে প্ৰকাশ্যে সাক্ষ্য হব লাগিব।**

মই কেনেকৈ সাক্ষ্য দিয়া আৰু মছীহৰ বাণীসমূহ পোনপোটীয়াকৈ প্ৰচাৰ কৰা আৰম্ভ কৰিব পাৰো? বাস্তৱিকতে মই সেইটোকে কৰিবলৈ ইচ্ছা কৰি আছিলো; কিন্তু মই কেনেকৈ আৰম্ভ কৰিম তাকহে নাজানিছিলো। ইয়াৰ বাবেও আল্লাহে মোলৈ দুৱাৰ মুকলি কৰিছিলঃ এদিনাখন বনজাৰমাছিনৰ পৰা মোৰ অতি মৰমৰ বন্ধু এজন নিশা আমাৰ লগত কটাবলৈ আহিছিল। তেওঁ আছিল মোৰ সুখৰ-দুখৰ সকলো সময়ৰ সমভাগী বন্ধু। যেতিয়া ওলণ্ডাজ সৈন্যৰ হাতত আমি বন্দী হৈ আছিলো তেতিয়াও বন্দীশালত আমি পৰস্পৰে পৰস্পৰক লগ ধৰি আছিলো।

তেওঁ আমাক আগৰ দৰেই অভিনন্দন জনালে, কাৰণ আমাৰ ঘৰত আমি মছীহী হোৱাৰ কোনো চিহ্ন তেওঁ পোৱা নাছিল। যেতিয়া তেওঁ কৈছিল, '**আচ্ছালামু আলাইকুম**' মই উত্তৰ দিছিলো '**ৱা আলাইকুম আচ্ছালাম**'। মোৰ বন্ধুৱে আমাৰ ওচৰ চুবুৰীয়াৰ পৰা গম পাইছিল আমি মছীহী হোৱা কথাটো। সেইটো সম্ভৱেই নহয় বুলি তেওঁ ঘোষণা কৰিছিল আনকি মোৰ ওচৰ চুবুৰীয়াসকলে তেওঁক পতিয়ন নিয়াব পৰা নাছিল। তেওঁ তেওঁলোকক কৈছিল,

"মই মোৰ বন্ধু হামৰান আস্ত্ৰিক জাকাৰ্টাতেই নহয়, বনজাৰমাছিনত থকাৰ পৰাই ভালদৰে জানো। তেওঁ এজন সাধাৰণ মুছলমান নহয়, তেওঁ তেওঁৰ বিশ্বাসতো সচেতন। তেওঁ ৰাজ্যখনতে মুছলিম যোদ্ধা হিচাপে পৰিচিত। তেওঁ আনকি এগৰাকী মছীহী বিৰোধী মহম্মদীয় নেতা, এজন মুছলিম সাংবাদিক আৰু ইছলাম ধৰ্মৰ পুৰোহিত। তেওঁ মধ্য আৰু পূৱ কালিমণ্টনত সুবিখ্যাত। ইয়াৰোপৰি ৰজ্মচ্ছ্ৰজ্জনত আমুণ্টাইৰ কালিমণ্টনত ইছলামীয় কংগ্ৰেছৰ এজন প্ৰধান উদ্যোক্তা আছিল। ইণ্ডোনেছিয়াৰ জাতীয় সৈন্যবাহিনীত আৰু বনঝাৰমাছিনত তেওঁ সৈন্যবাহিনীৰ প্ৰধান পুৰোহিত হিচাপে নিযুক্ত হৈছিল। সেইবাবেই মই কেতিয়াও বিশ্বাস নকৰো যে হামৰান আস্ত্ৰি মুছলমানৰ পৰা মছীহী ধৰ্মলৈ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

*পান কৰক। যি কোনোৱে মোত ঈমান আনে, পাক-কিতাবত কোৱাৰ দৰে তেওঁৰ ভিতৰৰ পৰা জীৱনময় জলৰ নৈবোৰ ওলাই বৈ যাব।”* (ইউহোন্না ৭ঃ৩৭,৩৮)।*“কিন্তু মই হলে, তেওঁবিলাকে যেন জীৱন পায় আৰু তাকেই যেন প্ৰচুৰকৈ পায় এই নিমিত্তে আহিলো”* (ইউহোন্না ১০ঃ১০)।

আমাৰ ঘৰুৱা পৰিৱেশৰ ইমান সোনকালে পৰিবৰ্তন ঘটিছিল যে আমি ঈৰ্ষাৰ পাত্ৰ হৈ পৰিছিলো। মোৰ ওচৰ চুবুৰীয়া আৰু আত্মীয়লোকসকলে ভাবিছিল যে আমি মছীহী হোৱাৰ ক্ষেত্ৰত গীৰ্জাৰ পৰা সহায় লৈছিলো। মানুহবোৰে আমাক তিৰস্কাৰ কৰি কৈছিল,“**যদি তুমি ধনী হব খোজা, তেনেহলে অস্ত্ৰিক অনুসৰণ কৰি মছীহী হৈ গীৰ্জাৰ পৰা বহুতো টকা সংগ্ৰহ কৰিব পাৰিবা।**” তেওঁলোকে সন্দেহ কৰিছিল যে আমাৰ জীৱনবোৰ গীৰ্জাঘৰৰ পৰা পোৱা দান-বৰঙণিৰে অৰ্থাৎ মছীহী হোৱাৰ ভেটিৰে আশীৰ্বাদ-পুষ্ট হৈছে। নহয়, মুঠেও নহয়। আমি গীৰ্জাঘৰৰ পৰা নাইবা কোনো ব্যক্তিৰ পৰা কোনো সহায় পোৱা নাছিলো। আমি টকা-পইচা, কোনো পাৰ্থিব সম্পদ নাইবা কোনো কাৰ্যৰ অঙ্গীকাৰ আনকি এটা মুদ্ৰাও আমি পোৱা নাছিলো। বাস্তৱিকতে আমাৰ জীৱন আশীৰ্বাদ পুষ্ট হৈছিল আল্লাহৰ ৰহমতেৰে। এইটোও আল্লাহৰ সত্য অঙ্গীকাৰ যে, যিসকলে ঈমান আনিব তেওঁলোকক প্ৰচুৰ পৰিমাণে আশীৰ্বাদ কৰিব।

## মোৰ নিষ্ক্ৰিয় মছীহী জীৱন

১৯৭০ চনৰ পৰা ১৯৭২ চনলৈ মই এজন **নিষ্ক্ৰিয়** মছীহী আছিলো। ব্যৱসায় পৰিচালনা কৰি পৰিয়ালক সহায় কৰাতেই মই বেছিভাগ সময় ব্যস্ত হৈ থাকিবলগীয়া হৈছিল। মাত্ৰ দেওবাৰেহে মই গীৰ্জাঘৰলৈ গৈছিলো আৰু যেতিয়া সময় পাওঁ তেতিয়াহে কিতাবুল মোকাদ্দাছ অধ্যয়ন কৰিছিলো। মোৰ এনে কাৰ্যৰ বাবে আল্লাহে মোক দোষী সাব্যস্ত কৰিলে। সেই সময়ত আল্লাহে মোক সতৰ্ক কৰা মই অনুভৱ কৰিছিলো, **যদি তুমি মছীহী হব খোজা তেনেহলে এনে নিষ্ক্ৰিয় কাৰ্যৰ দ্বাৰাই নহব। আল্লাহৰ আশীৰ্বাদবোৰ উপভোগ কৰি এলেহুৱা হৈ বহি থাকিলে নহব। ঈছামছীহৰ**



গৈছে বাবেই তেওঁক “মাবুদ” বোলা হৈছিল নেকি? নহয়, কাৰণ এলিয়া নবীৰো এই ক্ষেত্ৰত একেই অভিজ্ঞতা আছিল। তেতিয়াহলে কিয় ঈছামছীহক প্ৰভু বা মাবুদ বোলা হয়?

ঈছামছীহক এইকাৰণেই প্ৰভু বোলা হযঃ ইউহোন্না ১ঃ১ আৰু ১৪নম্বৰ আয়াতত কোৱা হৈছে যে **আল্লাহৰ কালেমাতুল্লাহেই মানুহৰ ৰূপত ঈছামছীহ হৈ জন্ম ল’লে**। সেই কাৰণে ১ইউহোন্না ১ঃ১আয়াতত ঈছা মাছীহক “জীৱনময় কালাম” অৰ্থাৎ **“মানুহৰ ৰূপত আল্লাহৰ অৱতাৰ”** বুলি কোৱা হৈছে।

“অৱতাৰ ৰূপ ধাৰণ” আৰু “আল্লাহ” এই দুটা শব্দৰ মাজত থকা সম্পৰ্কৰ অৰ্থক জাগতিক অৰ্থ অনুসৰি ভাঙনি কৰা নাযায়। উদাহৰণ স্বৰূপে “আল্লাহ জীৱিত” — ‘মানুহো জীৱিত’ । ‘আল্লাহ’ শব্দৰ লগত ‘জীৱিত” শব্দৰ যি অৰ্থ প্ৰকাশ হয় ‘মানুহ’ শব্দৰ লগত ‘জীৱিত’ শব্দৰ আকৌ বেলেগ অৰ্থ প্ৰকাশ হয়। ‘আল্লাহ নিজৰ দ্বাৰাই জীৱিত” (*জাত-ৱাজিব আল-ৱুজুড*) আৰু তেওঁ অনাদি কালৰ পৰাই জীৱিত আছে; কিন্তু মানুহক জীয়াই থাকিবলৈ সৃষ্টি কৰা হৈছিল।

এই কাৰণেই অৱতাৰ শব্দটোৰ আল্লাহৰ লগত যি সম্পৰ্ক, তাক জাগতিক অৰ্থত বা আভিধানিক অৰ্থত প্ৰকাশ কৰা অনুচিত। উদাহৰণ স্বৰূপে, অভিধানিক অৰ্থত মেকুৰীয়ে হাতীৰূপ ধাৰণ কৰিলে তাৰ মেকুৰী ৰূপটো নাইকিয়া হৈ হাতীৰূপটোহে প্ৰকাশ হব। যদি এডোখৰ শিলক সোণলৈ ৰূপান্তৰ কৰা হয়, তেনেহলে তাত শিলৰ অস্তিত্ব গুচি সোণৰহে অস্তিত্ব থাকিব। কিন্তু এই ‘দেহৰূপ ধাৰণ” অৰ্থাৎ ‘অৱতাৰ’ শব্দটোৱে আল্লাহৰ ক্ষেত্ৰত বেলেগ অৰ্থ প্ৰকাশ কৰিছে। এই শব্দটো আল্লাহৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিলে আল্লাহৰ আবিৰ্ভাৱৰ কোনো পৰিবৰ্তন হোৱা নুবুজায়। আল্লাহ কেতিয়াও পৰিবৰ্তনশীল নহয় (সালাখী ৩ঃ৬)।

আল্লাই মানুহৰ অস্তিত্বলৈ ৰূপান্তৰিত হৈছিল। ইয়াৰ অৰ্থ এইটো নহয় যে আল্লাহ আৰু জীয়াই থকা নাই, কেৱল মানুহ হিচাপে থাকিব।



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

এনে ধৰণৰ ধাৰণাই ভুল। আল্লাহৰ পৰিৱৰ্তন নহয়। আল্লাহে মানুহ ৰূপ ধাৰণ কৰা অৰ্থ এইটোৱেই যে আল্লাহ সদায় জীয়াই থাকে মানুহৰ মাজত। সেইবাবে কাৰ্য আৰু সাধনাৰ মাজৰ সাদৃশ্য থকা দেখুৱাবলৈ "অৱতাৰ" অৰ্থাৎ "দেহ ৰূপ ধাৰণ" শব্দটো ব্যৱহাৰ কৰা হয়। তথাপিও ইয়াৰ অৰ্থ মানুহৰ ভাষাৰ অৰ্থৰ দৰে নহয়। **আল্লাহে মানুহ ৰূপ ধাৰণ কৰাৰ অৰ্থ হ'ল, তেওঁ নিজকে প্ৰকাশ কৰিলে, এনেকি অতুলনীয় মহান ঈছামছীহৰ যোগেৰে তেওঁ নিজৰ ইচ্ছা, ক্ষমতা আৰু মানুহৰ প্ৰতি তেওঁৰ ভালপোৱা সম্পূৰ্ণকৈ প্ৰকাশ কৰিলে**। এই কথাযাৰ আমি ঈছামছীহৰ বৰ্ণনাৰ পৰা বুজিব পাৰো।

*"পিতৃ মোত আছে আৰুময়ো পিতৃত আছো"* (ইউহোন্না ১০:৩৮)। *"মই আৰু মোৰ পিতৃ এক"। (ইউহোন্না ১০:৩০) "যিজনে মোক দেখিলে তেওঁ মোৰ পিতৃকো দেখিলে"* (ইউহোন্না ১৪:৯)। পাঁচনি পৌলে কৈছিলঃ *"কিয়নো তেওঁত আল্লাহৰ সকলো সম্পূৰ্ণতা শাৰীৰিক ৰূপে নিবাস কৰে"* (কলচীয়া ২:৯)। ইয়াৰ দ্বিতীয় আয়াতটোৱে ঈছামছীহক সত্য মাবুদ বুলি বৰ্ণনা কৰিছে আৰু একেই কথা আমি মথি ২৮:১৮ আয়াততো পঢ়িবলৈ পাওঁ। ইয়াত ঈছামছীহে কৈছে, *"বেহেস্তত আৰু দুনিয়াৰ সকলো ক্ষমতা মোক দিয়া হ'ল।"* ঈছামছীহ হৈছে সৰ্বশক্তিমান আৰু সকলোকে নিয়ন্ত্ৰণ কৰোতা।

পাঁচনি পৌলে স্বীকাৰ কৰিছিলঃ *"তেওঁ সকলো আধিপত্য আৰু ক্ষমতাৰ মূৰ"* (কলচীয়া ২:১০)। একেদৰে আমি কোৰাণ শ্বৰীফতো পাওঁ যে আল্লাহ নিজেই প্ৰভু। তেৱেঁই এই বিশ্বব্ৰহ্মাণ্ডৰ প্ৰতিপালক। ইঞ্জিল শ্বৰীফত আমি পঢ়িবলৈ পাওঁ যে আল্লাহে ঈছামছীহক মাবুদ আৰু নাজাতদাতা হিচাবে পঠাইছিল (পাঁচনি ২:৩৬ আয়াত) ইয়াত— 'মাবুদ' আৰু 'নাজাতদাতা প্ৰভু' এই দুই শব্দৰ পাৰ্থক্য চাওঁক ঃ গ্ৰীক ভাষাত 'থিয়চ' যাৰ আৰবী সমাৰ্থক ঃ আল্লাহ ঃ অৰ্থ হৈছে - সৃষ্টি কৰ্ত্তা কিন্তু গ্ৰীক্ ভাষাত প্ৰভু বা মাবুদ শব্দৰ অৰ্থ হৈছে 'কাইৰচ্' আৰু আৰবী ভাষাত 'ৰৱ'। পিছৰ শব্দটো অধিকাৰ থকা অৰ্থত ব্যৱহাৰ কৰা হয়। ঈছামছীহৰ যোগেৰেও আল্লাহৰ ক্ষমতা বহুধৰণে প্ৰকাশ



## অগণন আশীৰ্বাদ

১৯৬৯চনৰ ২৬ ডিচেম্বৰত ত্বৰীকা লোৱাৰ পিছত সুখময়, আনন্দময় পৰিৱৰ্তনৰ কথা পৰিয়ালৰ সকলোৱে অভিজ্ঞতা হৈছিল। আমি আল্লাহৰ পৰা অনেক আশীৰ্বাদ লাভ কৰিলো যিবোৰে আমাৰ জীৱন পৰিৱৰ্তন কৰিছিল। পাঁচনি পৌলে কৈছিল, *"এতেকে যদি কোনো মছীহত আছে, তেন্তে তেওঁ নতুন সৃষ্টি; পূৰণিবোৰ লু প্ত হ'ল, চোৱা নতুন হ'ল"*। (২ কৰিঃ ৫:১৭)

যেতিয়া কোনো এজনে ঈছামছীহক তেওঁৰ জীৱনৰ নাজাতদাতাৰূপে গ্ৰহণ কৰে, আল্লাহে তেওঁৰ জীৱনলৈ পৰিৱৰ্তন আনে। ঈছামছীহৰ ছবি সেইজনৰ অন্তৰত প্ৰতিফলিত হয়। কিতাবুল মোকাদ্দাছে কয়, *"আল্লাহে নিজৰ প্ৰতিমূৰ্ত্তিৰে মানুহ সৃষ্টি কৰিলে*' (আদি পুস্তক ১:২৭)। এই নতুন চৰিত্ৰৰ পৰা গঠন হয় নতুন আনন্দ, প্ৰেম আৰু বিভিন্ন স্পৃহা। আগতে তেওঁ যিহক প্ৰেম কৰিছিল এতিয়া তেওঁ তাক ঘৃণা কৰিব আৰু আগতে যিহক ঘৃণা কৰিছিল এতিয়া তেওঁ তাক প্ৰেম কৰিব। তেওঁৰ জীৱনৰ পৰিৱৰ্তন হ'ল। তেওঁৰ এই পৰিৱৰ্তন তেওঁৰ চাৰিওফালে থকা মানুহৰ দৃষ্টিগোচৰ হব। তেওঁৰ জীৱনৰ গতিপথ সলনি হব; আৰু পৰিবৰ্তন আনিব। কি আচৰিত!

এই পৰিৱৰ্তনৰ অভিজ্ঞতা মোৰ জীৱনত হৈছিল আৰু আমি পৰিয়াল হিচাপেই তাক উপলব্ধি কৰিছিলো। সকলো উগ্ৰতা প্ৰেমলৈ ৰূপান্তৰ হৈছিল। আমাৰ এই ৰূহানী জীৱনত সুখ আৰু শান্তি বাৰুকৈয়ে অনুভৱ কৰিছিলো। আমাৰ আৰু কোনো প্ৰকাৰৰ সন্দেহ নাছিল। আমাৰ জীৱন আনন্দেৰে পৰিপূৰ্ণ হৈ নিৰাপদ হ'ল। এনেকি আমাৰ পাৰ্থিব জীৱনতো আমি প্ৰচুৰ পৰিমাণে আশীৰ্বাদ পালো। আমাৰ এই অভিজ্ঞতাই আল্লাহৰ অঙ্গীকাৰৰ সত্যতা প্ৰমাণ কৰে যে ঈছামছীহৰ যোগেৰে তেওঁৰ অনুগামী সকললৈ আল্লাহৰ প্ৰতিজ্ঞা সিদ্ধ কৰা হয়।

*"কোনো মানুহৰ যদি পিয়াহ লাগে তেন্তে তেওঁ মোৰ ওচৰলৈ আহি*



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

ভাবিছিলো যে যদিহে ইছলামৰ পৰা মছীহী হোৱা এই ধৰ্মান্তৰৰ প্ৰক্ৰিয়াৰ কথা মই মোৰ পত্নীৰ লগত আলোচনা কৰো তেনেহলে এইটোৱে আমাক সমস্যাত পেলাব বা কষ্ট দিব। কিন্তু আল্লাহে তেওঁৰ দয়া অনুসাৰে সত্যৰ দুৱাৰখন আনকি মোৰ পত্নীৰ যোগেৰে মুকলি কৰিলে। সৌন্দৰ্য্য আৰু চাকিৰ পোহৰত বৰদিনৰ গছৰ বৈশিষ্টই তেওঁৰ মনলৈ শান্তি আনি দিলে যিটো সেই সময়ত অনেক মছীহী পৰিয়ালত বৰদিন উপলক্ষে জ্বলি আছিল। মছীহী পৰিয়ালবোৰ কিমান সুন্দৰ হব পাৰে, এই বৰদিনৰ নূৰৰ যোগেৰে তেওঁলৈ এটা চিহ্ন স্বৰূপ হ'ল। বৰদিনৰ গীতৰ সুৰত আৰু বৰদিনৰ আত্মাত কিমান উষ্ণতা আৰু উজ্জ্বলতা থাকিব পাৰে তাক তেওঁ অনুভৱ কৰিব পাৰিলে।

তেওঁৰ অনুভৱবোৰে মছীহী হোৱাৰ ইচ্ছা প্ৰকাশ কৰি আমাৰ ছোৱালীজনীক লগত লৈ মোৰ পত্নী মোৰ ওচৰলৈ আহিছিল। এইটোৱেই আছিল মই বিচাৰি থকা সুযোগ। পিছদিনাখন আছিল বৰদিন। মই ৰেভাৰেণ্ড জে. ছুপলেটক লগ ধৰি মই আৰু মোৰ পৰিয়ালে ঈছামছীহকগ্ৰহণ কৰি ত্বৰিকা লোৱাৰ কথা কলোগৈ। অতি সোনকালে মোৰ অনুৰোধ তেওঁলোকে কবুল কৰিলে আৰু আমি (মই, মোৰ পত্নী আৰু আমাৰ সাতোটা ল'ৰা-ছোৱালী) এটা পৰিয়াল ৰূপে ১৯৬৯চনৰ ২৬ ডিচেম্বৰত ৰেভা.জে. ছুপলেটৰ দ্বাৰা **গেৰেজা বেথেল জামাতত** ত্বৰিকা ললো। এসপ্তাহৰ পিছতে আমাৰ ল'ৰাটোৱেও আমাক অনুসৰন কৰিলে। মই পিছত জানিব পাৰিলো যে সিও গীৰ্জাঘৰলৈ গোপনে অহা-যোৱা কৰিছিল। মইও মোৰ পত্নী আৰু ল'ৰা-ছোৱালীৰ ভয়ত মনে মনে গীৰ্জালৈ গৈছিলো। প্ৰকৃততে আমি লুকা-ভাকুহে খেলিছিলো। আল্লাহৰ প্ৰসংশা কৰো যে আমাৰ পৰিয়ালৰ আটাই সদস্যই ঈছামছীহৰ অনুগামী হ'ল আৰু তেওঁলোকৰ অন্তৰতো মছীহক বিৰাজ কৰিবলৈ দিলে।

b b b



পাইছেঃ

১) **সৃষ্টিকৰ্তা হিচাপে,** ২) **বিধান দিওঁতা আৰু হকীকত দিওঁতা হিচাপে,** ৩) **পৰিচালনা আৰু নাজাতদাতা হিচাপে,** ৪) **ক্ষমা কৰোতা আৰু উদ্ধাৰকাৰী হিচাপে,** ৫) **তেওঁৰ আত্মাৰ দ্বাৰাই নতুন সৃষ্টিকাৰীৰূপে,** ৬) **বিচাৰপতি হিচাপে,** ৭) **গৌৰৱময় মাবুদ ৰূপে।**

হকীকত দিবলৈ, পৰিচালনা কৰিবলৈ আৰু ৰক্ষা কৰিবলৈ আল্লাহৰ ক্ষমতা আছে আৰু এই সকলো ক্ষমতা ঈছামছীহৰ ব্যক্তিত্বৰ মাজতো প্ৰকাশ হৈ উঠিছে। সেইবাবে ঈছামছীহক "আল্লাহৰ জীৱনময় কালাম" আৰু "আমাৰ একমাত্ৰ নাজাতদাতা' বুলি কোৱা হয়। আল্লাহৰ জীৱিত কালাম হিচাবে ঈছামছীহে ধৰ্মোপদেশ দিয়া, ক্ষমাদান কৰা আদি খোদায়ী কাৰ্য্য সাধন কৰিছে। কাৰণ "আল্লাহে ঈছামছীহক প্ৰভু পাতিছিল" (পাঁচনি কৰ্ম ২ঃ৩৬, কলচীয়া ২ঃ১০)।

ঈছামছীহই হৈছে প্ৰভু অৰ্থাৎ তেওঁৰ আমাক নাজাত দিবলৈ সম্পূৰ্ণ ক্ষমতা আছে। ঈছামছীহ অৰ্থাৎ আল্লাহৰ জীৱিত কালামেই হ'ল আমাৰ সকলোৰে নাজাতদাতা। তেওঁ আমাক আকৌ সোঁৱৰাই দি কয়, *"ময়েই বাট আৰু সত্য আৰু জীৱন; মোৰ যোগেৰে নগলে কোনেও পিতৃৰ ওচৰলৈ নাযায়।"(ইউহোন্না* ১৪ঃ৬)।

এই কথা নকৈ নোৱাৰো যে মই ঈছামছীহক প্ৰভু বুলি স্বীকাৰ কৰিব নোৱাৰা বাধাসমূহৰ ইছলামীয় সাক্ষ্যই আছিল প্ৰধান। মই শিকিছিলো আৰু আনকো শিকাইছিলো যে, **"আল্লাহৰ বাহিৰে কোনো মাবুদ নাই"** সময়ত মই বুজি পাইছিলো যে এই ইছলামীয় বিশ্বাসে কিতাবুল মোকাদ্দাছৰ বিৰুদ্ধাচৰণ কৰা নাই। কিতাবুল মোকাদ্দাছৰ যাত্ৰাপুস্তকৰ ২০ঃ৩ আয়াতত কোৱা হৈছে *"মোৰ আগত তোমাৰ আন কোনো মাবুদ নাথাকক"*। মই তেতিয়া বুজিলো যে ঈছামছীহৰ ক্ষমতাক হজৰত মহম্মদৰ ভাষাতো নিৰ্দেশ কৰি কোৱা হৈছে যে ঈছামছীহই হৈছে আল্লাহৰ ৰূহ আৰু তেওঁৰ কালাম যি হৈছে আল্লাহৰ কাৰ্যসাধক ক্ষমতাঃ **ঈছামছীহ হৈছে আল্লাহৰ প্ৰকৃত ৰূহ আৰু তেওঁৰ কালাম।**



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

# মছীহিয়াতৰ একত্ববাদ (তৌহিদ)

"একত্ববাদ" শব্দটো মছীহিয়াত সকলৰ বাবে সম্পূর্ণ অপৰিচিত, কাৰণ এই শব্দটো মছীহিয়াতৰ ধৰ্ম তত্বত কাচিৎহে ব্যৱহাৰ কৰা হয়। মছীহীয়াতৰ তত্বত এই শব্দটোৱে আল্লাহৰ ত্ৰিত্বভাৱক এক বুলি বিশ্বাস কৰাটো বুজায়। ত্ৰিত্বভাৱৰ এই ধাৰণা বেছিভাগ মানুহে বিশেষকৈ আমাৰ মুছলমান সম্প্ৰদায়ৰ ভাইসকলে ভালদৰে নজানি সাধাৰণভাৱে লৈ মছীহিয়াতৰ ত্ৰিত্বভাৱক সমালোচনা কৰে।

**আল্লাহ মাত্ৰ এজনেই**

সকলো মুছলমানে এজন আল্লাহৰ ওপৰত ঈমান আনে। এইটোৱেই হৈছে ইছলামৰ মৌলিক মতবাদ। এইটো কেতিয়াও পৰিৱৰ্তন হব নোৱাৰে বা ই অপৰিৱৰ্তনীয়।

একেধৰণৰ দৃঢ় বিশ্বাস মছীহিয়াত ধৰ্মতো বৰ্ত্তি আছে। মছীহীসকলেও মাত্ৰ এজন সত্য আল্লাহক বিশ্বাস কৰে। তেনেহলে এজন আল্লাহৰ বিশ্বাস সম্পৰ্কে মুছলমান আৰু মছীহীসকলৰ ধাৰণা প্ৰকৃততে একেই নে? ইছলামীয় শিক্ষাত এক আল্লাহ সম্পৰ্কে ছুৰা-আল-ইখ্‌লাছ -১আয়াত, ছুৰা-আল-বাকাৰা ১৬৩ আয়াত, ছুৰা-আল-মায়দা-৭৩ আয়াত আৰু অন্যান্য আয়াততো আছে।

কিতাবুল মোকাদ্দাছত এক আল্লাহ সম্পৰ্কে তলত দিয়া ধৰণে বৰ্ণনা কৰা হৈছে ঃ

*"ময়েই আল্লাহ; মোৰ বাহিৰে আন কোনো নাই।"* (যিচয়া ৪৫ঃ৫)। "*একমাত্ৰ সত্য আল্লাহ যি তুমি, তোমাক আৰু তুমি পঠোৱা ঈছামছীহক জনা, এয়েই বেহেস্তী জীৱন*" (ইউহোন্না ১৭ঃ৩ আয়াত)। "*এজনা আল্লাহৰ বাহিৰে আন কোনো মাবুদ নাই*"( ১ কৰিঃ ৮ঃ৪)। *"যিজনাৰ পৰা সকলো বস্তু হয় আৰু যিজনাৰ নিমিত্তে আমিও আছো, আমালৈ সেই এজনা পিতৃহে আছে; আৰু যিজনাৰ দ্বাৰা সকলো বস্তু হয় আৰু যিজনাৰ দ্বাৰাই আমিও আছো; কেৱল সেই এক প্ৰভু ঈছামছীহ আছে"* (১কৰি ঃ ৮ঃ৬)। কিতাবুল মোকাদ্দাছৰ এই আয়াতবোৰ পঢ়াৰ পিছত



খোলাভাৱে প্ৰকাশ কৰিবলৈ সাহস কৰা নাছিলো। মোৰ মছীহিয়াতৰ কথা তেতিয়াও গোপনে ৰাখিছিলো। এদিন মই ইণ্ডোনেছিয়াৰ কুইটাঙত থকা গীৰ্জা পৰিদৰ্শন কৰি তাত তৰীকা লোৱাৰ বিষয়ে গোপনে প্ৰথমবাৰলৈ শুধি চাইছিলো — কাৰণ মই বিচাৰিছিলো যে যাতে মোৰ তৰীকা লোৱাৰ বিষয়ে মোৰ পৰিয়ালৰ কোনেও আনকি মোৰ পত্নীয়েও গম নাপায়। মই সেই গীৰ্জাৰ ৰক্ষকক নাজানিছিলো; যিহেতু কোনেও, গোপনে তৰীকা লব নোৱাৰে সেইবাবেই মোৰ বিশেষ অনুৰোধটো নাকচ কৰা হৈছিল।

কেইসপ্তাহৰ পিছত সেই একে ইচ্ছাৰে মই এদিন ৰেভাৰেণ্ড জে. ছপলেটক লগ ধৰিছিলো, জাটিনিগাৰাত থকা বেথেল গীৰ্জা ঘৰত। তেওঁ সেই মুহূৰ্ততে এটা চৰ্তত মোক তৰীকা দিবলৈ সাজু হৈছিল, সেইটো হ'ল মই তিনিজন চুবুৰীয়া মছীহী বিশ্বাসীক লগত লৈ যাব লাগে যি তিনিজনে মোৰ মছীহী জীৱনত আত্মাত থিৰে থাকিবলৈ শিক্ষা দিব পাৰে। মই এই চৰ্তটো গ্ৰহণ কৰিব নোৱাৰিলো কাৰণ তেতিয়াও মই মছীহী হোৱা কথাটো প্ৰকাশকৈ ঘোষণা কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা নাছিলো। এয়া আছিল মুখ্যতঃ মোৰ পৰিয়ালৰ প্ৰভাৱ। পৰিয়ালত এটা ডাঙৰ সমস্যা হব বুলি মই ভয় কৰিছিলো। মই গীৰ্জাঘৰত যোৱাত মোৰ পত্নীৰ সেৱা বিচাৰিবলৈও মই ভয় কৰিছিলো আৰু ভয় কৰিছিলো ইছলাম ধৰ্মমতে হোৱা আমাৰ বিবাহ বিচ্ছেদ কৰি মোৰ ওপৰত প্ৰতিশোধ লব বুলি। মই এই বিবাহ বিচ্ছেদৰ ক্ষেত্ৰত বৰ ভয়াতুৰ আছিলো। সেইবাবেই মই ঈছামছীহক মোৰ জীৱনত গোপনে ৰাখিব বিচাৰিছিলো। তথাপি মোৰ অন্তৰাত্মা অস্থিৰ হোৱা নাছিল। মোৰ জীৱনত ঈছামছীহক গ্ৰহণ কৰিবলগীয়া কথাত কোনো সন্দেহ নাছিল। সেইকাৰণে মই আৰু বেছি দিনলৈ দুটা ধৰ্মত প্ৰাৰ্থনা কৰি নাথাকি মাত্ৰ গীৰ্জাঘৰলৈহে গৈছিলো। তথাপিও পৰিয়ালৰ প্ৰতিক্ৰিয়া হোৱাৰ ক্ষেত্ৰত ভয়ে মোৰ পিছ এৰা নাছিল। কেনেকৈ ইয়াৰ পৰা ৰক্ষা পাব পাৰি তাক মই জনা নাছিলো। মোৰ এই ঘটনা সম্পৰ্কত মই কাৰো পৰামৰ্শ লবলৈ যোৱাও নাছিলো। সেইসময়ত মই গভীৰভাৱে এই সমস্যা উপলব্ধি কৰিছিলো।

আল্লাহে মোক এই সমস্যাৰ পৰা উদ্ধাৰ পাবলৈ সহায় কৰিলে। প্ৰথমে



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

সংঘৰ্ষত লিপ্ত হৈছিল। এনে কিছুমান বাধা আছে যিবোৰে মানুহৰ দিল ঈছামছীহক গ্ৰহণ কৰাত প্ৰতিবন্ধক হৈ পৰে।

পৰিৱেশ বা সমাজৰ ভয়ানক প্ৰভাৱৰ বিষয়ে ঈছামছীহে মথি ১৭ঃ৩৪-৩৬ আয়াতত সাবধানবাণী শুনাইছে। তেওঁ কৈছে যে যিসকলে ঈছামছীহৰ অনুগামী হব খোজে তেওঁলোকে তাড়না পাবই। হয়তো তেওঁ পিতৃ-মাতৃৰ দ্বাৰা ঘৃণিত হব পাৰে, নাইবা পৰিয়ালৰ বন্ধন ভয়ংকৰ হব পাৰে আৰু হয়তো নিজৰ জীৱনলৈ ভাবুকি আহিব পাৰে। তদুপৰি যিসকলে ঈছামছীহক নাজাতদাতা বুলি স্বীকাৰ কৰিবলৈ সিদ্ধান্ত লৈছে তেওঁলোকৰ অন্তৰত মছীহক আগ স্থান দিয়ক, তেতিয়াহে এইধৰণৰ ভয়, দুঃচিন্তা জয় কৰিব পৰা যাব। মই নিজেও সমাজৰ এনে হেঁচা পোৱাৰ অভিজ্ঞতা লাভ কৰিছো। তথাপিও খোদায়ে সেইবিলাকৰ পৰা মোক পলাই সাৰিবলৈ এটা ৰাস্তা খোলা ৰাখিছে।

১৯৬১চনৰ পৰা ১৯৬৪ চনলৈ মই দুয়োটা ধৰ্মৰে বিধান পালন কৰিছিলো। ইছলাম ধৰ্ম অনুসৰি মই নামাজ পঢ়িবলৈ প্ৰতি শুক্ৰবাৰে মছজিদলৈ গৈছিলো। প্ৰতি দেওবাৰে মই গীৰ্জাঘৰলৈ গৈছিলো আৰু শনিবাৰে মই **চেনহেড্ৰিন**ত আৰাধনা কৰিছিলো। সেই সময়ত মই দৃঢ়ভাৱে পতিয়ন নোযোৱাকৈয়ে গীৰ্জাঘৰলৈ গৈছিলো, কাৰণ মই সত্যতা জানিবৰ উদ্দেশ্যেহে গৈছিলো। মই বহুতো মুছলমান পণ্ডিতৰ বৰ্ণনাত পঢ়িছিলো যে গীৰ্জাঘৰত মানুহবিলাকে ছবি, মূৰ্ত্তি, প্ৰতিমা আদিক পূজা কৰে। সেইকাৰণে মই জাকাৰ্টাত থকা প্ৰত্যেকটো গীৰ্জাত এটা এটা দেওবাৰত পৰিদৰ্শন কৰিছিলো। আনকি এটা দেওবাৰত মই এটাতকৈ অধিক গীৰ্জা পৰিদৰ্শন কৰি পৰ্য্যৱেক্ষন কৰিছিলো যে তাত মূৰ্ত্তি, ছবি আদিৰ সন্মূখত সেৱকবোৰ আছে নে নাই। শেষত মোৰ সন্দেহ প্ৰমাণিত নহ'ল। মই কোনো গীৰ্জাঘৰতে মূৰ্ত্তি পূজা কৰা নেদেখিলো।

প্ৰকৃততে ১৯৬৪ চনৰ পৰা মোৰ অন্তৰ সত্যৰ আত্মা বা পাকৰূহ তথা আল্লাহৰ আত্মাৰে পৰিপূৰ্ণ হবলৈ ধৰিছিল। সেই সময়ৰ পৰা মই ঈছামছীহক মোৰ নাজাতদাতাৰূপে সমস্ত হৃদয়েৰে গ্ৰহণ কৰিবলৈ সিদ্ধান্ত লৈছিলো। তথাপি তেতিয়াও দূৰ্বলতা আছিল। মোৰ ঈমানক মই



মই আৰু বেছি সন্দেহী হৈ থাকিবলগীয়া নহলো। মই পতিয়নো গলো যে ইছলামত থকাত যেনেকৈ এক আল্লাহত ঈমান আনিছিলো, এতিয়া মছীহী হোৱাৰ পাছতো সেই ঈমানৰ অকনো পৰিৱৰ্তন হোৱা নাই। আনহাতে যদিও মই মছীহী হবলৈ প্ৰকাশ্যে ঘোষণা কৰিছিলো, তথাপিও একেজন আল্লাহক বিশ্বাস কৰা কথাটো কেতিয়াও অগ্ৰাহ্য কৰা নাছিলো। মই অনুভৱ কৰিছো যে মছীহী হোৱাৰ পিছত মই এই বিশ্বাস সম্পৰ্কে আৰু পৰিস্কাৰকৈ বুজি পাইছো। মাত্ৰ হজৰত মহম্মদ নবী, মোক তেওঁ নাজাত দিব পৰা কথাটোকহে মই অগ্ৰাহ্য কৰিছো।

মুছলমানসকলে ভাবে যে মছীহিয়াতত এক আল্লাহৰ তত্বক নাকচ কৰা হৈছে। এইটো তেওঁবিলাকৰ ভুল ধাৰণা। মই এইটো দৃঢ়ভাৱে কওঁ যে মছীহিয়াতৰ ঈমানত এক আল্লাহৰ তত্বক পবিত্ৰভাৱে মানি লোৱা হৈছে। মছীহিয়াতৰ একত্ববাদেহে আল্লাহ সম্পৰ্কে আটাইতকৈ পবিত্ৰ আৰু উৎকৃষ্ট মতবাদ। বহুত্ববাদীৰ অৰ্থ যুক্তিপূৰ্ণভাৱে ব্যাখ্যা কৰিলে আমি পাওঁ যে ঃ—

**বহুত্ববাদীৰ সমস্যা**

ইছলামত বহু ঈশ্বৰবাদেই হৈছে অত্যাৱশ্যকীয় সমস্যা। আমি মনোযোগ দিয়া উচিত যে মছীহিয়াত ধৰ্মমতত থকা একত্ববাদক বহুত্ববাদৰ লগত একে বুলি ভাৱিব নালাগে। ইছলাম ধৰ্মৰ মতে বহুত্ববাদত বিশ্বাস কৰাটো তিনিটা অমাৰ্জনীয় গুনাহৰ এটা। এই কাৰণে দুটা ধৰ্মৰ মাজত তুলনা বিচৰাটো মোৰ বাবে অতি আৱশ্যকীয় হৈ পৰিল। মই সদায় অতি সাৱধানেৰে পৰ্য্যৱেক্ষন কৰিছিলো যে মছীহিয়াতৰ তত্বত বহুত্ববাদৰ বিশ্বাস আছে নে নাই।

প্ৰথমতে মই কিতাবুল মোকাদ্দাছৰ সুবিদিত অধ্যায় এটা পালো য'ত কোৱা হৈছে, *“মোৰ আগত তোমাৰ আন কোনো মাবুদ নাথাকক। তুমি নিজলৈ কোনো কটা প্ৰতিমা বা ওপৰত থকা বেহেস্তত, তলত থকা পৃথিৱীত আৰু পৃথিৱীৰ তলত থকা পানীত যি যি আছে, সেইবোৰৰ আকৃতিৰে কোনো মূৰ্ত্তি নাসাজিবা। সেইবোৰৰ আগত তুমি প্ৰণিপাত নকৰিবা, সেইবোৰক সেৱা পুজাও নকৰিবা। কিয়নো তোমাৰ মাবুদ যিহোৱা*



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

*যি মই, মোৰ মৰ্যদা ৰখাত উদ্যেগী আল্লাহ, মোক ঘিনাওঁতাবোৰৰ তৃতীয়,চতুৰ্থ পুৰুষলৈকে সন্তানবিলাকৰ ওপৰত পিতৃবিলাকৰ অপৰাধৰ প্ৰতিফল দিওঁতা।"*(যাত্ৰা পুস্তক ২০ঃ৩-৫)।

ইউহোন্নাই আমাক মনত পেলাই দিয়ে ঃ *"হে মোৰ বোপাহঁত, তোমালোকে দেৱমূৰ্ত্তিৰ পৰা নিজকে ৰক্ষা কৰা"*(১ইউহোন্না ৫ঃ২১)। সকলোধৰণৰ মূৰ্ত্তিকে দেৱমূৰ্ত্তি বুলি কব নোৱাৰি। কোনো স্তম্ভ নাইবা বুৰঞ্জীমূলক আট্টালিকাক দেৱমূৰ্ত্তিবুলি কোৱা নাযায়। কিন্তু সেই সকলোবোৰ অট্টালিকাই দেৱমূৰ্ত্তি হব যদিহে সেইবিলাকক উদ্দেশ্য কৰি মানুহবোৰে ধৰ্মীয় কাম সংঘটিত কৰে নাইবা পুজা প্ৰাৰ্থনা কৰে।

যাদুকৰ, দৈৱজ্ঞ, ভাগ্য কওঁতা আৰু ডাইনীবোৰে সকলো ধৰণৰ যাদু-মন্ত্ৰ আৰু তন্ত্ৰৰ দ্বাৰা (মওত হোৱা মানুহৰ) প্ৰেতাত্মাৰ আৰ্বিভাৱ কৰোৱা, এনেকুৱা ধৰণৰ বিশ্বাসেই বহুত্ববাদৰ ইংগিত দিয়ে। কিতাবুল মোকাদ্দাছে আমাক এনেধৰণৰ ঈমানদাৰ নহবলৈ আৰু এনে বিশ্বাসৰ কাৰ্য কৰা সকলৰ পৰা আতঁৰত থাকিবলৈ সকিয়াই দি দ্বিতীয় বিৱৰণীত কৈছে ঃ *"নিজ সন্তানক জুইৰ মাজেদি গমন কৰাওঁতা, মঙ্গল চাওঁতা, গণক, লক্ষণ চাওঁতা, মায়াবী, মন্ত্ৰ গাওঁতা, ভূত পোহোঁতা, গুণ মৰা, মানুহৰ আত্মাৰ পৰামৰ্শ লওঁতা, এনে লোক তোমাৰ মাজত পোৱা যাব নালাগে। কিয়নো তেনে কাৰ্যকৰোঁতা লোক আল্লাহৰ ঘিণলগীয়া আৰু তেনেবোৰ ঘিণলগীয়া কাৰ্যৰ কাৰণেই তোমাৰ আল্লাহে সিহঁতক তোমাৰ আগৰপৰা দূৰ কৰিব। তুমি তোমাৰ আল্লাহৰ সাক্ষাতে সিদ্ধ হবা"*(দ্বিতীয় বিৱৰণ ১৮ঃ১০-১৩)।

**বহুত্ববাদ সম্পৰ্কে মোৰ ধাৰণা এই**

(১) মছীহিয়াত ধৰ্মই প্ৰকাশ্যে ব্যক্ত কৰে যে আল্লাহ এজন। মছীহি সকলে একেজন আল্লাহৰ মোনাজাত কৰে আৰু একেজন আল্লাহৰ ওচৰতে নিজকে সমৰ্পণ কৰিবলৈ উপদেশ দিয়ে। ইয়াৰ বাহিৰে অন্য আল্লাহৰ ওচৰত নিজক সমৰ্পণ কৰটো এটা ডাঙৰ গুণাহ বুলি কয়। (লূক ৪ঃ৮, মথি ৪ঃ১০, দ্বিঃ বিঃ ৬ঃ১৩, যিহোচুৱা ২৪ঃ১৪,১৫ আয়াত দ্ৰষ্টব্য)।

(২) আল্লাহৰ একত্ব বুজোৱা কাৰণে মছীহিয়াত ঈমানে আল্লাহৰ উপৰিও অন্য দেৱতাৰ আৱিৰ্ভাবিক ন্যায়সংগত বুলি নাভাবে; যেনেদৰে, দেৱমূৰ্ত্তি,



ধৰ্মত ঘুৰি যাব বিচাৰিছিল। বাস্তৱিকতে ছুৰা-আল-মায়দা ১৩ আয়াতেও কিতাবুল মোকাদ্দছৰ সত্যতাৰ সপক্ষে ব্যৱহাৰ হয়।

## শেষত—

ওপৰত উল্লেখ কৰি অহাৰ দৰে কোৰাণ শ্বৰীফত এনে বহুতো আয়াত আছে যিবোৰ ওপৰে ওপৰে চালে কিতাবুল মোকাদ্দাছৰ সত্যতাক অগ্ৰাহ্য কৰা যেন লাগে। সেইবিলাক পুংখানুপুংখৰূপে অধ্যয়ন কৰাৰ পিছত মই স্বীকাৰ কৰিলো **যে কোৰাণ শ্বৰীফত কিতাবুল মোকাদ্দাছ সলনি হোৱা বুলি অভিযোগৰ প্ৰমাণ এটাও নাই। শেষত মই সিদ্ধান্ত কৰিলো যে কোৰাণ শ্বৰীফৰ ছুৰা-আল-মায়দা ৬৮, আল-বাকাৰা- ৬২, আল-চাজাদ-২৩ আৰু অন্যান্য আয়াতবোৰেও যিবোৰ মই আগতেই কৈ আহিলো, প্ৰত্যয় নিয়ায় যে যিসকলে আল্লাহই ইচ্ছা কৰাৰ দৰে তেওঁৰ আৰাধনা কৰে সেইসকলৰ বাবে কিতাবুল মোকাদ্দছেই হৈছে প্ৰকৃত গ্ৰন্থ।**

## পৰিবেশৰ প্ৰভাৱৰ বিৰুদ্ধে মোৰ যুদ্ধ যাতনা

যদিও মই এই সকলো সত্যতাত পতিয়ন গৈ নিশ্চিত হৈছিলো আৰু ঈছামছীহক মোৰ ব্যক্তিগত জীৱনৰ নাজাতদাতা হিচাপে গ্ৰহণ কৰিবলৈ সাজু হৈছিলো, তথাপি নীতিগতভাৱে সেইটো হৈ উঠা নাছিল, কাৰণ পৰিৱেশৰ প্ৰভাৱেই আছিল এইক্ষেত্ৰত মূল বাধা স্বৰূপ। মই ভয় আৰু উৎকণ্ঠাৰ বলি হৈছিলো।

মোৰ অভিজ্ঞতাৰ পৰা দেখিছো যে দুনিয়াত অনেক মানুহে ঈছামছীহক ব্যক্তিগত জীৱনৰ নাজাতদাতা ৰূপে গ্ৰহণ কৰিব খোজে যদিও পৰিৱেশে প্ৰতিবন্ধক স্বৰূপে থিয় দিয়ে আৰু হয়তো তেওঁলোকে তেওঁলোকৰ পিতৃ-মাতৃৰ অবাধ্য হ'ব নিবিচাৰে বা বিৰোধিতা কৰিব নোখোজে। পিতৃ-মাতৃ আৰু সমাজৰ ভয়ত বহুতেই ঈছামছীহক গ্ৰহণ নকৰে। ময়ো এনে বিশ্বাসী এজনক জানো যিজনে ঘৈণীয়েকৰ লগত একেলগে মছীহী হব খুজি



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

কৰিছে বা বিকৃত কৰিছে বুলি ভাৱিছে।

এই আয়াতটোও ছুৰা-আল-বাকাৰা ৭৫ আয়াতৰ দৰে। হজৰত মহম্মদৰ জীৱনকালত কিছুমান মছীহী বা ইহুদী ধৰ্মৰলোকে ইছলামলৈ আহি আকৌ ইছলাম ত্যাগ কৰি ঘূৰি গৈছিল, সেইসকলৰ ক্ষেত্ৰতহে ব্যৱহৃত হৈছিল। কোৰাণ শ্বৰীফে কোৰাণৰ বাক্য সলনি কৰা বুলি সিবিলাকক জগৰীয়া কৰিছিল। সিহঁতে হজৰত মহম্মদৰ পৰা প্ৰকৃত শিক্ষা আহৰণ কৰাৰ পিছত ইছলাম অগ্ৰাহ্য কৰিছিল। এই বিষয়ে ছুৰা-আল-মায়দা, ৭,১৩,১৪ আয়াতত পোৱা যায়ঃ *"তোমালোকক দিয়া আল্লাহৰ অনুগ্ৰহ স্মৰণ কৰা আৰু, "আমি শুনিলো আৰু মানিলো' বুলি তোমালোকে তেওঁৰ লগত যি অঙ্গীকাৰ কৰিছিলা সেই কথাও স্মৰণ কৰা। আল্লাহক ভয় কৰা। তোমালোকৰ অন্তৰৰ কথা আল্লাহে ভালকৈয়ে জানে। "*হজৰত মহম্মদে তেওঁলোকক অনুযোগ কৰিছে, সিহঁতে ইহুদী বা মছীহী বিশ্বাস ত্যাগ কৰি ইছলামলৈ আহি পুনৰ ইছলাম ত্যাগ কৰি পূৰ্বৰ ধৰ্মত ঘূৰি যাব বিচাৰিছিল।

*"সিহঁতে প্ৰতিশ্ৰুতি ভঙ্গ কৰা বাবে সিহঁতক অভিশপ্ত কৰিছো। সিহঁতৰ হৃদয় কঠোৰ কৰি দিছো। (সিহঁতে এনে এটা অৱস্থাত উপনীত হৈছেহি যে) সিহঁতে ঐশীপুথিৰ শব্দবোৰৰ প্ৰকৃত ঠাই সলনি কৰি অৰ্থ বিকৃত কৰিবলৈ ধৰিলে আৰু সিহঁতক দিয়া শিক্ষাৰ অধিকাংশই সিহঁতে পাহৰি গ'ল। সিহঁতৰ খুব কম সংখ্যক মানুহে এই দোষৰ পৰা মুক্ত হৈ আছে ...।"* ইয়াৰ লগতে ১৪ আয়াতটো পঢ়িলেই ওপৰৰ কথাখিনি পৰিস্কাৰ হ'ব। *"যিবিলাকে কৈছিল, আমি খ্ৰীষ্টিয়ান (মছীহী) আমি সিহঁতৰ পৰাও অঙ্গীকাৰ লৈছিলো; কিন্তু সিহঁতক যি আদিষ্ট কৰা হৈছিল তাৰো একাংশ সিহঁতে পাহৰি গ'ল। সিহঁতৰ মাজত আমি কিয়ামতলৈকে চিৰন্তন শত্ৰুতা আৰু শাৰীৰিক হিংসা বিদ্বেষৰ বীজ সিঁচি দিছো।"*ইয়াত দেখদেখকৈ ওলাই পৰিছে, মছীহী (বা ঈহুদী)ৰ পৰা মুছলমান হৈ পুনৰ পুৰণি ধৰ্মলৈ উভতি যোৱা সকলৰ প্ৰতি আল্লাহৰ আক্ৰোশ। কিতাবুল মোকাদ্দাছ বিকৃত কৰা বা পৰিবৰ্ত্তন কৰাৰ কোনো প্ৰসংগই ইয়াত নাই।

হজৰত মহম্মদে তেওঁলোকক অনুযোগ কৰিছে, যিসকলে ইহুদী বা মছীহী বিশ্বাস ত্যাগ কৰি ইছলামলৈ আহি পুনৰ ইছলাম ত্যাগ কৰি পূৰ্বৰ



অট্টালিকাবোৰ অথবা প্ৰকৃতিৰ প্ৰতীকবোৰ যিবোৰক মানুহে তৈয়াৰ কৰিছে। আনকি কাবাৰ বাইতুল্লাহৰ ছবি বা বগা, ৰঙা, ক'লা ৰঙৰ দলিচাৰে অঁকা প্ৰতিচ্ছবিক মাবুদ বুলি নাভাৱে। এইবোৰৰ ওচৰত আঁঠু কাঢ়ি প্ৰাৰ্থনা কৰাৰ কোনো মূল্য মছীহিয়াত ঈমানত নাই।

(৩) কিতাবুল মোকাদ্দাছৰ মতে এনে প্ৰকৃত মছীহী এজনে দৈৱজ্ঞ, ডাইনীবাদৰ যাদু-মন্ত্ৰ, ভাগ্য পৰীক্ষাত(কিতাবুল মোকাদ্দাছ সমৰ্থিত হলেও) আৰু মৃতকৰ আত্মা মাতিবলৈ বা খেদিবলৈ ধূপ জ্বলোৱা আদি প্ৰথাৰ পৰা বিৰত থাকে। তেওঁ (প্ৰকৃত মছীহী) অযুক্তিকৰ ধৰ্ম-বিশ্বাস আৰু দুৰ্বোধ প্ৰেতাত্মাৰ পৰা সম্পূৰ্ণ পৃথক বা মুক্ত (দ্বিঃবিঃ ১৮ঃ১০-১৩)।

(৪) এজন প্ৰকৃত মছীহীয়ে দুষ্ট আত্মাৰ প্ৰভাৱক ভয় নকৰে নাইবা তেওঁৰ যাদু বা দুৰ্বোধ্য ক্ষমতাৰ কথা ব্যাখ্যা নকৰে। বিভিন্ন ক্ষেত্ৰত কিতাবুল মোকাদ্দাছে বৰ্ণনা কৰিছে যে ঈছামছীহৰ ক্ষমতাই দুষ্ট আত্মাৰ সকলো শক্তিকেই জয় কৰিছে। অৱশেষত সকলো দুষ্ট আত্মা ঈছামছীহ আৰু তেওঁৰ অনুগামীসকলৰ হাতত পৰাজিত হৈছে।

(৫) প্ৰকৃত মছীহীসকল কিছুমান নিৰ্দিষ্ট বস্তুক সন্মান নকৰে যেনে — আঙুঠিত মূল্যবান পাথৰ, ক্ৰুচ, তাবিজ , ৰক্ষা কবচ বা তেনে অন্য কোনো বস্তুত অলৌকিক শক্তি থাকিলেও সন্মান নকৰে। আল্লাহৰ আত্মাৰ শক্তিয়েই হৈছে তেওঁলোকৰ ঈমানৰ ভিত্তি (ৰোমীয় ১৪ঃ১৭,১৮)।

(৬) ভয়, ব্যাকুলতা, দুখ-বেজাৰ আদি মছীহীসকলৰ জীৱনত থাকিলেও সেই সকলো মোনাজাত কৰি আল্লাহৰ পবিত্ৰ উপস্থিতিত তাক নিবেদন কৰে। কিয়নো অকল তেৱেঁই আমাৰ সকলো প্ৰয়োজনৰ কথা জানে আৰু মোনাজাতৰ উত্তৰ দিয়ে। (গীতমালা ৫ঃ৩, মথি ৬ঃ২৫-৩৪, মথি ৭ঃ৭-৮ ) "কোনো পবিত্ৰ কবৰলৈ নাযাবা আনকি কোনো বিশেষ নবীৰ মাজাৰলৈ নাযাবা" বুলি কিতাবুল মোকাদ্দাছে কৈছে।

শেষত সুস্থ মস্তিস্কৰে প্ৰকাশ্যে বিশ্বাস আৰু ঘোষণা কৰো যে মছীহিয়াতৰ আল্লাহই হৈছে সত্য আৰু সৰ্বশক্তিমান আল্লাহ। মছীহীয়াত কোনো ভূত, দুষ্ট আত্মা নাইবা মানুহে সজা দেৱমূৰ্ত্তিৰ স্থান নাই। ইয়াত মাত্ৰ এজনেই আল্লাহ আছে যিজনা সকলোৰে পিতৃ আৰু তেওঁৰ জীৱনময় কাৰ্যসাধক কালাম স্বৰূপ খোদাবন্দ ঈছামছীহ।



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

# আল্লাহৰ ত্ৰিত্ত্বতা (Trinity of God)

মই মছীহী হোৱাৰ আগতে "আল্লাহৰ ত্ৰিত্ত্বভাৱ" আছিল মোৰ বাবে অন্য এক প্ৰতিবন্ধক। বহুতৰ বাবেই এইটো বিশেষ প্ৰতিবন্ধক। মছীহিয়াত ঈমানক ভুল বুজাৰ বাবেই ই প্ৰতিবন্ধক স্বৰূপ হৈ পৰিছিল। মই এই "এক ঈশ্বৰত ত্ৰিত্ত্বভাৱ"ৰ অৰ্থৰ সত্যতা বুজি পাইছিলো যে ইয়ে তৌহিদক কেতিয়াও নুই কৰা নাই।

ছুৰা-আল-নিছা ১৭১ আৰু ছুৰা-আল-মাইদা ৭৩ আয়াতত একেদৰেই কৈছে যে — *"তোমালোকে (আল্লাহক) তিনিজন বুলি নকবা... ।"*, *"যিবিলাকে কয়— আল্লাহ তিনিজনৰ এজন সিহঁত অবিশ্বাসকাৰী; কিয়নো একমাত্ৰ আল্লাহৰ ব্যতীত আন কোনো উপাস্য নাই... ।"*

মুছলমান ভাইসকলে আনকি, মছীহী হোৱাৰ আগতে মইও কোৰাণ শ্বৰীফৰ এই আয়াতবোৰেৰে মছীহিয়াতৰ ত্ৰিত্ত্ববাদক উৎখাত কৰিবলৈ প্ৰায়ে প্ৰসঙ্গক্ৰমে ব্যাখ্যা কৰিছিলো। প্ৰকৃতাৰ্থত **কোৰাণ শ্বৰীফৰ এই কালামবোৰে তিনিজন পৃথক আল্লাহৰ ধাৰণাকহে নাকচ কৰিছে। মছীহিয়াত ঈমানত এক আল্লাহত বিশ্বাস কৰা হয়, তিনিজনক নহয়।** আমি মছীহিসকলেও কোৰাণ শ্বৰীফৰ এই আয়াতবোৰক প্ৰশংসা কৰিব পাৰো, কাৰণ — মছীহিয়াতত বহুত্ববাদৰ লগতে তিনি আল্লাহত বিশ্বাস নকৰে। ইয়াৰোপৰি মছীহিয়াতত নাস্তিকতা বিশ্বাস কৰা নহয়, আল্লাহৰ পৱিত্ৰ ত্ৰিত্ববাদকহে বিশ্বাস কৰা হয়।

মছীহীসকলে কিতাবুল মোকাদ্দাছে কোৱাৰ দৰে আল্লাহত মূল বিশ্বাসৰ মোহৰ মাৰিছে — *'হে ইস্ৰায়েল শুনা, আমাৰ আল্লাহ একমাত্ৰ যিহোৱা। আৰু তুমি তোমাৰ সকলো মন, সকলো প্ৰাণ আৰু সকলো শক্তিৰে সৈতে নিজ যিহোৱাক প্ৰেম কৰা"*(দ্বিঃ বিঃ ৬ঃ৪,৫)। এই ঈমানক ঈছা মছীহে সকলোৰে আগত প্ৰকাশ্যে ঘোষণা কৰিছিল, (মাৰ্ক ১২ঃ২৯,৩০)। যিচয়া ৪৫ঃ৫ আয়াতত এইদৰে লিখা আছে *"মই যিহোৱা আৰু মোৰ বাহিৰে অন্য কোনো মাবুদ নাই"।* ইউহোন্না ১৭ঃ৩ আয়াতত লিখা আছে *"একমাত্ৰ সত্য আল্লাহ যি তুমি, তোমাক আৰু তুমি পঠোৱা ঈছামছীহক*



মোকাদ্দাছ সাল-সলনি কৰিছে; কিন্তু ইয়াত মূল কোৰাণ শ্বৰীফৰ কথাহে লিখা আছে।

**(২) ছুৰা-আল-বাকাৰা-১০৬ আয়াত,** *"আমাৰ যিবোৰ বাণী আমি ৰহিত কৰো বা পাহৰাই দিওঁ, তাৰ ঠাইত তাতকৈ উৎকৃষ্ট বা অনুৰূপ বাণী পঠিয়াই দিওঁ... ।"*

এই আয়াতটোত 'ৰহিত কৰো বা পাহৰাই দিওঁ' শব্দকেইটাই কিতাবুল মোকাদ্দাছৰ আয়াতক বুজাইছে বুলি মুছলমান সকলে ভাবে। কিন্তু কোৰাণ শ্বৰীফৰ কিছুমান ইছলামীয় বাখ্যাই 'ৰহিত কৰা'ৰ অৰ্থৰে কোৰাণ শ্বৰীফৰ আয়াতক বুজাইছে; কাৰণ সিবিলাকৰ বিধান আৰু আদেশসমূহ উঠাই দিয়া হৈছিল। '**আল-তাজদিদ ফিল-ইছলাম**' গ্ৰন্থই কৈছে যে কোৰাণ শ্বৰীফত ৫ ৰ পৰা প্ৰায় ৫০ টা মান আয়াতৰ পৰিবৰ্ত্তন হৈছে।

কিছুমান মানুহে অৰ্থ এইদৰে কৰিব খোজে যে ঃ সেইবোৰ আয়াত হজৰত মহম্মদৰ অলৌকিকতাৰ লগত সংলগ্ন ; কাৰণ আল্লাহৰ প্ৰেৰিত ব্যক্তি হলেও হজৰত মহম্মদে তেওঁতকৈয়ো আগতে অহা মুছা বা ঈছামছীহৰ দৰে অলৌকিকতা দেখুৱাবলৈ সক্ষম নাছিল। গতিকে দেখা যায় যে ছুৰা-আল-বাকাৰা ১০৬ আয়াতটো কিতাবুল মোকাদ্দাছক দৈৱিক পুথি হিচাপে অস্বীকাৰ কৰাৰ প্ৰমাণ হিচাপে ব্যৱহাৰ কৰিব পৰা নাযায়। এই গ্ৰন্থখনেই হৈছে সত্য অনুসন্ধানৰ প্ৰকৃত ভেটি, সেইসকলৰ কাৰণে যিসকলে সঁচাকৈয়ে আল্লাহৰ আৰাধনা কৰে।

**(৩) ছুৰা-আল-মায়দা-১৩ আয়াত,** *"সিহঁতে প্ৰতিশ্ৰুতি ভঙ্গ কৰা বাবে সিহঁতক অভিশপ্ত কৰিছো। সিহঁতৰ হৃদয় কঠোৰ কৰি দিছো। (সিহঁতে এনে এটা অৱস্থাত উপনীত হৈছেহি যে) সিহঁতে ঐশীপুথিৰ শব্দবোৰৰ প্ৰকৃত ঠাই সলনি কৰি অৰ্থ বিকৃত কৰিবলৈ ধৰিলে আৰু সিহঁতক দিয়া শিক্ষাৰ অধিকাংশই সিহঁতে পাহৰি গ'ল। সিহঁতৰ খুব কম সংখ্যক মানুহে এই দোষৰ পৰা মুক্ত হৈ আছে ... ।"*

ছুৰা-আল-মায়দা ১৩ ত 'সিহঁতে' শব্দৰে ইচ্ছাকৃতভাৱে বন্ধনীৰ ভিতৰত ইহুদী/মছীহী বিলাককে সাঙুৰিছে । 'সিহঁতে আল্লাহৰ কালাম সলনি কৰিলে" বাক্যৰে সিহঁতে কিতাবুল মোকাদ্দাছৰ কালাম সলনি



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

হৈ উঠিছিলো। মই সত্যতাৰে কোৰাণ শ্বৰীফৰ সত্যতা উদঘাটন কৰিবলৈ চেষ্টা কৰিছিলো যিটোৱে মোক এই সিদ্ধান্তত উপনীত কৰাইছিল।

**(১) ছুৰা-আল-বাকাৰা ৭৫ আয়াত,** *“এতিয়াও জানো তোমালোকে এই আশা পোষণ কৰা যে, সিহঁতে তোমালোকৰ ইছলামী দাৱাতৰ প্ৰতি বিশ্বাস আনিব? অথচ সিহঁতৰ এটা দলে এইটো অভ্যাসত পৰিণত কৰি লৈছে যে, সিহঁতে আল্লাহৰ বাণী শুনি আৰু ভালদৰে জানি বুজিও তাক ইচ্ছাকৃতভাৱে বিকৃত কৰে (যেন তেওঁলোক বৰ চতুৰ)।”*

সাধাৰণতে মুছলিমসকলে “সিহঁতৰ এটা দল” **ফাৰিকুল মিনহুম** কালামৰ, কিতাবুল মোকাদ্দাছ বিচক্ষণ ইহুদী নাইবা মছীহী সকলকহে বুজায়, যিসকলে ইঞ্জিল শ্বৰীফ আৰু তৌৰাতৰ মূলৰ সাল-সলনি কৰিছে বুলি তেওঁলোকে ভাৱে।

মোৰ অনুসন্ধান অনুযায়ী ছুৰা-আল-বাকাৰা ৭৫ আয়াতৰ অৰ্থ তেনে নহয়। ‘সিহঁতৰ এটা দলে কালাম’ ইয়াত মুছলমানসকলকে বুজায় যিসকল ইহুদী বা মছীহী সকলৰ মাজৰ পৰা আহিছিল আৰু যেতিয়া তেওঁলোকে হজৰত মহম্মদৰ প্ৰকৃত শিক্ষা বুজি পালে তেতিয়া পুনৰ ইছলাম ত্যাগ কৰিলে। কোৰাণ শ্বৰীফৰ আয়াতৰ সাল-সলনি কৰা বাবে কোৰাণ শ্বৰীফে সিহঁতক জগৰীয়া কৰিছিল; কিতাবুল মোকাদ্দছে সাল-সলনি কৰা প্ৰসংগ ইয়াত নাই।

উপৰোক্ত আয়াতটোৰ এই কথাখিনি “সিহঁতে এতিয়াও তোমাক বিশ্বাস কৰাটো আশা কৰা নেকি?”যোগেৰে বুজিব পাৰি। ‘তোমালোকে’ শব্দটোৱে ইয়াত স্পষ্টকৈ ‘মহম্মদক’/মুছলমানক বুজাইছে। ইহুদীবিলাকে হজৰত মহম্মদক ভাৱবাদী হিচাপে গ্ৰহণ কৰাৰ পিছত পুনৰতেওঁবিলাকে ইছলাম ত্যাগ কৰে আৰু কোৰাণ শ্বৰীফৰ কালামৰ সাল-সলনি কৰা বুলি জগৰীয়া হয়। তেওঁলোকে তেওঁলোকৰ নিৰ্বোধতা, অজ্ঞতা আৰু মুৰ্খতাৰ বাবেও জগৰীয়া হৈছিল।

কোৰাণ শ্বৰীফৰ এই আয়াত সমূহে ইহুদী বা মছীহী সকলৰ বিৰুদ্ধে লিখা নাই আৰু দাবীও কৰা নাই যে তেওঁলোকে (ইহুদী/মছীহী) কিতাবুল



*জনা, এয়াই বেহেস্তী জীৱন”।*

ত্ৰিত্ববাদত বিশ্বাসী মছীহিয়াত ঈমানত এক আল্লাহৰ তিনিটা অস্তিত্বত বিশ্বাস কৰে, কিন্তু তিনি আল্লাহৰ ধাৰণাক বিৰুদ্ধাচৰণ কৰে। এনেকি কিছুমান মানুহে বাখ্যা কৰাৰ দৰে মছীহিয়াত ঈমানত তিনিজন পৃথক আল্লাহৰ অস্তিত্বক নুবুজায়।

**এক আল্লাহৰ ত্ৰিত্ত্ববাদক তলত দিয়া ধৰণে বৰ্ণনা কৰিব পাৰিঃ**

(১) আল্লাহ হৈছে এই বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টিকৰ্তা যিজনাক “**পিতা**” বুলি কোৱা হয় আৰু একেদৰে ইছলামতো আল-কাদিৰ বা তেওঁক “সৰ্বশক্তিমান” বুলি কোৱা হৈছে।

(২) আল্লাহৰ কালামক তেওঁৰ **ৰূহানী পুত্ৰ** বুলি কোৱা হয়; যিটো মছীহৰ জন্মৰ লগে লগে মানৱ ৰূপে প্ৰকাশ পালে। তেওঁৰ জীৱিত কালামেই তেওঁৰ ইচ্ছা আৰু শাসন প্ৰণালী, সমূহ মানৱ জাতিলৈ কৰা অঙ্গীকাৰ সমূহ মানুহৰ ভাষাৰে বাখ্যা কৰিবলৈ ঈছামছীহক পঠিয়াইছিল। (তেওঁৰ ‘কালাম’ ইছলামীয় অনুৰূপ বিশেষণ শব্দ ‘মুৰিদ’ বা ‘ইচ্ছা’)।

(৩) আল্লাহৰ আত্মা অথবা ‘পাক ৰূহু’ যিয়ে সহায় আৰু পৰিচালনা দিয়ে, কেৱল সত্য ঈমানদাৰ যিবিলাকে তেওঁৰ প্ৰতি জীৱন উৎসৰ্গ কৰে তেওঁবিলাকৰ কাৰণে। (ইয়াত থকা ‘আল্লাহৰ আত্মা’ ইছলামত থকা *‘মুহি’* অৰ্থাৎ ‘জীৱনদিওঁতা’ শব্দৰ অনুৰূপ)।

আল্লাহৰ তিনিটা আৱিৰ্ভাৱক (পিতা, পুত্ৰ, কালাম অথবা পাকৰূহু) তিনিজন ব্যক্তি হিচাপে চিত্ৰিত আৰু বৰ্ণনা কৰা হৈছে যদিও এই তিনিও এক আল্লহৰেই অস্তিত্ব। ইজনে আনজনৰ পৰা অবিচ্ছেদ্য। প্ৰত্যেকৰে একেই ক্ষমতা, অমৰত্ব আৰু এনেকুৱা নহয় যে ইজনে আনজনতকৈ আগত বা পিছত প্ৰৱেশ কৰিব। **পিতৃ, পুত্ৰ আৰু পাকৰূহু বা পবিত্ৰ আত্মাক এটা শব্দত আল্লাহ বুলি কব পাৰি।**

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে মছীহিয়াতত একত্ববাদে তৌহিদৰ তত্বক উলংঘন কৰা নাই । কোৰাণ শ্বৰীফেও এই বিষয়ত ত্ৰিত্ববাদত আপত্তি কৰা নাই। কোৰাণ শ্বৰীফে নাকচ কৰা কথাটো হ’ল



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

তিনিজন বিভিন্ন আল্লাহক বিশ্বাস কৰা বা তিনি আল্লাহৰ এবাদৎ কৰা যিটো আমি ছুৰা-আল-মায়দা ৭৩, ছুৰা-আন-নিছা ১৭১ অত দেখিবলৈ পাওঁ। মছীহিয়াত ঈমানেও নিজেই স্পষ্টভাৱে তিনি আল্লাহৰ ধাৰণাক সম্পূৰ্ণকৈ নাকচ কৰিছে। এইকাৰণেই মই কব খোজো যে কোৰাণ শ্বৰীফত এনেকুৱা এটাও আয়াত নাই য'ত মছীহিয়াতৰ এক আল্লাহৰ ত্ৰিত্ববাদৰ বিৰুদ্ধাচৰণ কৰিছে।

## ঈছা মছীহৰ মওত আৰু পুনৰুত্থান

ছুৰা-আন-নিছা ১৫৭ আয়াতত কৈছেঃ *"আৰু সিহঁতে কয়— 'আমি আল্লাহৰ ৰছুল মৰিয়ম পুত্ৰ ঈছামছীহক হত্যা কৰিলো।' (কিন্তু আচলতে) সিহঁতে তেওঁক হত্যাও কৰা নাছিল আৰু ক্ৰুচ বিদ্ধও কৰা নাছিল; কিন্তু সিহঁতৰ প্ৰতি তেনে সন্দেজনক অৱস্থাৰ সৃষ্টি কৰি দিয়া হৈছিল। যিসকলে এই কথা মানিবলৈ অমান্তি হয়, সিহঁত সন্দেহৰ চিকাৰ হৈছে। এই বিষয়ে সিহঁতৰ কোনো জ্ঞান নাই, আছে মাথোন অমূলক ধাৰণাৰ অন্ধ অনুকৰণ। সন্দেহাতীত, সিহঁতে তেওঁক হত্যা কৰা নাই।"*

কোৰাণ শ্বৰীফৰ এই আয়াতৰ আলম লৈ মুছলিম প্ৰচাৰকসকলে আনকি মইও জীৱনৰ আদিছোৱাত সলীবৰ ওপৰত ঈছামছীহৰ মওতক নাকচ কৰিছিলো। পূৰ্বৱৰ্ত্তী সময়ত মই ভাবিছিলো যে, কোনো ধৰণে সংৰক্ষণ নকৰাকৈ আল্লাহৰ প্ৰিয়পাত্ৰ, যিজন তেওঁৰ অভিষিক্ত, তেওঁক ক্ৰুচত মওত হবলৈ দিয়াটো অসম্ভৱ। ইয়াৰ উপৰিও মছীহীসকলে তেওঁক আল্লাহৰ পুত্ৰ বুলি কয়। আল্লাহে পিতৃ হৈও তেওঁক ৰক্ষা কৰিব নোৱাৰাটো অসম্ভৱ কথা।

মই মছীহী হোৱাৰ পিছত দেখিলো যে কিতাবুল মোকাদ্দাছৰ হকীকত কোৰাণ শ্বৰীফে সমৰ্থন কৰে। এই ক্ষেত্ৰত মই ছুৰা-আল-মায়দা - ৬৮ আৰু আনবোৰ আয়াতৰ পৰাও উদগণি পাইছিলো। ঈছামছীহৰ ক্ৰুচত মওত হোৱা বিষয়টোৰ ওপৰত মই কোৰাণ শ্বৰীফ আৰু কিতাবুল মোকাদ্দাছৰ সহায় লৈ গুৰুত্ব সহকাৰে অধ্যয়ন আৰু পৰ্যবেক্ষণ কৰিছিলোঃ



ব্যক্তিগত জীৱনৰ নাজাতদাতা হিচাপে গ্ৰহণ কৰাৰ ক্ষেত্ৰত মোক পিছুৱাই নিব পৰা আৰু একো বাধা নাছিল আৰু সেয়ে এতিয়া তেওঁ ন্যায় বিচাৰকৰূপে অহা তেওঁৰ দ্বিতীয় আগমণলৈ মই অপেক্ষা কৰি আছো। মছীহৰ অনুগামীসকলক নাজাতৰ বিষয়ে কোৰাণ শ্বৰীফে এই সাক্ষ্য দিয়েঃ ছুৰা-আল-ইমৰাণঃ ৫৫ আয়াত, *"...আল্লাই ক'লে, 'হে ঈছা, মই তোমাক ওভতাই আনিম, মোৰ ওচৰলৈ উঠাই আনিম আৰু যিবিলাকে তোমাক অস্বীকাৰ কৰিছে সিহঁতৰ পৰা তোমাক পবিত্ৰ কৰিম। যিবিলাকে তোমাক অস্বীকাৰ কৰিছে সিহঁতৰ ওপৰত কিয়ামত পৰ্য্যন্ত তোমাৰ অনুসাৰী সকলক উচ্চতৰ কৰি ৰাখিম।"*

স্পষ্টভাৱেই কোৰাণ শ্বৰীফে সাক্ষ্য দিয়ে যে ঈছামছীহৰ অনুসৰণকাৰী সকলৰ নাজাত সুনিশ্চিত যাৰ অৰ্থ হ'ল বেহেস্তত অনন্ত জীৱন। মছীহে নিজেই এইদৰে কৈছিল— *"মই তোমালোকক অতি স্বৰূপকৈ কওঁ, যিজনে মোৰ কথা শুনি মোক পঠোৱা জনাত ইমান আনে, সেইজনৰ অনন্ত জীৱন আছে; আৰু তেওঁ সোধ-বিচাৰলৈ আহিব নালাগে; কিন্তু মৃত্যুৰ পৰা জীৱনলৈ পাৰ হ'ল।"(ইউহোন্না ৫ঃ২৪) "ময়ে বাট, সত্য আৰু জীৱন; মোৰ যোগেৰে নগ'লে কোনেও পিতৃৰ ওচৰলৈ নাযায়" (ইউহোন্না* ১৪ঃ৬)।

## কিতাবুল মোকাদ্দাছৰ সত্যতা

এই সাক্ষ্যৰ আগতেও মই প্ৰথমে বৰ্ণনা কৰাৰ দৰে ছুৰা-আল-মায়দাৰ ৬৮ আয়াতটোৱে মোক কিতাবুল মোকাদ্দাছৰ সত্যতা অনুধাৱন কৰিবলৈ উদগনি দিছিল যিটোৰ যোগেৰে মই বুজিব পাৰিছিলো সত্য আল্লাহৰ ইচ্ছানুসাৰে তেওঁৰ বন্দেগী কৰা সকলৰ বাবে কিতাবুল মোকাদ্দাছেই উত্তম আৰু শুদ্ধ গ্ৰন্থ। কোৰাণৰ কিছুমান আয়াত মুছলমান প্ৰচাৰকসকলে আনকি আগতে ময়ো প্ৰায়ে কিতাবুল মোকাদ্দাছ (তৌৰাত আৰু ইঞ্জিল শ্বৰীফ) মিছা আৰু মানুহৰ হাতেৰে সাল-সলনি কৰি লিখা বুলি ভুল বাখ্যা কৰিছিলো। মুঠতে কোৰাণ শ্বৰীফৰ এই আয়াত সমূহৰ সত্যতা উদঘাটন কৰিবলৈ মই কিতাবুল মোকাদ্দাছৰ সূচীসমূহ বুজিবলৈ আগ্ৰহী



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

# ঈছামছীহৰ পুনৰাগমন

ন্যায় বিচাৰকৰূপে মৃত আৰু জীৱিত বিলাকৰ **সোধ-বিচাৰ** কৰিবলৈ ঈছামছীহ আকৌ আহিব। (পাঁচনি কৰ্ম ১ঃ১১, প্ৰঃ কাঃ ২০ঃ১১-১৫)। জগতৰ শেষত ঈছামছীহৰ আগমনেই হব ন্যায় বিচাৰকৰ আগমন আৰু ইয়াৰ বিষয়ে অন্যান্য হাদিছত ভৱিষ্যৎবাণী কৰাৰ দৰে মুছলমানসকলেও বিশ্বাস কৰিব।

১) বুখাৰী শ্বৰীফত আবু হুৰাইৰাই বৰ্ণনা কৰিছে (বুখাৰী হাদিছ ১১ঃ২৫৬ পৃষ্ঠা)। "মৰিয়ম- তনয় ঈছামছীহ যদি তোমাৰ ধৰ্মীয় বা আত্মিক গুৰু হৈ পুনৰ এই দুনিয়ালৈ আহে— তোমাৰ অৱস্থা কি হ'ব?"

২) হানবালৰ পুত্ৰ মুছনাদ ইমাম আহমেদে বৰ্ণনা কৰিছে; (ঐ ২ঃ২৬০,৪১১পৃষ্ঠা)। "মৰিয়ম তনয় ঈছামছীহ অতি সোনকালেই প্ৰধান পুৰোহিত আৰু ন্যায় বিচাৰক ৰূপে বেহেস্তৰ পৰা নামি আহিব।"

৩) নবী হজৰত মহম্মদেও এসময়ত চিঞৰি চিঞৰি অন্যান্য সকলক পতিয়ান নিয়াইছিল যে মৰিয়মৰ পুত্ৰ আকৌ ন্যায় বিচাৰপতিৰূপে আহিব ঃ (মুছলিম হাদিছ ১ঃ৭৬ পৃষ্ঠা)। খোদাৰ অনুগ্ৰহত সঁচাকৈয়ে মৰিয়ম তনয় ঈছামছীহ সোনকালে ন্যায় বিচাৰক ৰূপে বেহেস্তৰ পৰা নামি আহিব।"

জগতৰ শেষত ঈছামছীহৰ পুনৰাগমনৰ কথা এই হাদিছে ব্যাখ্যা কৰিছে। '**হাকামা**' (বিচাৰকৰ্ত্তা) শব্দটোৰে ইয়াক বুজাইছে যে ঈছামছীহ দ্বিতীয়বাৰ আহিলে কিতাবুল মোকাদ্দাছ আৰু কোৰাণ শ্বৰীফৰ কথাৰ দৰে বিধান লৈ নাহে যিবিলাক এতিয়া ব্যৱহাৰ কৰি থকা হৈছে। কিন্তু এইবাৰ তেওঁ সকলো জাতিৰে বিচাৰ কৰিবলৈ এখন নতুন কিতাপ '**জীৱন পুস্তক**' (প্ৰঃ কাঃ ২০ঃ১১-১৫) লৈ আহিব।

ওপৰত উল্লেখ কৰা আল-শ্বাহী বুখাৰী আৰু মুছলিম হাদিছৰ আয়াতবোৰ কিতাবুল মোকাদ্দাছৰ ৰোমীয় ২ঃ১৬ আয়াতৰ লগত তুলনা কৰিব পাৰিঃ "**সেইদিনা মোৰ শুভবাৰ্ত্তাৰ দৰে আল্লাই ঈছামছীহৰ দ্বাৰা মানুহৰ গুপুত বিষয় সোধ বিচাৰ কৰিব।**" এই কাৰণতে ঈছামছীহক প্ৰভু আৰু



১) কোৰাণ শ্বৰীফত 'কোনো এজনৰ ক্ৰুচত মৃত্যু হোৱা' ঘটনাৰ বিষয়ে পঢ়িবলৈ পাওঁ। কিন্তু কাক ক্ৰুচত মৃত্যুদণ্ড দিয়া হ'ল, সেইবিষয়ে কোনো স্থিৰ পৰিচয় নাই। কোৰাণৰ শিক্ষা দিওঁতা সকলে যাক ক্ৰুচত মাৰি পেলোৱা হৈছিল, তেওঁ ঈছামছীহ নহয় বুলি কয়। তেওঁলোকে কয় যে যিজনক ক্ৰুচত দিয়া হৈছিল তেওঁৰ নাম আছিল 'যিহূদা'।

২) কোৰাণ শ্বৰীফে কৈছে যে ইহুদীসকলে প্ৰকৃততে ঈছামছীহক ক্ৰুচত মাৰি পেলাইছিল।

তেতিয়া মই, ঈছা-মছীহক নে আন কাৰোবাক, কাক ক্ৰুচত মৃত্যুদণ্ড দিয়া হৈছিল সেই সম্পৰ্কে বেছি গ্ৰহণযোগ্য তথ্যৰ ওপৰত চকু ফুৰাইছিলো। এই তথ্যটো পাবলৈ হ'লে আমি ঐতিহাসিক প্ৰত্যক্ষ প্ৰমাণ এটা হাতত লব লাগিব। ইয়াৰ বিষয়ে কিতাবুল মোকাদ্দাছতো পোৱা যায় যিটো হৈছে মুক্ত প্ৰমাণ আৰু ইয়াকে ঐতিহাসিক প্ৰমাণৰ উৎস হিচাপে ব্যৱহাৰ কৰিব পাৰি। ঈছামছীহৰ ক্ৰুচত মৃত্যু হোৱা কাহিনীটো ইঞ্জিল শ্বৰীফৰ চাৰিওখন পুস্তক-মথি, মাৰ্ক, লূক আৰু ইউহোন্নাই লিখা ইঞ্জিল শ্বৰীফত পোৱা যায়। এই ক্ৰুচীয় মৃত্যু ঘটনাৰ বিষয়ে এই লিখকসকলৰ তিনিজনেই তেওঁলোকৰ সাক্ষ্য দিছে। যদি আমি দ্বিতীয় বিৱৰণ, ১৭ঃ৬-৭ আয়াতত উল্লেখ থকা নিয়মবোৰত চকু ফুৰাওঁ, তেন্তে আমি এইটো পাওঁ যে কোনো বস্তুৰ প্ৰমাণৰ ক্ষেত্ৰত দুই বা তিনিজন প্ৰত্যক্ষদৰ্শীৰ সাক্ষ্যই যথেষ্ট। এতেকে ঈছামছীহৰ ক্ৰুচীয় মৃত্যুৰ ক্ষেত্ৰতো চাৰিজনৰ ভিতৰত তিনিজনেই যি সাক্ষ্য দাঙি ধৰিলে সেয়াও সত্য। হজৰত মহম্মদ নাইবা কোৰাণ শ্বৰীফৰ ক্ষেত্ৰতো তুলনা কৰি তাক সঁচা ঘটনা বুলিয়েই কম; কিয়নো ছয় শতিকাৰ পিছত লিখা হজৰত মহম্মদ বা কোৰাণ শ্বৰীফৰ লিখকে নিজেই ঈছামছীহৰ ক্ৰুচীয় মৃত্যু প্ৰত্যক্ষ কৰা নাছিল।

ইয়াৰ লগতে আৰু এটা সাক্ষ্য অৰ্থাৎ প্ৰমাণ আগবঢ়াব পৰা যায়। যেতিয়া পহৰাদাৰে ঈছা-মছীহক মৃত বুলি ঘোষণা কৰিছিল , তেতিয়া আৰিমথিয়া নগৰৰ ইউছুফে আহি পীলাতৰ ওচৰত মছীহৰ দেহটো খুজিলে আৰু পীলাতেও সেই অনুৰোধ মঞ্জুৰ কৰিলে (মাৰ্ক ১৫ঃ৪২-৪৬) । এতিয়া ক্ৰুচৰ পৰা নমোৱা দেহাটো যদি মছীহৰ ন'হলহেঁতেন, তেনেহলে



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

এইটো নিশ্চিত যে আৰিমথিয়াৰ ইউছুফে ইয়াৰ মহত্ব গ্ৰহণ নকৰি অস্বীকাৰ কৰিলেহেঁতেন।

আন এটা প্ৰমাণ হ'ল যে পীলাতে ইহুদীসকলক ঈছামছীহৰ কবৰটো পহৰা দিবলৈ কৈছিল। যদি ঈছামছীহৰ বাহিৰে অন্য কাৰোবাক কবৰ দিয়া হ'লহেঁতেন তেনেহলে পীলাতে নিশ্চয় তেওঁবিলাকক পহৰা দিবলৈ নকলেহেঁতেন। কাৰণ পীলাতে ঈছামছীহই কোৱা শুনিছিল যে মৃত্যুৰ তৃতীয় দিনা তেওঁ নিজে পুনৰ জীৱিত হৈ উঠিব। যদি ধৰি লোৱা হয় যে ক্ৰুচত দিয়া মানুহজন মছীহৰ বাহিৰে অন্য কোনোবা এজন; তেনেহলে সেই অন্য ব্যক্তিজনে ক্ৰুচৰ পৰা ইমান মৰমিয়াল কথা চিঞঁৰি চিঞঁৰি কব নোৱাৰিলেহেঁতেন, যি কথাৰ যোগেৰে আমি ঈছামছীহৰ প্ৰকৃত চৰিত্ৰ প্ৰকাশ হোৱা দেখো। **'হে পিতৃ, হে পিতৃ, এওঁলোকক ক্ষমা কৰি দিয়া, কিয়নো এওঁলোকে কি কৰিছে তাক নাজানে' আৰু 'এতিয়া সিদ্ধ হ'ল'**। এই সকলোবোৰ কথাই প্ৰমাণ কৰে যে ক্ৰুচত দিয়া মানুহজন মছীহৰ বাহিৰে অন্য কোনো নাছিল।

এইদৰে মই পতিয়ন গৈছিলো যে ছুৰা-আন-নিছা ১৫৭ আয়াতত বৰ্ণনা কৰাৰ দৰে ক্ৰুচত দিয়া মানুহজন মছীহৰ বাহিৰে আন কোনো নহয়। ঈছামছীহৰ কালাম লিপিবদ্ধ কৰা চাৰিজন লিখকৰ সাক্ষ্যই বৈধ্য আৰু সত্যক সম্পূৰ্ণ প্ৰকাশ কৰে।

## মৃতসকলৰ মাজৰ পৰা মছীহৰ পুনৰুত্থান

কোৰাণ শ্বৰীফৰ কোনো স্থানতে ঈছামছীহৰ মৃত্যু আৰু পুনৰুত্থানৰ বিষয়ে অস্বীকাৰ কৰা নাই। কোৰাণ শ্বৰীফৰ মতে হজৰত মহম্মদে ঈছামছীহৰ বিষয়ে ৰহী, পাইছিল, ছুৰা- মৰিয়ম, ৩৩ আয়াত, *"মোৰ প্ৰতি শান্তি যিদিনা মোৰ জন্ম হৈছিল, যিদিনা মোৰ মৃত্যু হ'ব আৰু যিদিনা মোক পুনৰ জীৱিত কৰি উঠোৱা হ'ব।"*

এই উক্তিয়ে মোক বিশ্বাস কৰায় যে যদিও আন কিছুমানে ঈছামছীহৰ ক্ৰুচীয় মৃত্যুক অস্বীকাৰ কৰে, মই তেনেদৰে নকৰো; কিয়নো প্ৰকৃত



ক্ৰুচত যাতনা ভুগিলে কেৱল আমাৰ গুণাহৰ বলি স্বৰূপে আৰু আমি যেন সকলো প্ৰকাৰৰ গুণাহৰ শক্তিৰ প্ৰভাৱৰ পৰা মুক্ত হৈ বেহেস্তত অনন্ত জীৱনৰ অধিকাৰী হবলৈ তেওঁৰ পৰা আত্মা আৰু অধিকাৰ পাম এই কাৰণে।

## ঈছামছীহৰ বেহেস্ত গমন

নগৰৰ বাহিৰত বৈথনিয়া গাওঁত ঈছামছীহৰ এঘাৰজন চাহাবীয়ে তেওঁৰ বেহেস্ত গমনৰ সাক্ষ্য দিছিল (লূক ২৪ঃ৫০)। ঈছামছীহৰ বেহেস্ত গমনৰ (মে'ৰাজ) কথাত কোৰাণ শ্বৰীফে কোনো আপত্তি দৰ্শোৱা নাই। আনকি এই কথাক কোৰাণ শ্বৰীফে মানি লোৱাহে আমি দেখো। কাৰণ ছুৰা-আল-ইমৰাণৰ ৫৫ আয়াতত কৈছেঃ *"...আল্লাহে ক'লে, 'হে ঈছা, মই তোমাক ওভতাই আনিম, মোৰ ওচৰলৈ উঠাই আনিম আৰু যিবিলাকে তোমাক অস্বীকাৰ কৰিছে সিহঁতৰ পৰা তোমাক পবিত্ৰ কৰিম। যিবিলাকে তোমাক অস্বীকাৰ কৰিছে সিহঁতৰ ওপৰত কিয়ামত পৰ্য্যন্ত তোমাৰ অনুগামী সকলক উচ্চতৰ কৰি ৰাখিম।"*

**ঈছামছীহৰ বেহেস্ত গমনৰ ক্ষেত্ৰত দুটা বস্তু লক্ষণীয়**

**প্ৰথমঃ** তেওঁৰ চাহাবীসকললৈ তেওঁৰ শেষ বাৰ্ত্তাটো হৈছে তেওঁৰ পুনৰাগমনৰ কথা প্ৰচাৰ কৰা। যেনেঃ

**ক) তোমালোকে জগতৰ গোটেইখনলৈ গৈ উদ্ধাৰৰ শুভবাৰ্ত্তা প্ৰচাৰ কৰি সমূহ জাতিক মছীহৰ অনুগামী কৰা।**
**খ) পিতা, পুত্ৰ আৰু পাক ৰুহুৰ নামত সকলোকে ত্বৰীকা দিয়া।**
**গ) মই তোমালোকক শুভবাৰ্ত্তাৰ বিষয়ে যি যি শিক্ষা দিলো, তোমালোকেও তেনেকৈ কৰাগৈ।**

**দ্বিতীয়ঃ ঈছামছীহৰ সকলো চাহাবা তথা অনুগামীলৈ কৰা অঙ্গীকাৰ মতে পাকৰুহুৰ শক্তি তেওঁ সকলোকে দিব, যি শক্তিৰ সহায়ত তেওঁত ঈমান অনা প্ৰতিজনেই ঈছামছীহক আল্লাহৰ ৰুহানী পুত্ৰ আৰু জীৱনময় কালাম বুলি সাক্ষ্য দিব। তেওঁৰ সেই আত্মা আমাৰ লগত চিৰদিন এনেকি জগতৰ শেষলৈকে থাকিব।**



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

*মৃত্যুত তেওঁ ধনবানৰ লগত আছিল। তথাপি তেওঁ কোনো অত্যাচাৰ কৰা নাছিল আৰু তেওঁত কোনো ছলনা নাছিল। তথাপি তেওঁক গুড়ি কৰিবলৈ যিহোৱাৰ ইচ্ছা হ'ল। তেওঁ তেওঁক যাতনাত পেলালে। তুমি তেওঁৰ প্ৰাণ পাপাৰ্থক বলিস্বৰূপে উৎসৰ্গা কৰাৰ পাছে তেওঁ নিজ বংশ দেখিব, তেওঁ দীৰ্ঘজীৱি হব আৰু তেওঁৰ হাতৰ দ্বাৰাই যিহোৱাৰ মনোবাঞ্ছা সিদ্ধ হব। তেওঁ নিজ প্ৰাণৰ দুঃখৰ ফল দেখি তৃপ্ত হব; মোৰ ধাৰ্মিক দাসে নিজ জ্ঞানৰ দ্বাৰাই অনেকক ধাৰ্মিক কৰিব আৰু তেৱেঁই তেওঁবিলাকৰ অপৰাধৰ ভাৰ বব। এই হেতুকে মই মহৎ লোক বিলাকৰ লগত তেওঁক এক অংশ দিম আৰু তেওঁ পৰাক্ৰমী বিলাকৰ লগত লুটদ্ৰব্য ভাগ কৰি লব। কাৰণ তেওঁ মৃত্যুলৈ নিজ প্ৰাণ ঢালি দিলে আৰু অধৰ্মীবোৰৰ লগত লেখত পৰিল। তথাপি তেওঁ অনেকৰ পাপৰ ভাৰ বলে আৰু অধৰ্মবোৰৰ নিমিত্তে অনুৰোধ কৰিছে"* (যিচয়া ৫৩ঃ১-১২)।

যিদৰে ভাৱবাণীত তেওঁক আল্লাহৰ দাস বুলি কোৱা হৈছে, সেইদৰে সিদ্ধ হব বুলি ঈছা-মছীহে স্বীকাৰ কৰিছিল। যেতিয়া ঈছামছীহে তীব্ৰ যাতনাৰ মুখামুখি হৈছিল তেতিয়াও সেইজন শিষ্যক যিজনে মছীহক ধৰিবলৈ অহা সৈন্য এজনক মাৰি পেলাবলৈ তৰোৱাল উলিয়াইছিল, তেওঁক কৈছিল, *"তোমাৰ তৰোৱাল পুনৰায় তাৰ ঠাইত থোৱা; কিয়নো যিবোৰে তৰোৱাল ধৰে সেই সকলোৱেই তৰোৱালৰ দ্বাৰাই বিনষ্ট হব। নতুবা মোৰ পিতৃয়ে যিহতে এতিয়াই মোলৈ বাৰ বাহিনীতকৈয়ো অধিক স্বৰ্গদূত পঠাই দিব, মই এনে নিবেদন কৰিব নোৱাৰো বুলি তুমি ভাবিছানে? কিন্তু তাকে কৰিলে, এইদৰে ঘটিব লাগে বুলি কোৱা শাস্ত্ৰীয় বচন কেনেকৈ সিদ্ধ হব?"* (মথি ২৬ঃ৫২-৫৪)।

ইহুদী পুৰোহিতসকলে তেওঁলোকৰ ধৰ্মীয় ক্ষমতাৰ দ্বাৰাই ঈছামছীহক ক্ৰুচত দিয়াৰ বাবে ৰোমান সম্ৰাটৰ হাতত অৰ্পণ কৰিছিল তেওঁ তৌৰাত উলংঘন কৰাৰ বাবে নহয়। কিন্তু ইহুদী পুৰোহিত বিলাকে মিছাকৈ ঈছামছীহে তেওঁলোকৰ আল্লাহৰ নিন্দা কৰা আৰু নিজকে আল্লাহৰ পুত্ৰ নাজাতদাতা বুলি কৈ কৰা পাপৰ কাৰণেই তেওঁক ক্ৰুচত দিবলৈ আৰ্জি কৰিছিল। মছীহৰ ক্ৰুচীয় মৃত্যুৰ ছবি প্ৰতিজন মছীহীৰ অন্তৰত থকা উচিত; তেওঁ



পক্ষে ঈছামছীহৰহে ক্ৰুচত মৃত্যু হৈছিল। মই নিশ্চিত হৈছিলো যে ঈছামছীহক মৃত্যুৰ পাছত পুনৰ জীয়াই তোলা হৈছিল। **উবাথু হায়া** শব্দটোৰ অৰ্থ হৈছে "সত্য মৃত্যুৰ পৰা পুনৰ জীৱন্ত কৰি তোলা। মৃত্যুৰ তৃতীয় দিনা ঈছামছীহে কবৰৰ পৰা জীৱন্ত হৈ ওলাইছিল। আনকি দেহযুক্ত, দৰ্শনযোগ্য আৰু চুব পৰাকৈ পুনৰুত্থিত হৈছিল (ফিলিপীয়া ৩ঃ২১)।

ধৰা হ'ল, ঈছা-মছীহক ক্ৰুচত দিয়া হৈছিল আৰু মাৰি পেলোৱা হৈছিল আৰু এতিয়াও মৃত অৱস্থাতে ৰৈ আছে। তেন্তে এইটো হব মছীহী সকলৰ কাৰণে ভয়ংকৰ কথা কাৰণ সিহঁতৰ নাজাতদাতা মৰি অদৃশ্য হৈ গৈছে। মছীহী ধৰ্মই হয়তো সাহসেৰে থিয় দি নাথাকিলহেঁতেন যদিহে তেওঁলোকৰ নাজাত অৰ্থাৎ বেহেস্তৰ আশা নাথাকিলহেঁতেন।

যদিহে সঁচাকৈ ঈছামছীহ মৰিছে আৰু এতিয়ালৈকেই মৃত অৱস্থাতে আছে তেনেহ'লে মছীহীসকলে কিয় মৃত্যু মাবুদক পূজা আৰাধনা কৰে? কি কাৰণত মৃত মাবুদৰ নামত মছীহীসকলে ত্বৰীকা গ্ৰহণ কৰিব লাগে? কি কাৰণে মছীহীসকলে এজন মৃত ব্যক্তিৰ বিষয়ে ধ্যান কৰিব লাগে? যিজনে নিজকে মৃত্যুৰ পৰা বচাব নোৱাৰি এতিয়াও কবৰতে পৰি আছে, তেনে এজন নাজাতদাতাক আৰাধনা কৰাৰ কোনো যুক্তি থাকিব নোৱাৰে।

আল্লাহৰ প্ৰেমৰ প্ৰমাণ স্বৰূপে ঈছামছীহক ক্ৰুচবিদ্ধ কৰি মৃতুদণ্ড দিয়া হৈছিল; কিন্তু চিৰদিন কবৰত মৃত হৈ থাকিবলৈ নহয়, আল্লাহৰ মহিমাৰ অৰ্থে পুনৰ জী উঠি জগতৰ শেষলৈকে জীয়াই থাকিবলৈহে। বাস্তৱিকতে ঈছামছীহ মৃতসকলৰ মাজৰ পৰা পুনৰ জী উঠিছিল আৰু পুনৰ তেওঁ পূৰ্বৰ বাস্তৱ দেহত চল্লিশদিনলৈ জীৱিত অৱস্থাত আছিল; সেয়া কোনো কাল্পনিক ৰূপ নাছিল। যিসকলে এই ঘটনা সংঘটিত হোৱা দেখিছিল তেওঁলোকে এই বিষয়ে সাক্ষ্য দিছে।

ঈছামছীহৰ মৃত্যু আৰু পুনৰুত্থান হোৱাটো পৃথিৱীৰ মণ্ডলীৰ বিশ্বাসৰ আদি মূল। আমাৰ বিশ্বাস আশাৰে পৰিপূৰ্ণ। আমাৰ এজন নাজাতদাতা আছে যিজন চিৰকাললৈ জীৱিত। প্ৰেমৰ ওপৰত আমাৰ বিশ্বাস আছে আৰু ঈছামছীহৰ যোগেৰে আমি আল্লাহৰ অঙ্গীকাৰবোৰৰ ভাগী হব পাৰিছো আমি আল্লাহৰ সৈতে একেলগে দুঃখভোগো কৰিব লাগিব কাৰণ আমি



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

একেলগে তেওঁৰে সৈতে গৌৰৱান্বিত হবলৈহে পাম।(ৰোমীয়া ৮ঃ১৭)। সেই কাৰণে মছীহৰ অনুগামীসকল বিশ্বাসী হব লাগে যাতে আমি সকলোৱে মৃত্যুৰ পৰা পুনৰুত্থিত হব পাৰো।

l *আমি পৰিয়ালৰ বিবাদজনিত পাপৰ পৰা আৰু ঘৃণাৰ পৰা মুক্ত হব লাগিব।* l *আমি জীৱিকা নিৰ্বাহৰ বাবে অসৎ উপায় অৱলম্বনৰ পৰা বিৰত থাকিব লাগিব।* l *আমি ভয়ংকৰ মৃত্যুৰ পৰা হাত সাৰিব লাগিব।* l **সেয়ে ঈছামছীহক গ্ৰহণ কৰিলে ঃ** *আমি দুৰ্বল বিশ্বাসৰ পৰা মুক্তি পোৱা হম ।* l *আমি স্বাৰ্থপৰতাৰ পৰা মুক্তি পোৱা হম।* l *আৰু আমি ভয়, বেমাৰ-আজাৰ আৰু দুঃচিন্তাৰ পৰা মুক্তি পোৱা হম।*

## আমাৰ বাবে মছীহৰ সলীবৰ অৰ্থ

পাঁচনি পিতৰে আল্লাহৰ অনুপ্ৰেৰণা পাই লিখিছে *“কিয়নো কোনোৱে যদি আল্লাহৰ উদ্দেশ্যে বিবেকৰ কাৰণে অন্যায় ভোগ সহন কৰে, তেন্তে সেয়ে গ্ৰহণীয়। কাৰণ পাপ কৰি শাস্তি খালে যদি সহন কৰা, তেন্তে তাত কি প্ৰশংসা আছে? কিন্তু সৎকৰ্ম কৰি দুখভোগ কৰিলে যদি সহন কৰা তেন্তে সেয়েই আল্লাহৰ আগত গ্ৰহণীয়। কাৰণ তাৰ নিমিত্তেই তোমালোক আমন্ত্ৰিত হলা। কিয়নো তোমালোক যেন মছীহৰ খোজৰ অনুগামীলোক হোৱা, এই কাৰণে তেওঁ তোমালোকৰ অৰ্থে দুঃখ ভোগ কৰি তোমালোকৰ কাৰণে এটা আৰ্হি ৰাখি গ'ল। তেওঁ কোনো পাপ নকৰিলে, তেওঁৰ মুখত কোনো ছলনা পোৱা নগ'ল; নিন্দিত হোৱা কালত তেওঁ প্ৰতিনিন্দা নকৰিলে, দুখ পোৱা কালত ডাবি-ধমকি নিদিলে কিন্তু ন্যায়ৰূপে বিচাৰকৰোতা জনাৰ ওপৰত ভাৰ দিলে। আমি যেন পাপৰ সম্বন্ধে মৰি, ধাৰ্মিকতাৰ সম্বন্ধে জীওঁ, এই কাৰণে তেওঁ কাঠৰ ওপৰলৈ তেওঁৰ শৰীৰত আমাৰ পাপৰ ভাৰ বৈ নিলে। তেওঁৰ সাঁচৰ দ্বাৰাই তোমালোক সুস্থ হলা। কিয়নো তোমালোক মেৰৰ দৰে ভ্ৰান্ত হৈ গৈ আছিলা। কিন্তু এতিয়া তোমালোকৰ জীৱাত্মাৰ ৰক্ষক আৰু অধ্যক্ষৰ ওচৰলৈ ঘূৰি আহিলা”* (১ পিতৰ ২ঃ১৯-২৫)।



ক্ৰুচৰ শাস্তিয়েই আছিল মছীহৰ জীৱনত সৰ্বোচ্চ দুঃখভোগ বা যাতনা। তেওঁ যে কিবা পোৱাৰ আশাত ক্ৰুচত মৰিছিল এনে নহয়; কিন্তু এয়া আছিল আল্লাহৰ পৰিকল্পনা। মছীহৰ ক্ৰুচীয় যাতনাৰ গভীৰ অৰ্থ ৭০০ বছৰৰ পূৰ্বেই যিচয়া ভাৱবাদীয়ে ভৱিষ্যৎবাণী কৰিছিল (যিচয়া ৫৩ঃ৪-১২)।

**নিশ্চিত ভাৱে**ঃ- *“আমাৰ বাৰ্ত্তা কোনে বিশ্বাস কৰিলে? আৰু যিহোৱাৰ বাহু কাৰ আগত প্ৰকাশিত হল? কিয়নো তেওঁ তেওঁৰ আগত কোমল গজালিৰ দৰে আৰু শুকান মাটিত উৎপন্ন হোৱা শিপাৰ নিচিনাকৈ বাঢ়ি উঠিল। তেওঁৰ ৰূপ কি শোভা নাই আৰু তেওঁক দেখিলে আমি যেন তেওঁক ভাল পাব পাৰোঁ, এনে সৌন্দৰ্য তেওঁৰ নাই। তেওঁ ঘৃণিত আৰু মনুষ্যৰ দ্বাৰাই পৰিত্যক্ত হ'ল। তেওঁ শোকাতুৰ আৰু যাতনা -পৰিচিত। আৰু যাৰ পৰা মানুহে মুখ ঢাকে, তেওঁ তাৰ নিচিনা। তেওঁক তুচ্ছ কৰা হ'ল আৰু আমি তেওঁক শ্ৰেষ্ঠ জ্ঞান কৰা নাই।*

*নিশ্চয়ে তেওঁ আমাৰ যাতনাবোৰ ললে আমাৰ ৰোগৰ ভাৰ বলে। তথাপি আমি হলে তেওঁক আঘাতিত আল্লাহৰ দ্বাৰা প্ৰহাৰিত আৰু দুঃখিত যেন জ্ঞান কৰিলো। কিন্তু আমাৰ অধৰ্মবোৰৰ নিমিত্তে তেওঁক খোচা হ'ল। আমাৰ অপৰাধবোৰৰ নিমিত্তে গুড়ি কৰা হ'ল; আমাৰ শান্তিজনক শাস্তি তেওঁৰ ওপৰত পৰিল আৰু তেওঁৰ গাৰ সাঁচ বহা কোবৰ দ্বাৰাই আমি সুস্থ হলো। আমি সকলোৱে ভেড়াৰ নিচিনাকৈ অপথে গৈছিলো; প্ৰতিজনে নিজ নিজ বাট গৈছিলো আৰু যিহোৱাই আমাক সকলোৰে অপৰাধৰ ভাৰ তেওঁৰ ওপৰত দিলে।*

*তেওঁ উপদ্ৰৱ পালে, তথাপি নম্ৰ হৈ তেওঁৰ মুখ নেমেলিলে। তেওঁ কাটিবলৈ নিয়া মেৰ পোৱালি বা নোমৰ কটিয়াৰ আগত নিজম দি থকা মাইকী মেৰৰ নিচিনা আছিল এনে কি নিজ মুখকে নেমেলিলে। তেওঁক উপদ্ৰৱ আৰু দণ্ডাজ্ঞাৰ দ্বাৰাই নিয়া হ'ল আৰু তেওঁক যে জীৱিত বিলাকৰ দেশৰ পৰা বিচ্ছেদ কৰা হ'ল তেওঁৰ কালৰ লোকবিলাকৰ মাজত কোনে ইয়াক বিবেচনা কৰিছিল? মোৰ জাতিৰ অধৰ্মৰ কাৰণেই তেওঁ আঘাতিত হ'ল। আৰু লোকে দুষ্টবোৰৰ লগত তেওঁৰ মৈদাম নিৰূপণ কৰিলে; আৰু*



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com